www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

পৰিস্থিতি যিমানেই ভয়লগা নহওক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত। - পিয়েৰ টেলহাৰ্ড

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰচত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতত জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৬৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ২৪৭ ❑ বৃহস্পতিবাৰ ❑ ১৬ জুলাই, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 247 ❑ Thursday ❑ 16th July, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

## আছা আৰু অনুসূচিত জাতি সন্থাৰ ৰাজ্যজুৰি তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ সকিয়নি

**আদিবাসী আৰু অনুসূচিত জাতি সম্প্ৰদায়ৰ তিনিঘণ্টীয়া ধৰ্ণা আৰু অৱস্থান ধৰ্মঘট**

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ জুলাই ঃ** অসম বিধানসভাৰ বাজেট অধিৱেশনৰ অষ্টম দিনাও চলি থকাৰ মাজতে ৰাজধানী গুৱাহাটীৰ চচলস্থিত ধৰ্ণাস্থলীত আজি দুটাকৈ সামাজিক সংগঠনে জোৰদাৰ প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) আৰু অসম অনুসূচিত জাতি যুৱ-ছাত্ৰ সন্থাই পৃথক পৃথক কাৰ্যসূচীৰে চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰি ওলায়। আছাৰ উদ্যোগত তিনিঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী অনুষ্ঠিত হয়। আদিবাসী সমাজৰ দীৰ্ঘদিনীয়া সমস্যাৰ শিপাই পোত যোৱা দাবিসমূহ দাঙি ধৰি সংগঠনটোৱে প্ৰতিবাদ জনায়। ধৰ্ণাত ৰাজ্যিক আৰু জিলা ❑ ৬ পৃষ্ঠাত

**শৰীৰৰ ওজন ৮.৫ কেজি হ্ৰাস ঃ কৃত্ৰিম উপায়েৰে পুষ্টি যোগানৰ আহ্বান**

# জীৱন সংকটত অনশনৰত সোনম ৱাংচুক

### অনশন ভংগ কৰাৰ আবেদনত কেন্দ্ৰ-দিল্লী চৰকাৰক জাননী দিল্লী উচ্চন্যায়ালয়ৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ জুলাই ঃ** প্ৰশ্নকাকত ফাদিল আৰু শিক্ষা খণ্ডৰ দুৰ্নীতিৰ অভিযোগত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত সমাজকৰ্মী সোনম ৱাংচুকৰ আমৰণ অনশন আজি ১৮ দিনত ভৰি দিছে। ক্ৰমাগত উপবাসৰ ফলত তেওঁৰ স্বাস্থ্যৰ অৱস্থা ভীষণভাৱে অৱনতি ঘটি আছে। শেহতীয়া তথ্য অনুসৰি তেওঁৰ শৰীৰৰ ওজন ৮.৫ কিলোগ্ৰাম হ্ৰাস পাইছে, আৰু চিকিৎসকসকলে আশংকা কৰিছে যে আৰু কেইদিনমান অনশন অব্যাহত থাকিলে তেওঁৰ জীৱনলৈ ভাবুকি আহিব পাৰে। এনে সংকটপূৰ্ণ পৰিস্থিতিত ৱাংচুকক জোৰকৈ হ'লেও অনশন ভংগ কৰাই খাদ্য খুওৱাৰ ব্যৱস্থা কৰিবলৈ দিল্লী উচ্চ ন্যায়ালয়ত এখন আবেদন দাখিল কৰা হয়। এই আবেদনৰ ওপৰত শুনানি গ্ৰহণ কৰি মুখ্য ন্যায়াধীশ ডি কে উপাধ্যায়ৰ নেতৃত্বাধীন বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰ আৰু দিল্লী চৰকাৰক জাননী জাৰি কৰে। একে সময়তে আদালতে বিষয়টোৰ গুৰুত্ব ❑ ৬ পৃষ্ঠাত



# শিৱসাগৰত বিজেপিৰ দুদিনীয়া মহাপ্ৰশিক্ষণ অভিযান উদ্বোধন

**২০২৯য় লোকসভা নিৰ্বাচনক লক্ষ্য কৰি দলীয় সংগঠনক শক্তিশালী কৰাৰ অংগীকাৰ**



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ জুলাই ঃ** ৰাজ্যত বিজেপি নেতৃত্বাধীন চৰকাৰে তৃতীয়বাৰৰ বাবে শাসনভাৰ গ্ৰহণ কৰাৰ পিছতে দলটোৱে নিজৰ সাংগঠনিক গাঁথনি অধিক মজবুত কৰাৰ লক্ষ্য আগত ৰাখি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আছে। এই ক্ৰমতে শিৱসাগৰ জিলাৰ মিলন মন্দিৰ প্ৰাংগণত আজি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ নামত দুদিনীয়া এক মহাপ্ৰশিক্ষণ অভিযানৰ শুভাৰম্ভ হয়। অনুষ্ঠানৰ ❑ ৬ পৃষ্ঠাত

## ২৫ জুলাইত গুৱাহাটীত কৃষি আন্তঃগাঁথনি পুঁজিৰ সজাগতা সভা

**৫,০০০ কৃষি-উদ্যোগীক লৈ বৃহৎ কাৰ্যসূচী**
**৩ শতাংশৰেহাই সুতত ২ কোটি টকালৈ ঋণৰ সুবিধা**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জুলাই ঃ** কৃষি আন্তঃগাঁথনি পুঁজি (Agriculture Infrastructure Fund) আঁচনিখনৰ প্ৰসাৰ আৰু সজাগতা বৃদ্ধিৰ বাবে অসম চৰকাৰে এখন বৃহৎ কাৰ্যসূচী আয়োজন কৰিছে। কৃষিমন্ত্ৰী পীয়ুষ হাজৰিকাই বুধবাৰে বিধানসভাত এই সন্দৰ্ভত বিধায়কসকলক আহ্বান জনাই কয় যে আগন্তুক ২৫ জুলাই তাৰিখে গুৱাহাটীৰ জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহত এই কাৰ্যসূচী ❑ ৬ পৃষ্ঠাত

## যোৱাবাটৰ বান-যানজটৰ স্থায়ী সমাধানৰ বাবে ১৫০ কোটিৰ মেগা প্ৰকল্প

ঘোষণা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঃ গুৱাহাটী ৰিং ৰোডৰ অধীনত বান প্ৰশমন আঁচনি



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জুলাই ঃ** ৰাজ্যৰ বাণিজ্যিক ৰাজধানী গুৱাহাটীৰ প্ৰৱেশদ্বাৰ যোৱাবাট অঞ্চলত বছৰি পুনৰাবৃত্তি হোৱা কৃত্ৰিম বান আৰু তীব্ৰ যান-জঁটৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি বিধানসভাৰ বাজেট অধিৱেশনত ভাষণ প্ৰদান কৰি যোৱাবাট বান প্ৰশমন প্ৰকল্পৰ বাবে ১৫০ কোটি টকা আৱণ্টন কৰাৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰকল্পখন গুৱাহাটী ❑ ৬ পৃষ্ঠাত

# অহা পাঁচ বছৰ অসমত ধুমুহাৰ দৰে কাম কৰিম ঃ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা

**বাজেট বিতৰ্কত দীঘলীয়া ভাষণত বিকশিত অসমৰ ৰূপৰেখা দাঙি ধৰি বিৰোধীক কটাক্ষ**



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জুলাই ঃ** অসম বিধানসভাৰ বাজেট অধিৱেশনৰ অষ্টম দিনা বাজেট বিতৰ্কত অংশ লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক দীৰ্ঘ আৰু তাৎপৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰে। এই ভাষণত তেওঁ অহা পাঁচবছৰৰ বাবে বিকশিত অসমৰ স্পষ্ট ৰূপৰেখা দাঙি ধৰাৰ লগতে বিৰোধী দলৰ সমালোচকসকলক কঠোৰ ভাষাৰে ❑ ৬ পৃষ্ঠাত

### অখিল গগৈৰ 'কল্পনাৰ বাজেট'

# গাঁৱে-গাঁৱে পাঁচখন ট্ৰেক্টৰ, পথাৰত ড্ৰোণ, ভীমকলৰ পৰা বেবী ফুড

**খেতি-বাতিৰ পৰা আৰম্ভ কৰি শিল্পলৈকে এক সু-সংহত বিকল্প পৰিকল্পনা**



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জুলাই ঃ** ৰাজ্যৰ বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে বিধানসভাত দাখিল কৰা পূৰ্ণাংগ বাজেটখনক লৈ ৰাজ্যত সমালোচনা-সমৰ্থনৰ লহৰ চলি থকাৰ মাজতে আজি ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে এক পৃথক 'কল্পনাৰ বাজেট' সাংবাদিকৰ আগত দাঙি ধৰে। বিধানসভাৰ বাজেট অধিৱেশনৰ অষ্টম দিনা, বুধবাৰে বিধানসভা চৌহদত ❑ ৬ পৃষ্ঠাত

## ১.২৭ লাখ কোটি টকা ব্যয়েৰে ভাৰতক কৰা হ'ব অৰ্ধপৰিবাহী বিশ্বকেন্দ্ৰ

**যুৱশক্তিয়ে পৰিচালিত ছেমিকন ২.০য়ে সৃষ্টি কৰিব উচ্চমূল্যৰ সুযোগ**

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা ১৫ জুলাইঃ** ভাৰতক অৰ্ধপৰিবাহী ডিজাইন, উৎপাদন আৰু উদ্ভাৱনৰ বিশ্বব্যাপী কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দীৰ্ঘম্যাদী লক্ষ্যৰে কেন্দ্ৰীয় কেবিনেটে বুধবাৰে 'ছেমিকন ২.০' কাৰ্যসূচীত অনুমোদন ❑ ৬ পৃষ্ঠাত

# ভাৰত টেক্স ২০২৬ত অসমৰ মুগাৰ বিশ্বমঞ্চত প্ৰশংসা

**'গ'ল্ডেন থ্ৰেডছ অফ আছাম' আৰু 'আইমিজ' ষ্টল পৰিদৰ্শন পবিত্ৰ মাৰ্ঘেৰিটাৰ**

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ জুলাই ঃ** ৰাষ্ট্ৰীয় ৰাজধানীৰ প্ৰগতি মৈদানস্থিত ভাৰত মণ্ডপমত চলি থকা 'ভাৰত টেক্স ২০২৬' প্ৰদৰ্শনীত অসমৰ ঐতিহ্যপূৰ্ণ মুগা ৰেচমৰ আন্তৰ্জাতিক স্বীকৃতি লাভে নতুন মাত্ৰা যোগালে। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি বিশ্বজিৎ দৈমাৰী মন্ত্ৰীৰ সৈতে একেলগে প্ৰদৰ্শনীৰ বিশেষ আকৰ্ষণ 'গ'ল্ডেন থ্ৰেডছ অফ ❑ ৬পৃষ্ঠাত



## মুখ্যমন্ত্ৰীৰ ভাষণত বাৰে বাৰে হস্তক্ষেপ ঃ সদনৰ পৰা বহিষ্কাৰ অখিল গগৈ

**মুখ্যমন্ত্ৰীৰ চলাহী ভাষণৰ মাজত শুদ্ধ তথ্য আঙুলিয়াই দি খেদা খালোঁ ঃ অখিল গগৈ**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জুলাই ঃ** অসম বিধানসভাৰ চলিত বাজেট অধিৱেশনৰ অষ্টম দিনটোত সংসদৰ মৰ্যাদা ৰক্ষা কৰিবলৈ গৈ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে। ৰাইজৰ



দলৰ বিধায়ক অখিল গগৈক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভাষণৰ সময়ত বাৰে বাৰে হস্তক্ষেপ কৰাৰ বাবে দিনটোৰ বাবে সদনৰ পৰা বহিষ্কাৰ কৰা হয়। মুখ্যমন্ত্ৰীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট ❑ ৬ পৃষ্ঠাত

# সুৰা বিপণিৰ অনুজ্ঞাপত্ৰ নিদিলে অসমত সৃষ্টি হ'ব অবৈধ বজাৰ ঃ আবকাৰী মন্ত্ৰী অতুল বৰা

**এটা দশকত ১০০২খন বিলাতী আৰু ৯২৪খন দেশীয় সুৰাৰ বিপণিৰ অনুজ্ঞাপত্ৰ প্ৰদান**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জুলাই ঃ** অসম বিধানসভাৰ বাজেট অধিৱেশনৰ অষ্টম দিনা আবকাৰী বিভাগ সম্পৰ্কীয় প্ৰশ্নোত্তৰ কালত কংগ্ৰেছৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে সুৰাৰ বিপণিৰ অনুজ্ঞাপত্ৰ আৰু ৰাজহ সংগ্ৰহৰ বিষয়ে সোধাত আবকাৰী মন্ত্ৰী অতুল বৰাই এক স্পষ্ট তথ্যপূৰ্ণ উত্তৰ আগবঢ়ায়। তেওঁ সদনত কয়, "অসমত চৰকাৰে কেতিয়াও জধেমধে সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা নাই। ৰাজ্য চৰকাৰে নিৰ্দিষ্ট নীতি-নিয়ম আৰু বিহিত প্ৰক্ৰিয়া অনুসৰিহে অনুজ্ঞা-পত্ৰ প্ৰদান কৰে।" তেওঁ লগতে গুৰুত্ব দি কয় যে অসমত মদ সেৱনকাৰীৰ সংখ্যা যথেষ্ট। "এইসকল লোকে মদ খাবই। অসমত যদি বৈধ অনুজ্ঞা-পত্ৰ ❑ ৬পৃষ্ঠাত



# ফিফা বিশ্বকাপৰ উন্মাদনা ঃ পুৱতি নিশা ৩. ৩০ বজালৈ খোলা থাকিব ৰেষ্টুৰেণ্ট

### মুখ্যমন্ত্ৰীৰ সামাজিক মাধ্যমত ঘোষণা; প্ৰয়োজন সাপেক্ষে অন্যান্য জিলা প্ৰশাসনকো অধিকাৰ প্ৰদান

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ জুলাই ঃ** অসমৰ ফুটবলপ্ৰেমী ৰাইজৰ বাবে এক সুখবৰ লৈ আহিছে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই। চলিত ফিফা বিশ্বকাপৰ ছেমিফাইনেল আৰু ফাইনেল খেলসমূহ যাতে ফুটবল অনুৰাগীসকলে কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ উপভোগ কৰিব পাৰে, তাৰ বাবে ৰাজ্য চৰকাৰে এক বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি পুৱা



সামাজিক মাধ্যম এক্সত এই ঘোষণা জনায়। তেওঁ লিখে- "ফুটবলপ্ৰেমীসকলৰ বাবে এটি সুখবৰ। যিকোনো খেল উপভোগৰ আনন্দ একেলগে বহি চোৱাতেই আছে। আমি বিচাৰোঁ- আমাৰ ক্ৰীড়ানুৰাগী ফুটবলপ্ৰেমী ৰাইজে যাতে চলিত ফিফা বিশ্বকাপৰ ছেমিফাইনেল আৰু ফাইনেলৰ খেলসমূহ কোনো অসুবিধা নোহোৱাকৈ উপভোগ কৰিব পাৰে।" তাৰ ❑ ৬ পৃষ্ঠাত

# বিশিষ্ট সাহিত্যিক,ঔপন্যাসিক ডº অনুৰাধা শৰ্মা পূজাৰীলৈ 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য বঁটা'

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৪ জুলাই ঃ** অসমৰ অন্যতম জাতীয়তাবাদী সংগঠন সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ, অসম'ৰ দশম বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস অহা ২৫ আগষ্ট, ২০২৬ (মঙলবাৰ) গোলাঘাট এমেচাৰ



**২৫ আগষ্টত গোলাঘাটত প্ৰদান কৰা হ'ব এই বঁটা**

থিয়েটাৰ চ'ছাইটিৰ প্ৰেক্ষাগৃহত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। সংগঠনটোৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত, গোলাঘাট নগৰ আঞ্চলিক, মুছলিগড় আঞ্চলিক সমিতি আৰু বাহিৰৰ সমিতিসমূহৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত এইবাৰৰ 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ❑ ৬ পৃষ্ঠাত

# মিঞা মুছলমান' বিতৰ্ক ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে দিছপুৰ থানাত গোচৰ ৰুজু

**নিৰ্বাচনী প্ৰচাৰৰ সময়ত কৰা বিতৰ্কিত মন্তব্যৰ অভিযোগ ঃ পৰৱৰ্তী শুনানি ৮ আগষ্টত**

**ষ্টাফ ৰিপ'ৰ্টাৰ, দিছপুৰ ১৫ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে এখন গোচৰ ৰুজু কৰা হৈছে। বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচনী প্ৰচাৰৰ সময়ত তেওঁ 'মিঞা মুছলমান' শব্দটো প্ৰয়োগ কৰি এক বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগ উত্থাপন কৰি দিছপুৰ থানাত আজি এজাহাৰ দাখিল কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ অধিবক্তাই বুধবাৰে ছেছন আদালতক এই কথা অৱগত কৰে। অতিৰিক্ত ছেছন ন্যায়াধীশ সোণু অগ্নিহোত্ৰীয়ে মুখ্যমন্ত্ৰীৰ অধিবক্তাক ❑ ৬পৃষ্ঠাত

# হাতী-মানুহৰ সংঘাতত মৃত্যু হ'লে আত্মীয়ই পাব ৬ লাখ টকা

**বিধানসভাত হাতী, বাঘ আৰু বান্দৰৰ উপদ্ৰৱৰ সমাধান সন্ধান**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জুলাই ঃ** অসমত বৃদ্ধি পোৱা হাতী-মানুহৰ সংঘাত আৰু বন্যপ্ৰাণীজনিত সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বিধানসভাত অনুষ্ঠিত বিশেষ বৈঠকৰ পিছত সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে হাতীৰ আক্ৰমণত কোনো লোকৰ ❑ ৬ পৃষ্ঠাত

# গুৱাহাটীক 'Purple City' হিচাপে গঢ়াৰ লক্ষ্য চৰকাৰৰ

**খানাপাৰাৰ পৰা জালুকবাৰীলৈ ৰোপণ হ'ব এজাৰ গছ**

**অসম বাৰ্তা, গুৱাহাটী, ১৫ জুলাই ঃ** ৰাজধানী চহৰ গুৱাহাটীক আটকধুনীয়াকৈ সজাই চহৰখনক 'বেঙুনীয়া চহৰ' হিচাপে গঢ়ি তোলাৰ বাবে অসম চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰৰ পৰিকল্পনা অনুসৰি বিশেষকৈ গুৱাহাটীৰ খানাপাৰাৰ পৰা জালুকবাৰীলৈ ৰোপণ কৰা হ'ব এজাৰ গছ। এই কথা সদৰি কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বুধবাৰে বিধানসভাৰ বাজেট অধিৱেশনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য বৰ্ধন আৰু কৃত্ৰিম বানপানীৰ প্ৰসংগত বক্তব্য আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে সদনত কয়, "কম দিনৰ ভিতৰত খানাপাৰাৰ পৰা জালুকবাৰীলৈ এজাৰ গছ লগোৱাৰ এটা সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। যাৰ দ্বাৰা ৰাষ্ট্ৰীয় ঘাইপথ, প্ৰস্তাৱিত ৰিং ৰোডৰ নান্দনিক সৌন্দৰ্য বৃদ্ধি কৰিব।" আনহাতে গুৱাহাটীৰ বিশেষকৈ যোৱাবাটৰ ভয়াৱহ কৃত্ৰিম বানৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "যোৱা পৰহি যোৱাবাটত কৃত্ৰিম বানপানীৰ এটা পৰিৱেশ দেখিছিলোঁ। এইক্ষেত্ৰত আমি সদনত জনাব বিচাৰো যে, গুৱাহাটী ৰিং ৰোড পৰিকল্পনাত যোৱাবাটৰ কৃত্ৰিম বানপানীৰ পৰা সকাহ পোৱাৰ বাবে প্ৰকল্পটোত ১৫০কোটি টকা আৱণ্টন কৰি থোৱা হৈছে।" তেওঁ কয়, "কনচালটেণ্টে ইয়াৰ নক্সা বনাই ❑ ৬ পৃষ্ঠাত



গুৱাহাটী আইআইটিৰ সহযোগত চাৰিঘৰীয়াত ৰূপায়ণ কৰিব পৰীক্ষামূলক আঁচনি

# অষ্ট্ৰেলিয়া পালেগৈ মাজুলীৰ গড়াখহনীয়া সমস্যা

**অসম বাৰ্তা, মাজুলী, ১৬ জুলাই** ঃ মাজুলীৰ অস্তিত্বৰ প্ৰতি দীৰ্ঘদিন ধৰি ভাবুকি কঢ়িয়াই অনা গৰাখহনীয়াৰ সমস্যাই এইবাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্ব লাভ কৰিছে। মাজুলীৰ এই জটিল সমস্যাক প্ৰাকৃতিকভাৱে প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে এক আশাপ্ৰদ পদক্ষেপ গ্ৰহণ কৰিব অষ্ট্ৰেলিয়া চৰকাৰে। জানিব পৰা মতে, অষ্ট্ৰেলিয়া চৰকাৰৰ অৰ্থসাহায্যত নামনি মাজুলীৰ চাৰিঘৰীয়াত পৰীক্ষামূলকভাৱে (Pilot Project) আঁচনি ৰূপায়ণ কৰা হ'ব। এই আঁচনিৰ অধীনত কেৱল গৰাখহনীয়াই প্ৰতিৰোধ কৰা নহয়, বৰঞ্চ অঞ্চলটোক এক আৰ্হি 'স্মাৰ্ট ভিলেজ' হিচাপেও গঢ়ি তোলা হ'ব। এই পাইলট প্ৰজেক্টটোৰ কাম-কাজ পৰ্যবেক্ষণ আৰু ৰূপায়ণৰ বাবে ইতিমধ্যে নামনি মাজুলীৰ চাৰিঘৰীয়া অঞ্চলত অলপতে উপস্থিত হৈ অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা অসম সন্তান ড° হেমন্ত দলৈ আৰু গুৱাহাটী আই আই টিৰ অধ্যাপক তথা বিশিষ্ট বিজ্ঞানী প্ৰনৱ শৰ্মা। অধ্যাপক হেমন্ত দলৈয়ে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়া মতে, অষ্ট্ৰেলিয়া চৰকাৰৰ পুঁজিৰ জৰিয়তে মেলবৰ্ণ বিশ্ববিদ্যালয়ে এই সমগ্ৰ প্ৰকল্পটো পৰিচালনা কৰিব। ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়া ৰোধ কৰিবলৈ কোনো কৃত্ৰিম বা কংক্ৰিটৰ বান্ধৰ পৰিৱৰ্তে সম্পূৰ্ণ প্ৰাকৃতিক পদ্ধতি অৱলম্বন কৰা হ'ব। এই জৈৱিক প্ৰযুক্তিৰ প্ৰথম পৰ্যায়ত নদীৰ পাৰৰ ৫০০ মিটাৰ দৈৰ্ঘ্যৰ এক অঞ্চলজুৰি প্ৰায় ২০ হাজাৰ থলুৱা প্ৰজাতিৰ গছৰ পুলি ৰোপণ কৰা হ'ব। এই গছসমূহৰ শিপাই নদীৰ পাৰৰ মাটিক খামুচি ধৰি খহনীয়া প্ৰতিৰোধত প্ৰাকৃতিক প্ৰাচীৰ হিচাপে কাম কৰিব। ইয়াৰ সমান্তৰালভাৱে স্থানীয় লোকসকলৰ অৰ্থনৈতিক আৰু সামাজিক উত্তৰণৰ বাবে গাঁওখনক 'স্মাৰ্ট ভিলেজ' হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰায় চাৰি বছৰৰ পূৰ্বে গুৱাহাটী আই আই টিয়েও নামনি মাজুলীৰ চাৰিঘৰীয়াতে খহনীয়া প্ৰতিৰোধৰ এক পৰীক্ষামূলক প্ৰকল্প সফলতাৰে ৰূপায়ণ কৰিছিল। আই আই টিৰ উক্ত সফল আঁচনিখনৰ কাষতে এতিয়া অষ্ট্ৰেলিয়া চৰকাৰৰ এই নতুন প্ৰকল্পটো ৰূপায়ণ কৰা হ'ব, যাৰ ফলত পুৰণি আৰু নতুন প্ৰযুক্তিৰ এক সমাহাৰ দেখিবলৈ পোৱা যাব। মাজুলীক স্থায়ী সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে অষ্ট্ৰেলিয়া চৰকাৰে গ্ৰহণ কৰা উক্ত পদক্ষেপক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে মাজুলীবাসীয়ে। অহা নৱেম্বৰ মাহত অষ্ট্ৰেলিয়া চৰকাৰৰ এক প্ৰতিনিধি দলে এই পাইলট প্ৰজে"ৰ অগ্ৰগতি আৰু কাৰ্যকাৰীতা পৰিদৰ্শন কৰিবলৈ মাজুলীত উপস্থিত হ'ব বুলি জানিব পৰা গৈছে। এই আন্তঃৰাষ্ট্ৰীয় পদক্ষেপে মাজুলীৰ খহনীয়া সমস্যাক চিৰস্থায়ীভাৱে সমাধান কৰাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিব বুলি এতিয়া আশাবাদী হৈ পৰিছেনদীদ্বীপটোৰ খহনীয়াগ্ৰস্ত থলুৱা ৰাইজ।

মাছ কঢ়িয়াই অনা ট্ৰাক দুৰ্ঘটনাগ্ৰস্ত; কিছু সময়ৰ বাবে সম্পূৰ্ণ স্তব্ধ যাতায়ত

# নলবাৰীৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত দাউদাউকৈ জ্বলি উঠিল চলন্ত ট্ৰাক



**অসম বাৰ্তা, নলবাৰী, ১৬ জুলাই** ঃ নলবাৰীৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত মঙলবাৰে বিয়লিৰ ভাগত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। জিলাখনৰ ভূএগ্ৰকুছি অঞ্চলত সংঘটিত এই দুৰ্ঘটনাত মাছ কঢ়িয়াই অনা এখন চলন্ত ট্ৰাক নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইদাৰৰ মাজত থকা গছত প্ৰচণ্ড জোৰে খুন্দা মাৰে। খুন্দাৰ পিছতে ট্ৰাকখন পথৰ ওপৰতে বাগৰি পৰে আৰু মুহূৰ্ততে দাউ দাউকৈ জ্বলি উঠে। ফলত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োটা দিশতে কিছু সময়ৰ বাবে যাতায়ত সম্পূৰ্ণৰূপে ব্যাহত হয়। আনহাতে, ট্ৰাকখনে খুন্দিওৱা গছডাল বিপৰীত দিশৰ পথত বাগৰি পৰাত সেই দিশৰ যাতায়তো বন্ধ হৈ পৰে। জানিব পৰা মতে, বৰপেটাৰ পৰা গুৱাহাটী অভিমুখে গৈ থকা AP 16 TJ-6339 নম্বৰৰ ট্ৰাকখনত চালানী মাছ কঢ়িয়াই অনা হৈছিল। দুৰ্ঘটনাৰ পিছতে অগ্নিকাণ্ড সংঘটিত হোৱাত স্থানীয় লোকৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি হয়। খবৰ পোৱাৰ লগে লগে আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী আৰু SDRF-ৰ জোৱান ঘটনাস্থলীত উপস্থিত হৈ জুই নিয়ন্ত্ৰণলৈ আনে আৰু পথৰ পৰা দুৰ্ঘটনাগ্ৰস্ত ট্ৰাকখন আঁতৰাই যাতায়ত পুনৰ স্বাভাৱিক কৰাৰ ব্যৱস্থা কৰে। দুৰ্ঘটনাৰ সঠিক কাৰণ অনুসন্ধান অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# ৰাষ্ট্ৰীয় টাইকোৱাণ্ডো (পুমছে)ত স্বৰ্ণপদক বিজয়ী দিয়া আৰু দিশাক চেলেংহাটত বিপুল আদৰণি

**অসম বাৰ্তা, চেলেংহাট, ১৬ জুলাই** ঃ টাইকোৱানডো মাৰ্চিয়েল আৰ্ট এণ্ড স্পৰ্টচ এচ'চিয়েশ্যনৰ যোগেদি অসম টাইকোৱানডো দলক প্ৰতিনিধিত্ব কৰি পঞ্চম ৰাষ্ট্ৰীয় টাইকোৱাণ্ডো(পুমছে) প্ৰতিযোগিতাত স্বৰ্ণপদক লাভ কৰি চেলেংহাটৰ বৰনগএগ্ৰা গাঁৱৰ দুই ভগ্নী দিয়া পাত্ৰ আৰু দিশা পাত্ৰই সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। পুনেত অনুষ্ঠিত হোৱা বিশ্ব টাইকোৱাণ্ডো (পুমছে) চেম্পিয়নশ্বিপৰ বাবে বাছনি স্বৰূপ এই খেলত পদক অৰ্জন কৰি আজি গৃহভূমি চেলেংহাটত উপস্থিত হোৱাৰ পিছতে দুয়োকে চেলেংহাটবাসী ৰাইজে উষ্ম আদৰণি জনায়। আজি চেলেংহাট বৰনগএগ্ৰা গাঁৱলৈ সোমোৱা মূল তোৰণৰ সন্মুখৰ পৰা গায়ন-বায়নৰ এটি দলে খেলুৱৈ দুগৰাকীক নিজ গৃহলৈ আগবঢ়াই নিয়ে। ইয়াৰ পূৰ্বে অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত বৰনগএগ্ৰা গাঁৱৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দুই খেলুৱৈক উষ্ম আদৰণি জনায়। এই আদৰণি অনুষ্ঠানটোত বৃহত্তৰ চেলেংহাট অঞ্চল আৰু গাঁৱৰ বিভিন্ন ৰাইজে অংশগ্ৰহণ কৰি খেলুৱৈ দুগৰাকীক উৎসাহিত কৰে। ইয়াৰ উপৰি, আগন্তুক দিনত দক্ষিণ কোৰিয়াত অনুষ্ঠিত হ'বলগীয়া বিশ্ব টাইকোৱাণ্ডো চেম্পিয়নশ্বিপত অংশ লৈ যাতে তেওঁলোকে পুনৰ পদক অৰ্জন কৰিব পাৰে, তাৰ বাবে গাঁৱৰ ৰাইজে তেওঁলোকক আন্তৰিক শুভেচ্ছা আৰু আশীৰ্বাদ প্ৰদান কৰে। উল্লেখ্য যে চেলেংহাট বৰনগএগ্ৰা গাঁৱৰ নিবাসী সাংস্কৃতিক কৰ্মী তপন পাত্ৰ আৰু নৱনীতা পাত্ৰৰ দুই কন্যাই গত ২০১৭ চনৰপৰা গুৰু ৰাজু কোঁৱৰৰ আমগুৰিস্থ আছাম টাইকোৱানডো একাডেমী, ইণ্ডিয়াত নিয়মীয়াভাৱে প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। অভিনন্দন অনুষ্ঠানত দুয়োগৰাকী খেলুৱৈ তথা ক্ৰীড়া সংগঠক পিতৃ তপন পাত্ৰই এই সফলতাত আছাম টাইকোৱানডো একাডেমী, ইণ্ডিয়া আৰু গুৰু ৰাজু কোঁৱৰৰ ভূমিকাৰ বাবে ৰাজহুৱাভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে।

# ললিত কলা শিল্পী সমিতি অসমৰ সন্তুষ্টি প্ৰকাশ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ জুলাই** ঃ ললিত কলা শিল্পী সমিতি অসমৰ এখন সভা সোমবাৰে গুৱাহাটীস্থিত কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। সভাত অসম চৰকাৰে শিল্পী সমিতিয়ে উত্থাপন কৰা বিষয় কেইটা সহৃদয়তাৰে বিবেচনা কৰি যোৱা ১০ জুলাই তাৰিখে অসম বিধানসভাৰ বাজেট অধিবেশনত অসম ৰাজ্যিক ললিত কলা অকাডেমী প্ৰতিষ্ঠা কৰা হব বুলি ঘোষনা কৰাত সন্তুষ্টি প্ৰকাশ কৰে। যোৱা বছৰ ২৫ চেপ্তেম্বৰ ২০২৫ তাৰিখে অসমৰ মুখ্যমন্ত্ৰীক দিয়া প্ৰস্তাৱ মৰ্মে মুখ্য সচিবৰ লগত হোৱা আলোচনাত অসমত ১৯৫৯ চনতে গঠিত হোৱা ৰাজ্যিক ললিতকলা অকাডেমি পুনৰ প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তা আৰু ৰবীন্দ্ৰ ভৱনত বিগত ৩ বছৰে বন্ধ কৰি ৰখা কলা বিথীকাটো পুনৰ খুলি দিয়াৰ ব্যৱস্থা কৰি দিব লাগে বুলি জনোৱা হৈছিল। ইয়াৰ লগতে অসমৰ চিত্ৰ ভাস্কৰ্য শিল্পীসকলৰ বাবে চৰকাৰৰ কোনো নীতিগত ব্যৱস্থা নোহোৱা কথাটো স্পষ্ট ভাৱে উল্লেখ কৰা হৈছিল। আলোচনাৰ অন্তত মুখ্য সচিবে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি এটা ইতিবাচক সঁহাৰি দিব বুলি জনাইছিল। শিল্পী সমিতিৰ প্ৰস্তাৱৰ নাৰ্য্যতা স্বীকাৰ কৰি ৰবীন্দ্ৰ ভৱনত থকা ৰাজ্যিক কলা বিথীকাটোও যাৱতীয় মেৰামতি কৰি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ চৰকাৰী সিদ্ধান্তও সদৰী কৰাত সভাই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। সোমবাৰৰ সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা প্ৰমুখ্যে সাংস্কৃতিক মন্ত্ৰী বিমল বড়া, মুখ্য সচিব ড° ৰবি কোটাৰ লগতে বিভাগীয় সকলো বিষয়ালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই ললিত কলা শিল্পী সমিতি অসমৰ ৰাজ্যিক সভাপতি ত্ৰিদিৱ দত্তৰ লগতে সম্পাদক সমন্বিতে বিষয়ববীয়া সকলৰো শলাগ লয়। সভাত শিল্পী সমিতিয়ে পৰৱৰ্তী পৰ্যায়ত গ্ৰহণ কৰিব লগা কৰ্মপন্থা সম্পৰ্কে সভাপতিয়ে বিস্তৃতভাৱে উত্থাপন কৰি যিসমূহ জিলাত এতিয়াও জিলা সমিতি গঠন হোৱা নাই তাত জিলা সমন্বয়ক সমূহে যাতে অতি সোনকালে কমিটি গঠন কৰাত আগভাগ লয় তাৰ বাবে গুৰুত্বসহকাৰে কাম কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি আগৰ সভাত গ্ৰহণ কৰা আৰ্ট ক্লাবৰ প্ৰস্তাৱ সন্দৰ্ভত জিলা সমন্বয়ক সকলক যোগাযোগ অব্যাহত ৰাখিবলৈ অনুৰোধ জনায়। সোমবাৰৰ সভাত দিল্লীৰ সমন্বয়ক প্ৰশান্ত কলিতা, ডিব্ৰুগড়ৰ জিলাৰ সভাপতি দুৰ্গেশ্বৰ দাস, গোলাঘাট জিলাৰ সভাপতি বিপ্-ৰ বৰা, সম্পাদক পাপু ঘোষ, নলবাৰী জিলাৰ সম্পাদিকা জয়শ্ৰী কলিতা, চৰাইদেউ জিলাৰ লক্ষ্মী প্ৰসাদ বৰাকে ধৰি বিভিন্ন বক্তাই চৰকাৰৰ এই ঐতিহাসিক সিদ্ধান্তক আদৰণি জনায়। সভাত অসম চৰকাৰে গঠন কৰিব লগা ৰাজ্যিক ললিতকলা একাডেমিৰ ক্ষেত্ৰত অসম চৰকাৰক সম্পূৰ্ণ সহযোগ কৰাৰ সিদ্ধান্তগ্ৰহণ কৰাৰ লগতে এখিনি সুদক্ষ লোকৰ দ্বাৰা আৰু সম্পূৰ্ণ ৰূপে শিল্প কলাৰ লগত জড়িত শিল্পীয়েহে যাতে অগ্ৰাধিকাৰ পাই সেই ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিব যাতে অনুষ্ঠানটো প্ৰকৃত পক্ষে শিল্পী আৰু শিল্পকলাৰ উত্তৰণত উৎসৰ্গিত হ'ব পাৰে। শিল্পী সমিতিৰ সম্পাদক ৰুদ্ৰাংকুৰ হাজৰিকাই প্ৰেছ বিবৃত্তি যোগেৰে এই কথা জানিবলৈ দিয়ে।

কীৰ্তি ছাত্ৰ-ছাত্ৰীক অভিনন্দন; ৬ আগষ্টৰ পৰা দেশজুৰি নিচামুক্ত ভাৰত অভিযান

# মৰিগাঁৱত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ সন্মান সমাৰোহ-২০২৬

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৬ জুলাই** ঃ প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ মৰিগাঁও সেৱা কেন্দ্ৰৰ উদ্যোগত আজি মৰিগাঁৱত এক সন্মান সমাৰোহ-২০২৬ অনুষ্ঠিত কৰা হয়। মৰিগাঁও চহৰস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান চমুকৈ ডায়েটৰ প্ৰেক্ষাগৃহ অনুষ্ঠিত এই অনুষ্ঠানটোত জিলাখনৰ ২৯ গৰাকীকৈ কীৰ্তি ছাত্ৰ-ছাত্ৰীক গামোচা, মানপত্ৰ, গ্ৰন্থ আদিৰে সম্বৰ্দ্ধনা আৰু অভিনন্দন জনোৱা হয়। অনুষ্ঠানটোৰ আৰম্ভণিতে যোশীপৰ্ণ ডেকাৰ এটা সত্ৰীয়া নৃত্যৰে কাৰ্যসূচীৰ পাতনি মেলা




হয়। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ মধ্য অসমৰ দায়িত্ববাহী নিৰ্মালি বেহেনজীয়ে সম্বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰি তেওঁলোকক পাঠ্যপুথিৰ শিক্ষাৰ লগতে আধ্যাত্মিক শিক্ষাও গ্ৰহণ কৰি সমাজৰ কল্যাণৰ হকে সেৱা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ প্ৰসংগ ক্ৰমে নিচাৰ আগ্ৰাসনত যুৱ প্ৰজন্মৰ জীৱনলৈ অন্ধকাৰ নামি অহা বুলি মন্তব্য কৰি ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ সন্তানক আধ্যাত্মিক জ্ঞানেৰে পুষ্ট কৰিবলৈ অভিভাৱক সকলৰ প্ৰতি আহ্বান জনায়। আনহাতে প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ উদ্যোগত অহা ৬ আগষ্টৰ পৰা দেশজুৰি এক নিচামুক্ত ভাৰত অভিযান আৰম্ভ কৰা হ'ব বুলিও উল্লেখ কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বেংক বিষয়া স্বপ্নৰ সৰকাৰ, মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়া, প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ নগাঁও, মৰিগাঁও, হোজাই জিলাৰ মুখ্য সঞ্চালিকা সৰিতা বেহেন, মৰিগাঁও কেন্দ্ৰৰ ভাৰতী বেহেন প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মৰিগাঁও সেৱা কেন্দ্ৰৰ কৰ্মকৰ্তা ভাৰ্গৱ ৰাজনে আঁতধৰা এই অনুষ্ঠানটোত দ্বীপ প্ৰজ্বলন আৰু উপস্থিত সকলোকে নিচামুক্ত হোৱাৰ শপত বাক্য পাঠ কৰোৱা হয়। উল্লেখ্য যে এই অনুষ্ঠানতে উচ্চ আৰু উচ্চতৰ মাধ্যমিকত সৰ্বোচ্চ নম্বৰ লাভ কৰা কীৰ্তিমান সকলৰ লগতে চত্তীছগড়ৰ ৰায়পুৰত অনুষ্ঠিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় কেনয়িং চেম্পিয়নশ্বীপত পদক অৰ্জন কৰা মৰিগাঁৱৰ বিক্ৰমজ্যোতি কোঁৱাৰ, দৰ্শন বৰদলৈ, গাৰ্গী প্ৰিয়দৰ্শিনী বৰদলৈ, পৰী দেৱী, নিৱেদিতা বৰদলৈ, অৰ্পিতা বৰদলৈকো সম্বৰ্দ্ধনা জনোৱা হয়।

চাৰি গৰাকী অৱসৰী কৰ্মচাৰীক সম্বৰ্ধনা

# মাজুলী জিলা কলেজ কৰ্মচাৰী সন্থাৰ সভা

**অসম বাৰ্তা, মাজুলী, ১৫ জুলাই** ঃ মাজুলী জিলা কলেজ কৰ্মচাৰী সন্থাৰ উদ্যোগত আৰু ৰঙাচাহী মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ আতিথ্যত আজি ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। মাজুলী জিলা কলেজ কৰ্মচাৰী সন্থাৰ সভাপতি পদ্মধৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত আতধৰে সন্থাৰ সদস্য দেবজিৎ বৰুৱাই, উদ্দেশ্যে ব্যাখ্যা কৰে মাজুলী জিলা কলেজ কৰ্মচাৰী সন্থাৰ সম্পাদক হিৰণ্য কুমাৰ নাথে আৰু সভাখন উদ্বোধন কৰে ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নব কুমাৰ গামে। সভাৰ আৰম্ভণিতে মাজুলী মহাবিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ কাৰ্যালয় সহায়ক পদ্মধৰ বৰুৱা, লেবৰেটৰী বিয়েৰাৰ ক্ৰমে দীন হাজৰিকা আৰু যোগ পাহাদী আৰু ৰঙাচাহী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সহায়ক বলিন নাথক সন্থাই চেলেং চাদৰ, গ্ৰন্থৰ টোপোলা আৰু সম্বৰ্ধনা পত্ৰৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পিছতেই সন্থাৰ পুৰণি কমিতিৰ সভাপতি পদ্মধৰ বৰুৱাই পদত্যাগ কৰাৰ লগে লগে পুৰণি কমিতি ভংগ হয় আৰু পূব মাজুলী মহাবিদ্যালয়ৰ জ্যেষ্ঠ কাৰ্যালয় সহায়ক কৃষ্ণ বৰাক সভাপতি আৰু মাজুলী মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক দেবজিৎ বৰুৱাক সম্পাদক হিচাপে লৈ ৩১ জনীয়া সদস্যৰে এখন নতুন কমিটি গঠন কৰা হয়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি তুলসী শইকীয়াই বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি অসমৰ বিভিন্ন কলেজত কৰ্মৰত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে সন্থাই উচ্চ শিক্ষা সঞ্চালকালয়ত উত্থাপন কৰি থকা দাবীসমূহ উল্লেখ কৰে আৰু উপস্থিত সদস্যসকলে তেওঁলোকৰ সমস্যা সম্পৰ্কত সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। উপস্থিত সদস্যসকলৰ মাজৰ পৰা উৎপল বৰুৱা, গৌতম শইকীয়া, দুলুমণি দেৱী, ডঃ জেইল সিং য়েন, গোবিন বৰুৱা, যদুমণি গায়ন, বিজয় পায়েং, দিপালী পেগু আৰু বনলতা দলে সভাত ভাষণ প্ৰদান কৰে। শেষত বিদায়ী সভাপতি পদ্মধৰ বৰুৱাই বিভিন্ন সাংগঠনিক দিহা পৰামৰ্শৰে ভাষণ প্ৰদান কৰে। শলাগৰ শৰাই আগবঢ়ায় উৎপল বৰুৱাই।

এগৰাকী মহিলাক গ্ৰেপ্তাৰ, ৬ অভিযুক্ত পলাতক

# লাহৰীঘাটৰ অমৰাগুৰিত জঘন্য হত্যাকাণ্ড

## দুই কনিষ্ঠ ভাতৃৰ প্ৰহাৰত মৃত্যু জেষ্ঠ্য ভাতৃৰ

**অসম বাৰ্তা, লাহৰীঘাট, ১৫ জুলাই** ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত সংঘটিত হয় এক জঘন্য হত্যাকাণ্ড। হত্যাকাণ্ডটোত প্ৰাণ হেৰুৱাই এজনে। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত অমৰাগুৰিত সোমবাৰে বিয়লি ভাগত সংঘটিত হয় এই জঘন্য হত্যাকাণ্ডটো। পৰিয়ালৰ মাজত হোৱা কাজিয়াত প্ৰাণ হেৰুৱাই জাকিৰ হুছেইন নামৰ লোকজনে। দুই কনিষ্ঠ ভাতৃ আৰু আন কেইজনমান সদস্যৰ প্ৰহাৰত প্ৰাণ হেৰুৱাবলগীয়া হয় জেষ্ঠ্য ভাতৃ জাকিৰ হুছেইনে। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি, অসামাজিক কাৰ্যত বাধা দিয়াৰ অভিযোগত কনিষ্ঠ ভাতৃ ইমান আলী আৰু হুছেইন আলীৰ নেতৃত্বত কেইবাগৰাকী মহিলাৰ দলবদ্ধ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় জাকিৰ হুছেইন। আঘাতপ্ৰাপ্ত জাকিৰ হুছেইনক ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হয় যদিও আধাবাটতে মৃত্যু হয়। এই হত্যাকাণ্ড সন্দৰ্ভত নবী হুছেইন নামৰ লোক জনে লাহৰীঘাট আৰক্ষী থানাত ইতিমধ্যে ৭ জনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ থকা অনুসৰি সমগ্ৰ হত্যাকাণ্ডটো এই সাত জনৰ নেতৃত্বত সংঘটিত হৈছিল। হত্যাকাণ্ডটো জড়িত থকা সকল ক্ৰমে ইমান আলী, হুছেইন আলী, আছমিনা খাতুন, কমলা খাতুন, মাৰুফা বেগম(খাতুন), শ্বৰিফা খাতুন, ছাজিদা খাতুন। অভিযুক্ত সাতজনৰ পৰা ইতিমধ্যে লাহৰীঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে মাৰুফা বেগম (খাতুন)ক। বাকী অভিযুক্ত কেইজন বৰ্তমান পলাতক অৱস্থাত আছে যদিও আৰক্ষীৰ অভিযান অব্যাহত আছে।

# ২৪তম্ বাৰ্ষিক অধিৱেশনত গোলকগঞ্জ আঞ্চলিক ছাত্ৰ সন্থাৰ ৩১ জনীয়া পূৰ্ণাঙ্গ সমিতি গঠন




**অসম বাৰ্তা, গোলকগঞ্জ, ১৬ জুলাই** ঃ গোলকগঞ্জ আঞ্চলিক ছাত্ৰ সন্থাৰ ২৪তম বাৰ্ষিক অধিৱেশনত ৩১ জনীয়া এখন পূৰ্ণাঙ্গ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। অধিৱেশন উপলক্ষে অনুষ্ঠিত সভাত ধুবুৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপক ৰায় বেপাৰীৰ সভাপতিত্বত নতুন সমিতিখন ঘোষণা কৰা হয়। সভাত ধুবুৰী জিলা ছাত্ৰ সন্থাৰ বিভিন্ন বিষয়ববীয়াই উপস্থিত থাকি সংগঠনৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নতুন সমিতিত সভাপতি হিচাপে শিৱম দেৱনাথ আৰু সাধাৰণ সম্পাদক হিচাপে নৱজিৎ ৰায়ে দায়িত্ব লাভ কৰে। ইয়াৰ উপৰি অমিত দত্ত, সঞ্জয় দত্ত আৰু ধৃতিমান ভট্টাচাৰ্যক উপদেষ্টা হিচাপে দায়িত্ব দিয়া হয়। সভাত বক্তাসকলে আশা প্ৰকাশ কৰে যে, নৱগঠিত সমিতিখনে ছাত্ৰ সমাজৰ স্বাৰ্থ সুৰক্ষাৰ লগতে শিক্ষা, সমাজসেৱা আৰু সাংগঠনিক কাৰ্যসূচীত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি গোলকগঞ্জ আঞ্চলিক ছাত্ৰ সন্থাক অধিক শক্তিশালী ৰূপত আগুৱাই নিব।

# ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বেঁকী নদীৰ সমীপত ভয়ংকৰ পথ দুৰ্ঘটনা; তিনিখন বাহন ক্ষতিগ্ৰস্ত

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৬ জুলাই** ঃ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বেঁকী নদীৰ সমীপত মঙলবাৰে এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। একেটা দিশে গৈ থকা তিনিখন বাহনে ইখনে সিখনক খুন্দিয়াই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাটোত অন্ধ্ৰপ্ৰদেশৰ পঞ্জীয়ন নম্বৰ AP 05TM 5578-যুক্ত কণীভৰ্তি এখন ট্ৰাক, ভূটানৰ পঞ্জীয়ন নম্বৰ BBP 2B8246-যুক্ত এখন বাহন আৰু অসম পঞ্জীয়ন নম্বৰ AS 01GU 3387-যুক্ত এখন বেলেন'কাৰ ক্ষতিগ্ৰস্ত হয়। দুৰ্ঘটনাৰ অভিঘাতত তিনিওখন বাহনৰ কিছু ক্ষতি হ'লেও সৌভাগ্যক্ৰমে আটাইকেইখন বাহনত থকা যাত্ৰীসকল সুৰক্ষিত থাকে আৰু কোনো লোকৰ গুৰুতৰ আঘাত পোৱাৰ খবৰ পোৱা হোৱা নাই। দুৰ্ঘটনাৰ পিছতে স্থানীয় ৰাইজ আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। কিছু সময়ৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথটোত যান-বাহন চলাচলত ব্যাঘাত জন্মিলেও পিছত স্বাভাৱিক অৱস্থা ঘূৰি আহে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

# দুধনৈত আজিৰে পৰা ৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ তৃতীয় বাৰ্ষিক সৰ্বজনীন ৰথযাত্ৰা উৎসৱ আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৬ জুলাই** ঃ দুধনৈ সৰ্বজনীন ৰথ যাত্ৰা পৰিচালনা সমিতিৰ উদ্যোগত ১৬ জুলাইৰ পৰা ২৪ জুলাইলৈ ৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ তৃতীয় বাৰ্ষিক ৰথ যাত্ৰা উৎসৱ আৰম্ভ হব। এই উৎসৱৰ মূল স্থান হ'ব দুধনৈৰ দামৰা ৰোডস্থিত বিষ্ণু মন্দিৰ প্ৰাংগণ। পৰিচালনা সমিতিৰ সভাপতি দিৱাকৰ শৰ্মা, কাৰ্যকৰী সভাপতি প্ৰাণেশ বৰ্মন আৰু সম্পাদক ৰাজীৱ দত্তই জানিবলৈ দিয়া মতে, উৎসৱৰ পূৰ্বে অৰ্থাৎ ১৫ জুলাইৰ সন্ধিয়া ৭ বজাত অধিবাস কাৰ্যসূচীৰে এই ধৰ্মীয় অনুষ্ঠানৰ শুভাৰম্ভ হ'ব। মুখ্য কাৰ্যসূচী অনুসৰি, ১৬ জুলাইৰ (বৃহস্পতিবাৰ) পুৱা ৪ বজাত মংগল আৰতি, ৬ বজাত চাফাই অভিযান আৰু ৭ বজাত শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভু, বলভদ্ৰ আৰু সুভদ্ৰা দেৱীৰ মহাপূজা সম্পন্ন কৰা হ'ব। ইয়াৰ পিছত পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব পৰিচালনা সমিতিৰ সভাপতি শ্ৰী দিৱাকৰ শৰ্মাই। পুৱা ৮: ৩০ বজাত হ'বলগীয়া গ্ৰন্থ উন্মোচন অনুষ্ঠানৰ উন্মোচক হিচাপে উপস্থিত থাকিব দুধনৈ ব্যৱসায়ী সন্থাৰ সভাপতি শ্ৰী উদয় কুমাৰ ৰাভা। দিনৰ ভাগত পুৱা ৯ বজাত প্ৰণামী দিহা নামতি দলৰ দ্বাৰা নাম পৰিৱেশন, দুপৰীয়া ১২: ৩০ বজাত পূজাৰ ভোগ নিবেদন আৰু দিনৰ ১ বজাত মাহ-প্ৰসাদ বিতৰণ কৰা হ'ব। আবেলি ২ বজাত ভগৱান জগন্নাথক ৰথলৈ আহ্বান জনোৱাৰ পিছত বিয়লি ৩ বজাত বহুল প্ৰত্যাশিত ৰথযাত্ৰাৰ শুভ উদ্বোধন কৰা হ'ব। এই ৰথযাত্ৰাৰ শুভাৰম্ভ কৰিব ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা ১৫নং দুধনৈ জনজাতি বিধানসভা সমষ্টিৰ বিধায়ক টংকেশ্বৰ ৰাভাই এইৰথযাত্ৰা বিষ্ণু মন্দিৰ প্ৰাংগণৰ পৰা আৰম্ভ হৈ দুধনৈ চহৰ পৰিভ্ৰমণ কৰি কলেজৰোডস্থিত ৰামজানকী মন্দিৰ পাবহি। সন্ধিয়া ৬ বজাত ভগৱান প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰা দেৱীৰ বিশ্ৰাম, ৬: ৩০ বজাত সন্ধ্যা আৰতি আৰু ৭ বজাত শয়ন কাৰ্যসূচী ৰখা হৈছে। আনহাতে, ১৭ জুলাইৰ পৰা ২৩ জুলাইলৈ প্ৰতিদিনে ৰামজানকী মন্দিৰত পুৱা মংগল আৰতি, মহাপূজা, ভাগৱত পাঠ, দুপৰীয়া ভোগ নিবেদন, বিয়লি কীৰ্তন দলৰ সংকীৰ্তন, মহিলা নাম দলৰ দ্বাৰা নাম পৰিৱেশন আৰু সন্ধিয়া আৰতি আদি ধৰ্মীয় কাৰ্যসূচীসমূহ নিয়মীয়াকৈ অনুষ্ঠিত হ'ব। উৎসৱৰ অন্তিম দিনা, অৰ্থাৎ ২৪ জুলাই (শুক্ৰবাৰ) পুৱা মংগল আৰতি আৰু মহাপূজাৰ অন্তত পুৱা ৯ বজাত পুনৰ নাম পৰিৱেশন কৰা হ'ব। দুপৰীয়া ভোগ নিবেদন আৰু দিনৰ ১ বজাত ভোগ বিতৰণৰ পাছত আবেলি ৩ বজাত 'উল্টা ৰথযাত্ৰা'ৰ শুভাৰম্ভ কৰা হ'ব। এই উল্টা ৰথযাত্ৰাৰ শুভাৰম্ভ কৰিব ৭০ নং দুধনৈ গাঁও পঞ্চায়তৰ সভানেত্ৰী ছোৰ্নীয়া ৰাভাই। ৰথখনি ৰামজানকী মন্দিৰৰ পৰা যাত্ৰা আৰম্ভ কৰি দুধনৈ চহৰ পৰিভ্ৰমণৰ অন্তত পুনৰ মূল স্থান বিষ্ণু মন্দিৰ পাবহি। বিয়লি ৫: ৩০ বজাত ধৰ্মধ্বজা অৱনমন, ৬: ৩০ বজাত সন্ধ্যা আৰতি আৰু সন্ধিয়া ৭ বজাত শয়নৰ দ্বাৰা এই ৯ দিনীয়া পৱিত্ৰ ৰথযাত্ৰা উৎসৱৰ সামৰণি পৰিব। ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি তথা আন্তৰিক সহায়-সহযোগিতাৰে সমগ্ৰ অনুষ্ঠানটি আধ্যাত্মিক পৰিৱেশৰ মাজত সুন্দৰকৈ সফল কৰি তুলিবলৈ পৰিচালনা সমিতিয়ে সকলোৰে প্ৰতি সশ্ৰদ্ধ নিমন্ত্ৰণ তথা আহ্বান জনাইছে।

# ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সমষ্টিয়ে-সমষ্টিয়ে পোন্ধৰ দিনীয়া কৰ্মশালা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুলাই** ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰাজ্যজুৰি আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালাসমূহে শিশু-কিশোৰ আৰু যুৱ প্ৰজন্মৰ মাজত সৃষ্টিশীলতা, শিল্প- সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু প্ৰতিভাৰ বিকাশত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। এই কৰ্মশালাসমূহত সংগীত, নৃত্য, নাটক, চিত্ৰাংকন, আবৃত্তি, লোকসংস্কৃতি আদি বিভিন্ন বিষয়ৰ ওপৰত অভিজ্ঞ প্ৰশিক্ষকসকলৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হয়। ডিব্ৰুগড় জিলাৰ ছয়টা বিধানসভা সমষ্টিত প্ৰতিটোত দুটাকৈ মুঠ ১২টা কৰ্মশালা অনুষ্ঠিত হয়। নতুন প্ৰজন্মক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সৈতে পৰিচিত কৰোৱাৰ লগতে তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক বিকশিত কৰাৰ এক সুন্দৰ মঞ্চ প্ৰদান কৰা উদ্দেশ্যে উজনি অসমৰ অন্যতম নৃত্য শিক্ষাৰ প্ৰতিষ্ঠান নৃত্যাংগন কলা কেন্দ্ৰ'ত শুভাৰম্ভ কৰা হয়। জিলা সাংস্কৃতিক উন্নয়ন বিষয়া ডিব্ৰুগড়ৰ সুদৰ্শন বৰাই শুভাৰম্ভ কৰে কৰ্মশালা। সাংবাদিক, লেখক ৰাতুল বুঢ়াগোহাঁইয়ে আঁত ধৰা অনুষ্ঠানত অসম গৌৰৱ বঁটা প্ৰাপক জ্যেষ্ঠ শিল্পী ৰাম চাচনী, ডিব্ৰুগড়ৰ সাংস্কৃতিক বিষয়া গোপাল টায়েং, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ পৰিদৰ্শক তথা অনাতাঁৰ শিল্পী ভুৱন গগৈ, নৃত্যাংগণ কলা কেন্দ্ৰৰ মূল প্ৰশিক্ষক ৰুবী গগৈ সন্দিকৈ আৰু গোলোক ৰাজবংশী উপস্থিত থাকে। নৃত্যাংগণ কলা কেন্দ্ৰ'ই ডিব্ৰুগড় সাহিত্য সভাত আয়োজন কৰা পোন্ধৰ দিনীয়া কৰ্মশালাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এশবছৰীয়া জন্ম জয়ন্তী উপলক্ষে "মোৰ গীতৰ হাজাৰ শ্ৰোতা"-শীৰ্ষক এখনি নৃত্য নাটিকা আৰু আজিও জয়াই ৰিঙীয়াই শীৰ্ষক বুৰঞ্জী মূলক নৃত্য নাটিকা লগতে হাজং জনগোষ্ঠী লোক নৃত্য প্ৰশিক্ষণ দিয়া হ'ব। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অধীনত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত সত্ৰীয়া কলাকৃষ্টি কেন্দ্ৰতো সত্ৰীয়া নৃত্য, লোকনৃত্য আৰু ব্ৰজাৱলী ভাষাত নাট কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড় বি এল বেৰীয়া সৰস্বতী শিশু নিকেতনত পোন্ধৰ দিনীয়া এই কৰ্মশালাত ডিব্ৰুগড় বিভিন্ন প্ৰান্তৰ শিশু কিশোৰ সকলে অংশগ্ৰহণ কৰে। মুল প্ৰশিক্ষক মোহন তামোলী সহ কেবাজনো সমল ব্যক্তিয়ে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ গ্ৰীষ্মকালীন কৰ্মশালাই ৰাজ্যৰ সাংস্কৃতিক পৰিৱেশ সমৃদ্ধ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

অশ্রু, স্মৃতি আৰু মমতাৰে সজোৱা এক অনন্য শ্ৰদ্ধাঞ্জলি, পৱিত্ৰ ওপজা দিন উদ্‌যাপন

# অকালতে হেৰুওৱা ২৮ বছৰীয়া পুত্ৰৰ সোঁৱৰণত আদ্যশ্ৰাদ্ধত মাতৃৰ 'গৰ্ভৰ পৰা আকাশলৈ' শীৰ্ষক হৃদয়স্পৰ্শী গ্ৰন্থ উন্মোচন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুলাই ঃ** কেতিয়াবা শব্দইও অনুভূতি প্ৰকাশ কৰিবলৈ অপাৰগ হয়। তেনে এক নীৰৱ, শোকাভিভূত আৰু আবেগময় পৰিৱেশৰ সৃষ্টি হয় গোলাঘাটৰ ৰঙাজানত, য'ত এগৰাকী মাতৃয়ে নিজৰ বুকুত সযতনে লুকুৱাই ৰখা বেদনা, অশ্ৰু, মৰম আৰু স্মৃতিক শব্দৰ ৰূপ দি ৰচনা কৰা সোঁৱৰণী গ্ৰন্থ 'গৰ্ভৰ পৰা আকাশলৈ মুন' মাতৃৰ বুকুৰ কথাৰে' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত বহুজনৰ চকু সেমেকি উঠে; নীৰৱতাই যেন সকলো অনুভৱৰ ভাষা হৈ পৰে। গোৱাত কৰ্মৰত অৱস্থাত আকস্মিকভাৱে অকাল মৃত্যুক আঁকোৱালি লোৱা গোলাঘাটৰ ৰঙাজান নিবাসী অজিত গগৈ আৰু বিশিষ্ট লেখিকা-কবি হেমা চৌধুৰী গগৈৰ ২৮ বছৰীয়া পুত্ৰ টুইংকল গগৈ (মুনু)-ৰ আদ্যশ্ৰাদ্ধ আৰু পৱিত্ৰ জন্মদিন উপলক্ষে আয়োজিত এই অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰি যেন হেৰাই যায় মুখৰ ভাষা। লেখিকা-কবি জুলি হাজৰিকাই সঞ্চালনা কৰা অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে গোলাঘাট পৌৰসভাৰ পৌৰপতি দুলুমণি বৰবৰা, গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখোৱা আৰু গোলাঘাট জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ৰূপা শইকীয়াই। অনুষ্ঠানত টাই আহোম ছাত্ৰ সন্থা, সাহিত্য সভা, কবি চক্ৰ আদি বিভিন্ন সাহিত্য-সংস্কৃতিক, সামাজিক আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধি, বিশিষ্ট ব্যক্তি, শুভানুধ্যায়ী আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকি প্ৰয়াত টুইংকল গগৈৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## ৰাজহুৱা স্থানত প্ৰস্ৰাৱ কৰিলে অথবা জাবৰ পেলালে বৃহৎ এলইডি স্ক্ৰীণত ভাঁহি উঠে ছবি

তিনিচুকীয়া পৌৰসভাৰ ব্যতিক্ৰমী পদক্ষেপৰ দেশজুৰি ব্যাপক চৰ্চা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬জুলাই ঃ** উজনি অসমৰ বাণিজ্যিক চহৰ তিনিচুকীয়াক পৰিষ্কাৰ কৰি ৰখাৰ স্বাৰ্থত এইবাৰ এক অতি সাহসী আৰু ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে তিনিচুকীয়া পৌৰসভাই। চহৰখনৰ যিসমূহ ঠাইত মানুহে আৱৰ্জনা পেলাই বা ৰাজহুৱা স্থানত প্ৰস্ৰাৱ কৰি পৰিৱেশ বিনষ্ট কৰে, সেইসমূহ স্থান চিচিটিভি কেমেৰাৰ জৰিয়তে নিৰীক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে। এই স্থানসমূহত এতিয়াৰ পৰা জাবৰ পেলোৱা অথবা প্ৰস্ৰাৱ কৰা লোকৰ ছবি চহৰৰ বিভিন্ন প্ৰান্তত থকা এল ই ডি (LED) স্ক্ৰীণত প্ৰদৰ্শিত হ'ব। পৌৰসভাৰ এই কঠোৰ পদক্ষেপে এতিয়া সমগ্ৰ দেশতে এক ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। পৌৰসভা কৰ্তৃপক্ষৰ মতে, চহৰখনক স্বচ্ছ কৰি ৰখাটো কেৱল কৰ্মচাৰীৰে কাম নহয়, ই প্ৰতিজন নাগৰিকৰো দায়িত্ব। বহু লোকে বাৰম্বাৰ সকীয়নি দিয়াৰ পিছতো ৰাজহুৱা স্থান লেতেৰা কৰি আহিছে। এনে কাৰ্যক প্ৰতিৰোধ কৰিবলৈ আৰু মানুহৰ মাজত সামাজিক দায়বদ্ধতা বৃদ্ধি কৰিবলৈ 'ৰাজহুৱা প্ৰদৰ্শন' বা 'Public Shaming'ৰ পথ বাচি লৈছে তিনিচুকীয়া পৌৰসভাই। সামাজিক মাধ্যম 'এক্স' (X)-ত ৰাজ্যসভাৰ সাংসদ মিলিন্দ দেউৰাই এই পদক্ষেপক প্ৰশংসা কৰাৰ লগতে মুম্বাইৰ দৰে মহানগৰীত এনে ব্যৱস্থা গ্ৰহণৰ সম্ভাৱনীয়তাৰ ওপৰত আলোকপাত কৰে। অৱশ্যে ইয়াৰ সমান্তৰালকৈ চহৰত পৰ্যাপ্ত পৰিমাণৰ পৰিষ্কাৰ আৰু সুৰক্ষিত ৰাজহুৱা শৌচালয়ৰ প্ৰয়োজনীয়তাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। পৌৰসভাৰ এই কাৰ্যক লৈ এতিয়া জনসাধাৰণৰ মাজত দুই ধৰণৰ মতামত দেখা গৈছে। একাংশ সচেতন নাগৰিকে পৌৰসভাৰ এই আপোচহীন স্থিতিৰ শলাগ লৈছে। তেওঁলোকৰ মতে, দণ্ডবিধিৰ বিপৰীতে এনে সামাজিক লাঞ্ছনাইহে মানুহক নিয়ম মানিবলৈ বাধ্য কৰিব। আনহাতে, আন একাংশই প্ৰশ্ন তুলিছে যে ব্যক্তিগত গোপনীয়তাৰ অধিকাৰৰ প্ৰতি এই কাৰ্যই ভাবুকি সৃষ্টি নকৰিবনে? তেওঁলোকৰ মতে, নিয়ম ভংগ কৰাটো ভুল হ'লেও, ৰাজহুৱাভাৱে ছবি প্ৰদৰ্শন কৰা কাৰ্যক কেনেকৈ আইনগত মৰ্যাদা দিয়া হ'ব, সেয়াও এক প্ৰশ্নৰ বিষয়। নগৰ পৰিকল্পনাবিদসকলৰ মতে, কেৱল শাস্তিমূলক ব্যৱস্থাই চহৰখনক সদায় পৰিষ্কাৰ কৰি ৰাখিব নোৱাৰে। তেওঁলোকৰ মতে, চৰকাৰে এনে কঠোৰ ব্যৱস্থাৰ লগতে চহৰত সা-সুবিধাসমূহৰ আন্তঃগাঁথনিও উন্নত কৰিব লাগিব। পৰ্যাপ্ত শৌচালয় আৰু আৱৰ্জনা নিষ্কাশনৰ উপযুক্ত ব্যৱস্থা নথকাকৈ কেৱল অভিযান চলাই স্থায়ী সমাধান পোৱাটো কঠিন। বৰ্তমান তিনিচুকীয়াৰ এই ব্যৱস্থাটো সমগ্ৰ দেশৰ পৌৰ নিকায় সংস্থাসমূহৰ বাবে এক অধ্যয়নৰ বিষয় হৈ পৰিছে। কঠোৰ শাসন আৰু মানৱীয় দৃষ্টিভংগীৰ মাজৰ ভাৰসাম্য কেনেদৰে ৰক্ষা কৰিব পাৰি, সেয়াই এতিয়া সকলোৰে বাবে লক্ষণীয় বিষয় হৈ পৰিছে।

## ৰহা ভকতগাঁও মণিপুৰটুপত ২৪৩ সংখ্যক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত

**অসম বাৰ্তা, ৰহা, ১৬জুলাই ঃ** ৰহা ভকতগাঁও মণিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ত বুধবাৰে অনুষ্ঠিত হয় কিডনী হস্পিটেল iukd, ESkF আৰু হেল্পিংহেণ্ড সংস্থাৰ ২৪৩সংখ্যক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ। ৰহা ভকতগাঁও মনিপুৰটুপ উচন আলী জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ উদ্যোগত, কিডনী হস্পিটেল iukd, ESkF আৰু হেল্পিংহেণ্ড সংস্থাৰ সহযোগত অনুষ্ঠিত ২৪৩সংখ্যক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত কিডনী হস্পিটেল iukd ৰ চিকিৎসক ডঃ মনিষা ঠাকুৰিয়াই পুৰুষ মহিলা, যুৱক, যুৱতী সকলৰ স্বাস্থ্য পৰীক্ষা কৰি পৰামৰ্শ প্ৰদান কৰাৰ লগতে কিছু সংখ্যাক বিনামূলীয়া দৰৱ বিতৰন কৰা হয়। শিক্ষক, সমাজকৰ্মী সু লেখক লক্ষ্মী প্ৰসাদ ডেকাই আঁত ধৰা স্বাস্থ্য শিবিৰ শুভাৰম্ভ অনুষ্ঠানত ৰহা ভকতগাঁও মনিপুৰটুপ উচন আলী জাতীয় বিদ্যালয় অধ্যক্ষ ইকবাদুল ইচ্ছলাম, পৰিচালনা সমিতিৰ সভাপতি নুৰুল আমিন, প্ৰকাশক আজিজুল হক, ৰহা আঞ্চলিক ছাত্ৰ সন্থা ৰ সভাপতি সঞ্জয় কুমাৰ কাকতি, সাংবাদিক চয়েল খেতান, নৱজ্যোতি ভূঞা সহ কিডনী হস্পিটেল iukd, ESkF ৰ চিকিৎসক, বিষয়া, কৰ্মচাৰী, ৰহা ভকতগাঁও মনিপুৰটুপ উচন আলী জাতীয় বিদ্যালয় ৰ শিক্ষক, শিক্ষয়ত্ৰী আৰু স্থানীয় পুৰুষ মহিলা উপস্থিত থাকে। উক্ত শিবিৰত প্ৰায় ৫০ গৰাকী তকৈ অধিক ৰোগীয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়।

দেৱীলৈ ছাগলী, হাঁহ, পাৰ, কোমোৰা উছৰ্গা অগণন ভক্তৰ

## দৌলাশালৰ ইতিহাস প্ৰসিদ্ধ কালী পূজাত হাজাৰ হাজাৰ ভক্তৰ সমাগম

**অসম বাৰ্তা, দৌলাশাল, ১৫ জুলাই ঃ** নলবাৰী জিলাৰ দৌলাশাল গাঁৱৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী কালী পূজা মহোৎসৱৰ আজি দ্বিতীয়দিনা হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। তিনি শতিকা পুৰণি ইতিহাস প্ৰসিদ্ধ এই কালী পূজাভাগ অইনবেলিৰ দৰে এইবেলিও বলি-বিধান, পৰম্পৰাগত আচাৰ-বিচাৰ আৰু ধৰ্মীয় ৰীতি-নীতিৰে কালিৰেপৰা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হৈছে। পূজা মহোৎসৱৰ আজি দ্বিতীয়দিনা বিৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি হৈছে। পুৱাৰেপৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা ভক্তপ্ৰাণ লোকে কালী মন্দিৰলৈ আহি ধূপ-ধূনা নৈবদ্যৰে দেৱীৰ শ্ৰীচৰণত সেৱা জনায়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা ভক্তৰ একাংশই মনোবাঞ্চা সিদ্ধিৰ অৰ্থে দেৱীলৈ হাঁহ, পাৰ, ছাগলী, কোমোৰা আদি বলি হিচাপে দেৱীলৈ আগবঢ়োৱাৰ বিপৰীতে একাংশ ভক্তই ছাগলী, হাঁহ, পাৰ আদি আইৰ চৰণত অৰ্পণ কৰি মন্দিৰতে মুকলি কৰি দিয়ে। আজি পুৱাৰ পৰা ঢাক-ঢোলৰ শব্দত বুৰ যায় অঞ্চলটো। বলি-বিধান পৰ্বৰ পাছত দুপৰীয়া ছয় সহস্ৰাধিক ভক্তই ভাস্কৰ সামূহিক কেন্দ্ৰৰ বাকৰিত সিদ্ধ প্ৰসাদ গ্ৰহণ কৰে বুলি জানিবলৈ দিয়ে দৌলাশাল উন্নতি সাধিনী সভাৰ উপ-সভাপতি দিলীপ বৈশ্য আৰু সম্পাদক হৰেশ নাথে। বিয়লি ওজাপালি পৰিৱেশন কৰা হয় আৰু নিশা বৰতলা গাঁৱৰ নৱ-জাগৰণ নাট্য দলৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে কালিৰেপৰা অনুষ্ঠিত কালী পূজা মহোৎসৱৰ কালি সন্ধিয়া পূজাৰ বেদীত প্ৰতিমা স্থাপন কৰাৰ পিছতে আৰতি প্ৰদান, ওজাপালিৰ বন্দনা আৰু হোম-যজ্ঞ সমাপন হয়। নিশা ১২ বজাৰ পৰা ৰাজহুৱা বলি-বিধান পৰ্ব আৰম্ভ হয় আৰু লোকশিল্পী বিচিত্ৰ ৰাজবংশীয়ে ওজাপালি পৰিৱেশন কৰে। কাইলৈ দিনত ৰাজহুৱা বলি-বিধানৰ পিছত দেৱীক বিসৰ্জন দিয়া হ'ব আৰু সন্ধিয়া নাম-কীৰ্তনেৰে পূজা সমাপ্ত হ'ব বুলি উদ্যোক্তাই জানিবলৈ দিয়ে।

## শিক্ষাবিদ-সমাজহিতৈষী আলিমুদ্দিন আহমেদৰ মৃত্যু

শোকাস্তব্ধ বৰক্ষেত্ৰীৰ সংখ্যালঘু সমাজ

**অসম বাৰ্তা, দৌলাশাল, ১৫ জুলাই ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত এসময়ৰ চৰাঞ্চলৰ নিৱাসী তথা শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী আলিমুদ্দিন আহমেদ (৫৭) ৰ আজি পুৱা আকস্মিক মৃত্যু হয়। বৰক্ষেত্ৰীৰ সংখ্যালঘু সমাজৰ ত্ৰাণকৰ্তা, অভিভাৱকস্বৰূপ আলিমুদ্দিন আহমেদৰ মৃত্যুত বৰক্ষেত্ৰীৰ সংখ্যালঘু সমাজ শোকাস্তব্ধ হৈ পৰিছে। প্ৰাপ্ত খবৰ অনুসৰি আলিমুদ্দিন আহমেদে কালি ব্যক্তিগত কোনো কামৰ বাবে গুৱাহাটীলৈ গৈছিল। আজি পুৱা গুৱাহাটীৰ বাসগৃহত হৃদক্ৰিয়া বন্ধ হৈ কৰুণ মৃত্যুক আঁকোৱালি লয় আলিমুদ্দিন আহমেদে। এসময়ৰ বৰক্ষেত্ৰীৰ কালাৰচৰ নিৱাসী আলিমুদ্দিন আহমেদে কালাৰচৰ এম ই স্কুলত সহকাৰী শিক্ষক হিচাপে চাকৰি কৰি চৰাঞ্চলত মানৱ সম্পদ গঢ়ি তোলাত ব্ৰতী হৈ আছিল। বিদ্যায়তনিক শিক্ষাৰে দুৰ্গম চৰাঞ্চলত মানৱ সম্পদ সৃষ্টিত অগ্ৰণী ভূমিকা গ্ৰহণ কৰাৰ সমান্তৰালভাৱে সমাজ সেৱাতো জীৱন উচৰ্গিত কৰিছিল আলিমুদ্দিন আহমেদে। ২০১৬ চনত চৰকাৰী চাকৰি ইস্তাফা দি প্ৰত্যক্ষ ৰাজনীতিত যোগদান কৰিছিল আলিমুদ্দিন আহমেদে। ২০১৬ চনৰ পঞ্চায়ত নিৰ্বাচনত ভাংনামাৰী জিলা পৰিষদত বদৰউদ্দিন আজমলপ্ৰধান এআইইউডিএফ দলৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হৈ ভাংনামাৰী জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। তেতিয়াৰে পৰা ৰাজনীতিৰে বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ সংখ্যালঘু সমাজৰ উন্নতিৰ হকে কাম কৰি আহিছিল আলিমুদ্দিন আহমেদে। ২০২১ চনৰ অসম বিধানসভা নিৰ্বাচনত এআইইউডিএফ দলৰ হৈ বৰক্ষেত্ৰী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল আহমেদে। পৰৱৰ্তী সময়ত চৰাঞ্চলৰ পৰা মুকালমুৱাৰ বৰলিয়াৰপাৰলৈ পৰিয়ালসহ স্থানান্তৰিত হৈ ভাৰতীয় জনতা পাৰ্টিৰ সক্ৰিয় সদস্য হিচাপে কাম- কাজ কৰি আহিছিল আলিমুদ্দিন আহমেদে। তেখেতে মৃত্যুৰ আগলৈকে বৰক্ষেত্ৰীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। পত্নী সন্তানৰে ভৰপূৰ আলিমুদ্দিন আহমেদে বৰপুত্ৰক সুচিকিৎসক হিচাপে গঢ়ি তুলিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰসহ আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়। আলিমুদ্দিন আহমেদৰ মৃত্যুত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা, ভাৰতীয় জনতা পাৰ্টিৰ নলবাৰী জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি সোণাবৰ আলী, বৰক্ষেত্ৰী চৰ জিলা পৰিষদৰ সদস্যা আনোৱাৰা খাতুন, কালাৰচৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি হাৰেজ আলীকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰিছে। আলিমুদ্দিন আহমেদৰ মৃত্যুত বৰক্ষেত্ৰীৰ সংখ্যালঘু সমাজ শোকত ম্ৰিয়মাণ হৈ পৰিছে।

## কৌস্তুভ ড্ৰয়িং একাডেমীৰ উদ্যোগত আৰু ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত গ্ৰীষ্মকালীন শিল্পকলা কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, ছয়গাঁও, ১৬ জুলাই ঃ** দক্ষিণ কামৰূপৰ কৌস্তুভ ড্ৰয়িং একাডেমীৰ উদ্যোগত আৰু ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত যোৱা ৫ জুলাইৰ পৰা আৰম্ভ হোৱা গ্ৰীষ্মকালীন শিল্পকলা কৰ্মশালাৰ আজি সফল সামৰণি পৰে। আঠদিনীয়াকৈ অনুষ্ঠিত হোৱা এই কৰ্মশালাত প্ৰশিক্ষকৰ দায়িত্ব পালন কৰে ক্ৰমে বিকি শৰ্মা, মৃদুল বৰকাকতি, কৌস্তুভ বৰকাকতি, তুলিকা দাস, ৰাজদ্বীপ মালী, কৌশিক বড়ো আৰু ৰুবি দাসে। কৰ্মশালাখনত বিভিন্ন বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয় অংশগ্ৰহণ কৰে। কৌস্তুভ ড্ৰয়িং একাডেমীৰ অধ্যক্ষ কৌস্তুভ বৰকাকতিৰ পৰিচালনাত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা কল্যাণী মহন্তই ছাত্ৰ-ছাত্ৰীসকলক কেৱল পাঠ্যক্ৰমভিত্তিক পাঠদানতে সীমাবদ্ধ নাথাকি সহ-বিদ্যায়তনিক সকলো দিশত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। সহকাৰী শিক্ষক মালব্য দাসে ভাষণ প্ৰসংগত কয় যে এনেধৰণৰ কৰ্মশালাই শিশুসকলৰ অন্তৰ্নিহিত প্ৰতিভা




বিকাশৰ পথ প্ৰশস্ত কৰে আৰু উদ্যোক্তা, প্ৰশিক্ষকসকলৰ তেওঁ শলাগ লয়। এই অনুষ্ঠানতে শিশুসকলৰ মাজত অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয় আৰু অংশগ্ৰহণকাৰী প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

## অভয়াপুৰীত মহকুমা ন্যায়িক দণ্ডাধীশ আদালতৰ কৰ্মচাৰীৰ দুদিনীয়া কৰ্মবিৰতি

**অসম বাৰ্তা, যোগীঘোপা, ১৬ জুলাই ঃ** অভয়াপুৰী মহকুমা ন্যায়িক দণ্ডাধীশ আদালতৰ সন্মুখত কৰ্ম বিৰতি। সদৌ অসম ন্যায়িক দণ্ডাধীশ কৰ্মচাৰী সন্থাৰ আহ্বানত অনুষ্ঠিত হয় দুদিনীয়া কৰ্মবিৰতি। আজি বঙাইগাঁও জিলাৰ অভয়াপুৰী ন্যায়িক দণ্ডাধীশ আদালতৰ কৰ্মচাৰী সকলে বিভিন্ন দাবী সম্বলিত সৰ্বাত্মক অসহযোগ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। ১৫ জুলাইৰ পৰা ১৬ জুলাই ২০২৬ ইংৰাজী তাৰিখলৈ মুঠ দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ব্যাপি আন্দোলনৰ লগতে অভয়াপুৰী মহকুমা ন্যায়িক দণ্ডাধীশ আদালতৰ কৰ্মচাৰী সকলেও তেওঁলোকৰ দাবী পূৰণ ক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰ আজি প্ৰথম দিনা কৰ্ম বিৰতি পালন কৰা পৰিলক্ষিত হয়। দাবী সমূহ হ'ল ১ নং পদ অনুসৰি স্নাতক হাৰত দৰমহা প্ৰদান কৰা। ২নং জাৰি কাৰক সকলৰ স্থায়ী ভ্ৰমণ বানচ বৃদ্ধি কৰা। ৩নং সকলো NPS কৰ্মচাৰীক OPS ৰ আওতালৈ অনা আদি মুঠতে তেৰটা দাবীৰে আজিৰ কৰ্ম বিৰতিত অভয়াপুৰী মহকুমা ন্যায়িক দণ্ডাধীশ আদালতৰ কৰ্মচাৰী সকলে অংশগ্ৰহণ কৰে।

## ডিব্ৰুগড়ৰ মৰাণত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ পূৰ্ণাংগ মৰাণ সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬জুলাই ঃ** ডিব্ৰুগড়ৰ মৰাণত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ আজি (১৫-০৭-২০২৬ ) এখনি ডিব্ৰুগড় জিলা সমিতিৰ অন্তৰ্গত বৃহত্তৰ মৰাণ আঞ্চলিক সমিতি গঠন কৰা হয়। এই উদ্দেশ্যে মৰাণৰ প্ৰজাপতি বিবাহ ভৱনত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত চেলিম উদ্দিন আহমেদক সভাপতি, ফাৰদিন আহমেদ (ৰকি)ক কাৰ্যকৰী সভাপতি আৰু ৰেকিবুদ্দিন আহমেদক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি পূৰ্ণাঙ্গ আঞ্চলিক সমিতি গঠন কৰে। আগন্তুক দিনত এই সমিতি খনে বৃহত্তৰ মৰাণ অঞ্চলত পৰিষদৰ প্ৰতিটো দিশতে উত্তোৰণৰ বাবে বিভিন্ন গঠন মূলক কাম কৰি যাবলৈ সভাই সমিতিখনক কৰ্তৃত্ব প্ৰদান কৰে। সভাত সভাপতিত্ব কৰে জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি তথা জিলা কাৰ্যকৰী সভাপতি নৌছাদ আলী আহমদে। সভাত কেন্দ্ৰীয় সমিতিৰ সহঃসম্পাদক ৰুবুল আলি, সাংগঠনিক সম্পাদক বুলবুল ৰহমান আৰু জিলা সমিতিৰ অন্যতম উপ-সভাপতি চফিউল বৰাসহ বিশিষ্ট ব্যক্তি উপস্থিত থাকি বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়।

## শৈৱপীঠ শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়ত পৱিত্ৰ 'বল বম' উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, খৈৰাবাৰী, ১৬ জুলাই ঃ** বুৰঞ্জী প্ৰসিদ্ধ শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়ৰ লগতে প্ৰাচিন কালৰ পৰা ভাৰতবৰ্ষ তথা অসমৰ সনাতন হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজত দেৱালয় আৰু সত্ৰ সমূহৰ অৱদান অনুস্বীকাৰ্য্য ধৰ্মীয় উপসনাৰ প্ৰাণ কেন্দ্ৰ এই দেৱালয় সত্ৰ সমূহ। খৈৰাবাৰীৰ শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়খনি ১৭০৮ শকত তেতিয়াৰ দৰঙী ৰজা চন্দ্ৰ নাৰায়ণৰ দিনত গৌৰীনাথ সিংহই ভাদ মাহত পূজা অৰ্চনাৰে স্থাপন কৰা বুলি লোকবিশ্বাস। ওদালগুৰি জিলা ভেৰগাওঁ বিধান সভা সমষ্টিৰ খৈৰাবাৰীৰ অতি প্ৰাচীন শৈৱপীঠ এই শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়ত পৱিত্ৰ শাওন মাহত প্ৰতিবছৰে অনুষ্ঠিত হয় "বল বম" উদ্‌যাপন। সেই উপলক্ষে এই বৰ্ষত শাওন মাহৰ ৩ তাৰিখ ২০ জুলাই সোমবাৰৰ পৰা শাওন মাহৰ প্ৰতিটো পৱিত্ৰ সোমবাৰত, ২৭ জুলাই সোমবাৰ, ৩ আগষ্ট সোমবাৰ, ১০ আগষ্ট সোমবাৰ আৰু ১৭ আগষ্ট সোমবাৰত ওদালগুৰি জিলাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ সমূহ ভক্ত প্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে। অতি প্ৰচীন কালৰে পৰা স্বকীয় ৰীতি-নীতি, সামাজিক সাংস্কৃতিক, নৈতিক তথা বৌদ্ধিক ক্ষেত্ৰত এক সুকীয়া স্থান পাবলৈ সক্ষম হোৱা শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়ত শান্তি সম্প্ৰীতি সমন্বয় আৰু ভাতৃত্ববোধৰ মাজেৰে অইন বেলিৰ দৰে এইবেলিও অনুষ্ঠিত কৰিব শাওন মাহৰ পৱিত্ৰ বল বম। বল বমৰ উপৰিও দৌল উৎসৱ, বুদ্ধ পূৰ্ণিমা তিথি, মাঘী পূৰ্ণিমা তিথি, আঘোন মাহৰ পূৰ্ণিমা তিথিত ভাগৱত পাঠ, নাম-কীৰ্ত্তন, শিৱৰাত্ৰী মহামেলা অতি উলহ মালহেৰে পালন কৰা দেখা যায়। ইয়াৰ সমান্তৰাল ভাৱে অহা ১৭ জুলাই ৩২ আহাৰ শুক্ৰবাৰে সন্ধিয়া ৬ বজাত ৰাজহুৱা শ্ৰীশ্ৰীসত্যনাৰায়ন পূজা উদ্‌যাপন কৰিব সেয়ে ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে উদযাপন সমিতিৰ বিষয়ববীয়া সকলে। অসমৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ভাষা তথা জাতি জনগোষ্ঠীৰ এক পুণ্যভূমি শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়খনিত বুঢ়াগোহাঁই থান, শিৱ-পাৰ্বতীৰ উপাসনাৰ স্থলী বিৰাজমান। পৱিত্ৰ শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়খনিত ঘীৰ চাকি, ধতুৰাৰ ফুল, বেলপাতেৰে শৰাই নৈবেদ্য লগতে ভোগ উছৰ্গা কৰি মন্দিৰৰ থকা মূৰ্তি সমূহ দৰ্শন কৰিলে ভক্তসকলৰ মনৰ বাঞ্ছা পূৰ্ণ হয় বুলি বিশ্বাস আছে। সেয়ে অসমৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন জাতি জনগোষ্ঠীৰ লোকে শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়ত বিভিন্ন উৎসৱ পাৰ্বনত ভিৰ কৰা পৰিলক্ষিত হোৱা দেখা যায়। ইয়াৰ সমান্তৰাল ভাৱে চালে চকুৰোৱা এক নান্দনিক তথা প্ৰাকৃতিক পৰিবেশেৰে ভৰপুৰ শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়খনিত শিক্ষানুষ্ঠানৰ পৰা ক্ষেত্ৰ অধ্যয়নৰ বাবেও প্ৰতি বছৰে শ-শ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক শিক্ষয়তৰ্ত্ৰী সমাগম হোৱা দেখা যায়। বৰ্তমান শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়খনিত পৱিত্ৰ শাওন মাহৰ বল বম উপলক্ষে আতক ধুনীয়াকৈ সজায় পৰাই তুলিছে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে আৰু লগতে পৱিত্ৰ শাওন মাহৰ প্ৰতিটো সোমবাৰত ভক্তৰ উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে।

## ব্ৰহ্মপুত্ৰৰ ভয়াবহ গৰাখহনীয়াৰ কৱলত অইলৰ ১২টাকৈ তেলখাদ

জিঅ' বেগেৰে প্ৰতিৰোধৰ তৎপৰতা

**অসম বাৰ্তা, দুলীয়াজান, ১৬ জুলাই ঃ** তিনিচুকীয়া জিলাত মহাবাহু ব্ৰহ্মপুত্ৰৰ ভয়াবহ গৰাখহনীয়াই দেশৰ অন্যতম নৱৰত্ন কোম্পানী অইল ইণ্ডিয়া লিমিটেডৰ (OIL) প্ৰতি প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিছে। জিলাখনৰ বাঘজানকে ধৰি কাষৰীয়া অঞ্চলৰ প্ৰায় ১২ টাকৈ তেলখাদ বৰ্তমান গৰাখহনীয়াৰ কৱলত পৰাৰ উপক্ৰম হৈছে, যাৰ ফলত তৈল উৎপাদনত বৃহৎ প্ৰভাৱ পৰাৰ আশংকা ঘনীভূত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, বাঘজান অঞ্চলৰ কে জি জে-১, কে জি জে-২, কে জি জে-৩, এ কে জে-১, আৰ জি এম-১ আদি গুৰুত্বপূৰ্ণ তেলখাদসমূহ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ আশংকাই দেখা দিছে। ইয়াৰে কেইবাটাও তেলখাদ অতি বিপজ্জনক হিচাপে চিহ্নিত হৈছে। এই ভয়াবহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অইল কৰ্তৃপক্ষই খহনীয়া ৰোধৰ বাবে অসম চৰকাৰৰ জলসম্পদ বিভাগক প্ৰায় ৯ কোটি ৭২ লাখ (প্ৰায় ৯, ৬১, ৬৮, ২৮৭ টকা) টকাৰ এক পুঁজি মোকলাই দিছে। এই ধনেৰে ইতিমধ্যে জলসম্পদ বিভাগে 'জিঅ' বেগ' (Geo-bag) প্ৰযুক্তিৰে বালিজান চাৰিআলিৰ পৰা বিন্ধাকটালৈ প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ এক অংশত গৰাখহনীয়া প্ৰতিৰোধৰ কাম যুদ্ধকালীন তৎপৰতাৰে চলাই আছে। ইফালে, অঞ্চলটোৰ গৰাখহনীয়াৰ স্থায়ী সমাধানৰ বাবে অইলে এক উচ্চস্তৰীয় তৎপৰতা আৰম্ভ কৰিছে। অইলৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ডঃ ৰঞ্জিত ৰথ, অভিযান সঞ্চালক ত্ৰৈলোক্য বৰগোহাঁই, আৱাসিক মুখ্য বিষয়া হৃদয়ানন্দ ভৰালী আৰু মানৱ সম্পদ বিভাগৰ কাৰ্যবাহী সঞ্চালক মাধুৰ্য বৰুৱাৰ এটা প্ৰতিনিধি দলে শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হৈছে। এই আলোচনাৰ ফলশ্ৰুতিত বাঘজানৰ পৰা বিন্ধাকটালৈ ব্ৰহ্মপুত্ৰৰ পাৰত প্ৰায় ৭৫০ কোটি টকা ব্যয় সাপেক্ষে প্ৰায় ৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক স্থায়ী কংক্ৰিট মথাউৰি তথা পথ নিৰ্মাণৰ এক অভিলাষী প্ৰকল্পৰ প্ৰস্তাৱ কৰা হৈছে। ইতিমধ্যে, কেন্দ্ৰীয় জল আয়োগৰ (CWC) সঞ্চালক ৰাজেশ কুমাৰৰ নেতৃত্বত অহা এক উচ্চস্তৰীয় দলে প্ৰকল্পটোৰ অনুমোদনৰ বাবে স্থান পৰিদৰ্শনো কৰিছে। এই বৃহৎ প্ৰকল্পটো বাস্তৱায়িত হ'লে কেৱল অইলৰ তৈলক্ষেত্ৰসমূহেই নহয়, বৰঞ্চ দুকুৰিৰো অধিক গাঁও, কেইবাখনো চাহ বাগিচা আৰু ভাৰতীয় সেনাবাহিনীৰ দিনজান সেনা ছাৱনীও বান আৰু খহনীয়াৰ পৰা চিৰদিনৰ বাবে সুৰক্ষিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

## নগাঁও জিলাৰ তিনি বিধানসভা সমষ্টিৰ লক্ষ্যাধিক লাখপতি বাইদেউৰ মাজত ২০-২১ জুলাইত হ'ব চেক বিতৰণ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুলাই ঃ** অসম চৰকাৰৰ মহিলা সৱলীকৰণ আৰু স্বাৱলম্বিতাৰ দিশত এক যুগান্তকাৰী পদক্ষেপ হিচাপে চিহ্নিত 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি' চমুকৈ এম এম ইউ এ ৰ অধীনত জিলাখনৰ বাকীবৈ যোৱা তিনিটা বিধানসভা সমষ্টি ধিং, ৰূপহীহাট আৰু চামগুৰি সমষ্টিৰ হিতাধিকাৰী সকললৈ চেক বিতৰণ কৰিবৰ বাবে এক বিশাল কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অহা ২০ আৰু ২১ জুলাইত ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জিলাখনৰ ধিং, ৰূপহী আৰু চামগুৰি বিধানসভা সমষ্টিত আয়োজিত হ'বলগীয়া তিনিটা সুকীয়া অনুষ্ঠানত উপস্থিত থাকি হিতাধিকাৰী মহিলাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে এই আঁচনিৰ চেকসমূহ আনুষ্ঠানিক ভাৱে প্ৰদান কৰাৰ ইংগিত পোৱা গৈছে। দিছপুৰৰ সূত্ৰই এতিয়াও সম্পূৰ্ণ নিশ্চিত কৰা নাই যদিও নগাঁও জিলা প্ৰশাসনে তাৰবাবে পূৰ্ণ প্ৰস্তুতি আৰম্ভ কৰিছে। উক্ত সমষ্টি কেইটাৰ মুঠ ১, ০১, ৭১৬ গৰাকী মহিলাৰ আত্ম নিৰ্ভৰশীলতাৰ পথ প্ৰশস্ত কৰি তোলাৰ লক্ষ্যৰে আয়োজিত এই ভব্য অনুষ্ঠানসমূহ সুচাৰুৰূপে আৰু শৃংখলাবদ্ধভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনে সম্প্ৰতি তৎপৰতাৰে প্ৰস্তুতি চলাইছে। এই প্ৰস্তুতিৰ অংশস্বৰূপেই আজি জিলা আয়ুক্ত দেৱাশিস শৰ্মাই নিজে অনুষ্ঠানসমূহৰ বাবে নিৰ্বাচিত সভাস্থলী সমূহ পৰিদৰ্শন কৰি প্ৰাৰম্ভিক প্ৰস্তুতিৰ বুজ লয়। এই গুৰুত্বপূৰ্ণ পৰিদৰ্শনৰ সময়ছোৱাত জিলা আয়ুক্ত মহোদয়ৰ সৈতে অতিৰিক্ত জিলা আয়ুক্ত গোপাল শৰ্মা, সহকাৰী আয়ুক্ত ৰূপক মজুমদাৰ প্ৰমুখ্যে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ নগাঁও জিলা প্ৰকল্প পৰিচালক, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু লোকনিৰ্মাণ বিভাগৰ অভিযন্তা সকলৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়া উপস্থিত থাকে।

## সম্পাদকীয়

# আইনী শব্দজালৰ পৰা সামাজিক দায়বদ্ধতালৈ

পাটনা উচ্চ ন্যায়ালয়ৰ শেহতীয়া ৰায়ে পুনৰবাৰ আমাক সেই প্ৰশ্নৰ সন্মুখীন কৰাইছে-আইনৰ সংজ্ঞা ডাঙৰ নে পীড়িতাৰ প্ৰকৃত ন্যায় ডাঙৰ? এটা ফটো ষ্টুডিঅ'ৰ আঁৰৰ কোঠাত এগৰাকী যুৱতীয়ে ভোগ কৰা নৰকীয় যন্ত্ৰণাক 'প্ৰৱেশৰ প্ৰমাণ' নথকাৰ কাৰণে 'শ্লীলতাহানি'ৰ সংজ্ঞাত সুমুৱাই দিয়া এই সিদ্ধান্তই নাৰী সুৰক্ষাৰ প্ৰতি থকা আমাৰ সামূহিক বিশ্বাসক গভীৰভাৱে আঘাত কৰিছে। অথচ নাৰী সুৰক্ষা কেৱল এটা আইনী প্ৰশ্ন নহয়; ই হৈছে সমাজৰ নৈতিক আৰু মানৱীয় মূল্যবোধৰ আইনা। আইনী ভাষ্যৰ অত্যধিক কঠোৰতাৰ বাবে যদি অপৰাধৰ ভয়াবহতাকে তুচ্ছ কৰা হয়, তেন্তে সেই ন্যায় নহয়, ন্যায়ৰ বিকৃতি।

ভাৰতীয় দণ্ডবিধি আৰু নতুন ভাৰতীয় ন্যায় সংহিতাত নাৰীৰ বিৰুদ্ধে হিংসাৰ বিভিন্ন ধৰণৰ বাবে যথেষ্ট কঠোৰ শাস্তিৰ ব্যৱস্থা আছে। ধৰ্ষণ, ধৰ্ষণৰ প্ৰয়াস, শ্লীলতাহানি, যৌন নিৰ্যাতন- প্ৰত্যেকটো অপৰাধৰ পৃথক সংজ্ঞা আৰু শাস্তি নিৰ্ধাৰণ কৰা হৈছে। কিন্তু সম্প্ৰতি পাটনা উচ্চ ন্যায়ালয়ৰ ৰায়ে দেখুৱাইছে যে এই আইনী সংজ্ঞাবোৰৰ ব্যাখ্যা যেতিয়া আক্ষৰিক আৰু যান্ত্ৰিক হয়, তেতিয়া অপৰাধীয়ে সূক্ষ্মভাৱে শাস্তিৰ পৰা ৰক্ষা পাবলৈ সক্ষম হয়। উচ্চ ন্যায়ালয়ে কৈছে যে ধৰ্ষণৰ প্ৰয়াস বুলি প্ৰমাণ কৰিবলৈ 'নিৰ্ণায়ক পদক্ষেপ' বা 'প্ৰৱেশ'ৰ প্ৰমাণ লাগে, কিন্তু যুৱতীগৰাকীক আবদ্ধ কৰি ৰখা, দুৱাৰত তলা লগোৱা, কাপোৰ খোলাৰ চেষ্টা কৰি বুকুত হাত দিয়া- এই কাৰ্যসমূহ যদি 'চেষ্টা'ৰ পৰ্যায়ত নপৰে, তেন্তে ধৰ্ষণৰ প্ৰয়াসৰ সংজ্ঞা কেৱল শেষ মুহূৰ্তলৈকে সীমাবদ্ধ কৰি ৰখা হয়। ইয়াৰ পৰিণতি হ'ল যে অপৰাধীয়ে ভাবিব পাৰে- 'যেতিয়ালৈকে সম্পূৰ্ণ ধৰ্ষণ নকৰো, তেতিয়ালৈকে শাস্তি ইমান গুৰুতৰ নহয়।' এনে ব্যাখ্যাই অপৰাধক উৎসাহিত কৰাৰ উপৰিও পীড়িতাগৰাকীক দ্বিতীয়বাৰৰ বাবে নিৰ্যাতন দিয়ে।

কিন্তু এই সমস্যা কেৱল আইনী ব্যাখ্যালৈ সীমাবদ্ধ নহয়। নাৰী সুৰক্ষাৰ আটাইতকৈ ডাঙৰ বাধা হৈছে আমাৰ সমাজৰ পিতৃতান্ত্ৰিক মানসিকতা। ঘৰৰ পৰা আৰম্ভ কৰি কাৰ্যালয়, বিদ্যালয়, ৰাজপথ- সৰ্বত্ৰ নাৰীৰ ওপৰত নিৰ্যাতনক কোনো ন কোনো ৰূপত 'স্বাভাৱিক' বুলি গণ্য কৰা হয়। 'ছোৱালীয়ে সাৱধান হৈ থাকিব লাগে'- এই বাক্যশাৰীয়ে অপৰাধীক নহয়, পীড়িতাক দায়ী কৰে। আমি যেতিয়া নাৰীক 'সাৱধান' হ'বলৈ শিকাও, তেতিয়া কিন্তু আমি পুৰুষক 'সংযত' হ'বলৈ নিশিকাও। গতিকে নাৰী সুৰক্ষাৰ বাবে প্ৰথম পদক্ষেপ হৈছে সমাজৰ মনোভাৱৰ পৰিৱৰ্তন। ল'ৰা-ছোৱালী দুয়োকে সমান সন্মান, পাৰস্পৰিক বুজাবুজি, আৰু নিজৰ ওপৰত নিয়ন্ত্ৰণৰ শিক্ষা দিব লাগে। স্কুলীয়া পাঠ্যক্ৰমত লিংগ সমতা আৰু যৌন শিক্ষাক অন্তৰ্ভুক্ত কৰাটো আজিৰ প্ৰয়োজন।

আৰ্থ-সামাজিক দিশটোও সমান গুৰুত্বপূৰ্ণ। আৰ্থিকভাৱে নিৰ্ভৰশীল নাৰীয়ে প্ৰায়ে নিৰ্যাতন সহি থাকে কাৰণ তেওঁৰ বাহিৰৰ জগতখন অতি সীমিত। মহিলা সবলীকৰণৰ কাৰ্যসূচী, স্বনিৰ্ভৰ গোট, শিক্ষা আৰু কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি কৰিলেহে নাৰীয়ে নিজৰ অধিকাৰৰ বাবে মাত মাতিবলৈ সাহস পাব। চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে গাঁও-গাঁৱত নাৰী সাক্ষৰতা আৰু আইনী সজাগতাৰ কাৰ্যসূচী গ্ৰহণ কৰিলেহে আইনৰ প্ৰকৃত সুফল তললৈ নামি আহিব।

ইয়াৰ লগতে পুলিছ আৰু ন্যায়পাল ব্যৱস্থাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। গোচৰ দাখিলৰ সময়ত পীড়িতাগৰাকীয়ে যাতে দ্বিতীয়বাৰৰ বাবে নিৰ্যাতন নাপায়, তাৰ বাবে সংবেদনশীল আৰু ভিকটিম-ফ্ৰেণ্ডলি ব্যৱস্থা গঢ়ি তোলা প্ৰয়োজন। উচ্চতম ন্যায়ালয়েও বহুকেইটা ৰায়ত কৈছে যে যৌন নিৰ্যাতনৰ গোচৰত চিকিৎসা প্ৰমাণৰ অভাৱ থাকিলেও পীড়িতাগৰাকীৰ সাক্ষ্যক গুৰুত্ব দিব লাগে, কাৰণ এনে অপৰাধ সাধাৰণতে সাক্ষীহীন পৰিৱেশত সংঘটিত হয়। পাটনা উচ্চ ন্যায়ালয়ৰ ৰায় এই দিশত পিছুৱাই যোৱা বুলি আমি দৃঢ়ভাৱে ক'ব বিচাৰো। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ একেধৰণৰ ৰায়ক উচ্চতম ন্যায়ালয়ে স্বপ্ৰণোদিত গোচৰ গ্ৰহণ কৰি খাৰিজ কৰিছিল, তথাপি পুনৰ একে ভুলৰ পুনৰাবৃত্তি হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক।

অৱশ্যে উচ্চতম ন্যায়ালয়ে এই ৰায়ৰ বিৰুদ্ধে তৎক্ষণাত হস্তক্ষেপ কৰিছে। তথাপি প্ৰশ্ন হয়-আমাৰ ন্যায়াধীশসকলক কেৱল আইনী ডিগ্ৰী নহয়, সমাজৰ সংবেদনশীলতা আৰু মানৱীয় দৃষ্টিভংগীও শিকাব লাগে নেকি? কাৰণ যেতিয়ালৈকে আদালতে অপৰাধীৰ 'দুষ্ট অভিপ্ৰায়'ক প্ৰাধান্য নিদিয়ে আৰু 'প্ৰৱেশ'ৰ দৰে বাহ্যিক প্ৰমাণৰ পিছত লয়, তেতিয়ালৈকে নাৰীয়ে সম্পূৰ্ণ ন্যায় পাবলৈ বঞ্চিত হ'ব। নাৰী সুৰক্ষা কেৱল মহিলা আন্দোলন বা চৰকাৰী নীতিৰ বিষয় নহয়; ই প্ৰতিজন নাগৰিকৰ দায়িত্ব। পৰিয়ালৰ পৰা আৰম্ভ কৰি সমাজৰ প্ৰতিটো স্তৰত মহিলাৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান প্ৰতিষ্ঠা কৰিব পাৰিলেহে আইনী শব্দজালত আবদ্ধ হৈ পৰা সুৰক্ষাই প্ৰকৃত অৰ্থ লাভ কৰিব। পাটনা উচ্চ ন্যায়ালয়ে নিজৰ ৰায় পুনৰীক্ষণ কৰক। কেৱল আইনী ভাষ্য নহয়, মানৱীয় মূল্যবোধেই হওক ন্যায়ৰ চূড়ান্ত মাপকাঠী- এইটোৱেই হ'ব সভ্য সমাজৰ প্ৰতিশ্ৰুতি।




# সামাজিক মাধ্যমৰ অপব্যৱহাৰ

*সামাজিক মাধ্যমৰ অপব্যৱহাৰে মানসিক স্বাস্থ্যৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাইছে। যদিও এই প্লেটফৰ্মবোৰ মানুহক ওচৰ চপাবলৈ সৃষ্টি কৰা হৈছিল, তথাপিও ইহঁতে নিৰ্জনতা, অসম্পূৰ্ণতা আৰু উদ্বেগৰ অনুভূতিৰ সৃষ্টি কৰিছে। সংকল্পিত জীৱনশৈলী আৰু অবাস্তৱ সৌন্দৰ্য মানদণ্ডৰ সৈতে প্ৰায়ে পৰিচিত হোৱাৰ ফলত মানুহে এক আদৰ্শজীৱনৰ সৈতে নিজৰ জীৱন তুলনা কৰিবলৈ বাধ্য হয়। বহুতে, বিশেষকৈ যুৱক-যুৱতীসকলে, অনলাইনত দেখা ফিল্টাৰ কৰা ছবিৰ সৈতে নিজৰ জীৱন তুলনা কৰি আত্মবিশ্বাসহীনতাৰ সৃষ্টি কৰে। প্ৰশংসাৰ সংস্কৃতি, য'ত আত্মমূল্যাংকন লাইক, শ্বেয়াৰ আৰু অনুগামীৰ দ্বাৰা নিৰ্ধাৰিত হয়, ই অনলাইন প্ৰশংসাৰ এক অসুস্থ আসক্তিৰ সৃষ্টি কৰিছে। অধ্যয়নৰ পৰা দেখা গৈছে যে সামাজিক মাধ্যমৰ অধিক ব্যৱহাৰে উদ্বেগ, হতাশা আৰু টোপনিৰ সমস্যা বৃদ্ধি কৰে। এই প্লেটফৰ্মবোৰৰ আসক্তিজনক প্ৰকৃতিয়ে মানসিক স্বাস্থ্যৰ সমস্যাক আৰু বেছি গভীৰ কৰে।*


হিমাংশু ৰঞ্জন ভূঞা

সামাজিক মাধ্যমে আজিৰ পৃথিৱীক এনেদৰে গঢ়ি তুলিছে, যিটো আগতে কোনেও কাহানিও কল্পনাও কৰা টান আছিল। ই দেশ বিদেশৰ মানুহক সংযুক্ত কৰিছে, তাৎক্ষণিক যোগাযোগৰ সুবিধা প্ৰদান কৰিছে, অভিব্যক্তিৰ এক মঞ্চ হিচাপে কাম কৰিছে আৰু উদ্যোগসমূহক বিপ্লৱিত কৰিছে। ই দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে, মানুহৰ আন্তঃক্ৰিয়া, তথ্য গ্ৰহণ আৰু মতামত গঠনৰ ধৰণক প্ৰভাৱিত কৰিছে। ব্যক্তিগত মুহূৰ্ত বিলোৱাৰ পৰা বিশ্বব্যাপী আন্দোলনলৈকে সামাজিক মাধ্যমই অপাৰ শক্তি প্ৰদৰ্শন কৰিছে। কিন্তু ইয়াৰ সকলো সুবিধাৰ মাজতো ইয়াৰ অপব্যৱহাৰে ব্যক্তি, সমাজ আৰু গোটেই ৰাষ্ট্ৰৰ বাবে গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমৰ অপব্যৱহাৰ এতিয়া এক উদ্বেগজনক বিষয় হৈ পৰিছে, যিয়ে মিছা তথ্য, ছাইবাৰ বুলিং, গোপনীয়তা ভংগ আৰু সামাজিক বিভাজনৰ সৃষ্টি কৰিছে। ইয়াৰ সুবিধা অস্বীকাৰ্য যদিও, সামাজিক মাধ্যমৰ আন্ধাৰময় দিশে সম্প্ৰতি আধুনিক সমাজত এক ডাঙৰ ছাঁ পেলাইছে।

সামাজিক মাধ্যমৰ অপব্যৱহাৰৰ আটাইতকৈ ভয়াৱহ দিশ হ'ল মিছা তথ্যৰ প্ৰচাৰ। এনে এক যুগত য'ত তথ্য চেকেণ্ডৰ ভিতৰত গ্ৰহণ কৰা হয়, মিছা কাহিনী আৰু ভুল দাবী আগতকৈ সহজতে আৰু বহু দ্ৰুতগতিত বিয়পিব পাৰে। পৰম্পৰাগত মাধ্যমত বিষয়বস্তু প্ৰকাশৰ আগতে পৰীক্ষা কৰা হয়, কিন্তু সামাজিক মাধ্যমত যিকোনো ব্যক্তিয়েই যিকোনো কথা পোষ্ট কৰিব পাৰে। ই এনে এক পৰিৱেশ সৃষ্টি কৰিছে য'ত ভুল তথ্য সহজে বিয়পে, যিয়ে জনমতক প্ৰভাৱিত কৰে আৰু বাস্তৱ জগতৰ ঘটনাবোৰক পৰিৱৰ্তন কৰে। ৰাজনৈতিক প্ৰচাৰ, ষড়যন্ত্ৰ তত্ত্ব, স্বাস্থ্য সম্পৰ্কীয় ভুল তথ্য আৰু বিকৃত ঐতিহাসিক কাহিনীয়ে সামাজিক মাধ্যমত ঠাই পাইছে, যিয়ে লাখ লাখ মানুহক বিভ্ৰান্ত কৰিছে। মিছা তথ্যৰ প্ৰভাৱ ভয়াৱহ হ'ব পাৰে, যিয়ে ভয়, বিভাজন আৰু কেতিয়াবা হিংসাৰ সৃষ্টি কৰে। সামাজিক মাধ্যম প্লেটফৰ্মবোৰে সঁহাৰি প্ৰাধান্য দিয়া এলগৰিদমৰ দ্বাৰা চাঞ্চল্যকৰ বিষয়বস্তুক বেছি গুৰুত্ব দিয়ে। ই এনে এক পৰিৱেশ সৃষ্টি কৰে য'ত ভুল শিৰোনাম আৰু আবেগপূৰ্ণ পোষ্টবোৰে সঠিক তথ্যতকৈ বেছি দৃশ্যমান হয়, যিয়ে সমস্যাটোক আৰু গভীৰ কৰে।

মিছা তথ্যৰ লগতে ছাইবাৰ অপৰাধ বৃদ্ধিয়ে সামাজিক মাধ্যমক হাৰাশাস্তি আৰু নিপীড়নৰ এক যুদ্ধক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিছে। ইণ্টাৰনেটে মুক্ত অভিব্যক্তিৰ এক মাধ্যম প্ৰদান কৰাৰ লগতে ই নিষ্ঠুৰতা আৰু শত্ৰুতাৰ এক পথও সৃষ্টি কৰিছে। সামাজিক মাধ্যমে প্ৰদান কৰা মুক্ত ভাৱ ভাষা প্ৰকাশৰ ব্যৱস্থাই ব্যক্তিক প্ৰত্যক্ষ পৰিণামৰ সন্মুখীন নোহোৱাকৈ বিষাক্ত আচৰণত লিপ্ত হ'বলৈ উৎসাহিত কৰে। অপমান, ভাবুকি আৰু ঘৃণামূলক বক্তব্য ইয়াৰ জৰিয়তে বিয়পি পৰে, যিবোৰে কেৱল জনপ্ৰিয় নেতা বা সামাজিক ভাৱে জড়িত ব্যক্তিক লক্ষ্য কৰাই নহয় বৰ্তমান যিকোনো লোককে লক্ষ্য কৰি ল'বলৈ ধৰিছে। কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীসকল, যিসকলে বেছি সময় অনলাইনত কটায়, তেওঁলোক বিশেষভাৱে সততে এই ধৰণৰ ছাইবাৰ বুলিংৰ প্ৰতি অধিক সংবেদনশীল। অনলাইন হাৰাশাস্তি ৰ ফলত বহুতে উদ্বেগ, হতাশা আৰু কেতিয়াবা আত্মহত্যাৰ দৰে কামো কৰে। সামাজিক মাধ্যমে সম্প্ৰতি যিকোনো ব্যক্তিক ৰাজহুৱাভাৱে লাঞ্ছিত কৰা আৰু ঠাট্টা কৰাটো সহজ কৰিছে, যি কেতিয়াবা স্থায়ী সুনাম হানীৰ সৃষ্টি কৰে।

সামাজিক মাধ্যমৰ অপব্যৱহাৰে গোপনীয়তা সম্পৰ্কীয় গুৰুতৰ উদ্বেগৰ সৃষ্টি কৰিছে। বহুতে গম নাপায় যে সামাজিক মাধ্যম প্লেটফৰ্মবোৰে তেওঁলোকৰ তথ্য কিমান পৰিমাণে সংগ্ৰহ কৰে, সংৰক্ষণ কৰে আৰু ব্যৱহাৰ কৰে। প্ৰতিটো আন্তঃক্ৰিয়া, যেনে লাইক, শ্বেয়াৰ আৰু ব্ৰাউজিং ৰ অভ্যাস, ট্ৰেক কৰি বিশদ ব্যৱহাৰকাৰী প্ৰ'ফাইল সৃষ্টি কৰা হয়। এই প্ৰ'ফাইলবোৰ লক্ষ্য ভিত্তিক বিজ্ঞাপন, ৰাজনৈতিক প্ৰচাৰ আৰু মানসিক নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰা হয়। কেমব্ৰিজ এনালিটিকা কেলেংকাৰীয়ে এই তথ্য অপব্যৱহাৰৰ ভয়াৱহ বাস্তৱতা উন্মোচিত কৰিছিল, য'ত ফেচবুকৰ লাখ লাখ ব্যৱহাৰকাৰীৰ তথ্য অনুমতি নোলোৱাকৈ সংগ্ৰহ কৰি নিৰ্বাচন প্ৰভাৱিত কৰা হৈছিল। ইয়াৰ উপৰিও, অনলাইনত শ্বেয়াৰ কৰা ব্যক্তিগত তথ্যই ব্যক্তিক চিনাক্ত চুৰি, আৰ্থিক প্ৰতাৰণা আৰু অনলাইন টোহৰাৰ প্ৰতি সংবেদনশীল কৰি তোলে। বহুতে এই ঝুঁকিসমূহৰ বিষয়ে অজ্ঞাত হৈ বেছিকৈ ব্যক্তিগত তথ্য শ্বেয়াৰ কৰে, যাৰ ফলত তেওঁলোক সহজ লক্ষ্য হৈ পৰে। যদিও গোপনীয়তা নীতি আৰু তথ্য সুৰক্ষা আইন প্ৰৱৰ্তন কৰা হৈছে, তথাপিও ইয়াৰ কাৰ্যকৰী প্ৰয়োগ এক প্ৰত্যাহ্বান হৈয়েই আছে।

সামাজিক মাধ্যমৰ অপব্যৱহাৰে মানসিক স্বাস্থ্যৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাইছে। যদিও এই প্লেটফৰ্মবোৰ মানুহক ওচৰ চপাবলৈ সৃষ্টি কৰা হৈছিল, তথাপিও ইহঁতে নিৰ্জনতা, অসম্পূৰ্ণতা আৰু উদ্বেগৰ অনুভূতিৰ সৃষ্টি কৰিছে। সংকল্পিত জীৱনশৈলী আৰু অবাস্তৱ সৌন্দৰ্য মানদণ্ডৰ সৈতে প্ৰায়ে পৰিচিত হোৱাৰ ফলত মানুহে এক আদৰ্শজীৱনৰ সৈতে নিজৰ জীৱন তুলনা কৰিবলৈ বাধ্য হয়। বহুতে, বিশেষকৈ যুৱক-যুৱতীসকলে, অনলাইনত দেখা ফিল্টাৰ কৰা ছবিৰ সৈতে নিজৰ জীৱন তুলনা কৰি আত্মবিশ্বাসহীনতাৰ সৃষ্টি কৰে। প্ৰশংসাৰ সংস্কৃতি, য'ত আত্মমূল্যাংকন লাইক, শ্বেয়াৰ আৰু অনুগামীৰ দ্বাৰা নিৰ্ধাৰিত হয়, ই অনলাইন প্ৰশংসাৰ এক অসুস্থ আসক্তিৰ সৃষ্টি কৰিছে। অধ্যয়নৰ পৰা দেখা গৈছে যে সামাজিক মাধ্যমৰ অধিক ব্যৱহাৰে উদ্বেগ, হতাশা আৰু টোপনিৰ সমস্যা বৃদ্ধি কৰে। এই প্লেটফৰ্মবোৰৰ আসক্তিজনক প্ৰকৃতিয়ে মানসিক স্বাস্থ্যৰ সমস্যাক আৰু বেছি গভীৰ কৰে। যদিও ডিজিটেল সুস্থতা সম্পৰ্কীয় সজাগতা বৃদ্ধি পাইছে, তথাপিও সামাজিক মাধ্যমৰ আসক্তি এক ব্যাপক সমস্যা হৈয়েই আছে।

অনলাইন ঠগবাজি আৰু প্ৰতাৰণাও সামাজিক মাধ্যমৰ অপব্যৱহাৰৰ ফলত বৃদ্ধি পাইছে। চাইবাৰ অপৰাধীসকলে এই প্লেটফৰ্মবোৰৰ ব্যাপক প্ৰসাৰৰ সুবিধা লৈ ফিশিং স্কীম, আৰ্থিক ঠগবাজি আৰু চিনাক্ত চুৰিৰ জৰিয়তে ব্যৱহাৰকাৰীক প্ৰতাৰণা কৰে। নকল বিনিয়োগৰ সুযোগ, নকল উপহাৰ আৰু পৰিচয় চুৰিৰ দৰে ঠগবাজি সাধাৰণ হৈ পৰিছে, য'ত বহুতে ডাঙৰ পৰিমাণৰ ধন হেৰুৱায়। প্ৰেমৰ নামত ঠগবাজি, য'ত অপৰাধীসকলে ধন আদায় কৰিবলৈ প্ৰেমৰ সম্পৰ্কৰ ভাও ধৰে, ইয়াতো বৃদ্ধি পাইছে। সামাজিক মাধ্যমৰ বজাৰসমূহে সুবিধা প্ৰদান কৰাৰ লগতে নকল সামগ্ৰী আৰু প্ৰতাৰণামূলক লেনদেনৰ এক কেন্দ্ৰস্থল হৈ পৰিছে। যদিও সুৰক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে, তথাপিও চাইবাৰ অপৰাধীসকলে নতুন নতুন উপায়েৰে এইবোৰৰ পৰা সাৰি যাবলৈ সক্ষম হয়। বহু ব্যৱহাৰকাৰীৰ ডিজিটেল সাক্ষৰতাৰ অভাৱেও তেওঁলোকক অনলাইন ঠগবাজিৰ প্ৰতি অধিক সংবেদনশীল কৰি তোলে।

সামাজিক মাধ্যমৰ অপব্যৱহাৰে গণতন্ত্ৰ আৰু ৰাজনৈতিক আলোচনাকো গভীৰভাৱে প্ৰভাৱিত কৰিছে। যদিও ই মানুহক এক কণ্ঠস্বৰ প্ৰদান কৰিছে, তথাপিও ই জনমত পৰিৱৰ্তন কৰিবলৈ অপব্যৱহাৰ কৰা হৈছে। ৰাজনৈতিক দল, বিদেশী শক্তি আৰু স্বাৰ্থ গোটসমূহে প্ৰচাৰ বিয়পাবলৈ, নিৰ্বাচন প্ৰভাৱিত কৰিবলৈ আৰু সামাজিক বিভাজন গভীৰ কৰিবলৈ সামাজিক মাধ্যমক এক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। নকল একাউণ্ট, বট আৰু ট্ৰল ফাৰ্মৰ দ্বাৰা নিৰ্দিষ্ট বক্তব্য বিয়পোৱা, বিৰোধী কণ্ঠস্বৰ ডুবাই দিয়া আৰু জনসাধাৰণৰ ঐকমত্যৰ ভ্ৰম সৃষ্টি কৰা হয়। মিছা তথ্য প্ৰচাৰে ভোটাৰক বিভ্ৰান্ত কৰিছে, গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰতি বিশ্বাস হ্ৰাস কৰিছে আৰু ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিছে। ঘৃণামূলক বক্তব্য আৰু বিভাজনমূলক বক্তৃতাই বিভিন্ন ঠাইত হিংসাৰ সূত্ৰপাত কৰিছে। সামাজিক মাধ্যমৰ ৰাজনৈতিক নিয়ন্ত্ৰণৰ ভূমিকাই নিৰ্বাচনৰ সততা আৰু গণতন্ত্ৰৰ ভৱিষ্যত সম্পৰ্কীয় উদ্বেগৰ সৃষ্টি কৰিছে। যদিও প্লেটফৰ্মবোৰে মিছা তথ্যৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে, তথাপিও এই প্ৰচেষ্টাবোৰৰ কাৰ্যকাৰিতা সন্দেহজনক হৈয়েই আছে।

সামাজিক মাধ্যমৰ অপব্যৱহাৰৰ সৈতে জড়িত বহু সমস্যাৰ মাজতো ইয়াৰ ইতিবাচক পৰিৱৰ্তনৰ অপাৰ সম্ভাৱনা আছে। সামাজিক সমস্যা সম্পৰ্কীয় সজাগতা বৃদ্ধি, আন্দোলন সংগঠিত কৰা আৰু প্ৰান্তীয় লোকক কণ্ঠস্বৰ প্ৰদান কৰাত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কিন্তু ইয়াৰ অপকাৰী প্ৰভাৱকো উপেক্ষা কৰিব নোৱাৰি। সামাজিক মাধ্যমৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ চৰকাৰ, প্ৰযুক্তি কোম্পানী আৰু ব্যৱহাৰকাৰীসকলৰ যুটীয়া প্ৰয়াসৰ প্ৰয়োজন। চৰকাৰে কঠোৰ নীতি প্ৰণয়ন কৰি দায়বদ্ধতা নিশ্চিত কৰিব লাগিব, আনহাতে সামাজিক মাধ্যম কোম্পানীবোৰে নৈতিক এলগৰিদম, উন্নত বিষয়বস্তু নিয়ন্ত্ৰণ আৰু স্বচ্ছ নীতিৰ বাবে বিনিয়োগ কৰিব লাগিব। আনহাতে, ব্যৱহাৰকাৰীসকলে দায়িত্বশীল ডিজিটেল আচৰণ প্ৰদৰ্শন কৰিব লাগিব, তথ্য শ্বেয়াৰ কৰাৰ আগতে পৰীক্ষা কৰিব লাগিব আৰু তেওঁলোকৰ অনলাইন আন্তঃক্ৰিয়াৰ প্ৰতি সচেতন হ'ব লাগিব। ডিজিটেল সাক্ষৰতা কাৰ্যসূচীৰ জৰিয়তে মানুহক সামাজিক মাধ্যমৰ ঝুঁকি আৰু নৈতিক ব্যৱহাৰৰ বিষয়ে শিক্ষা দিব লাগিব।

সামাজিক মাধ্যমৰ ভৱিষ্যত ইয়াৰ প্ৰত্যাহ্বানসমূহৰ সৈতে কেনেদৰে মোকাবিলা কৰে তাৰ ওপৰত নিৰ্ভৰ কৰে। যদি ইয়াক নিয়ন্ত্ৰণ কৰা নহয়, তেন্তে এই প্লেটফৰ্মবোৰৰ অপব্যৱহাৰে বিশ্বাস হ্ৰাস কৰি, সামাজিক বিভাজন বৃদ্ধি কৰি আৰু ব্যক্তিগত সুস্থতাৰ ক্ষতি কৰি যাব। কিন্তু সঠিক ব্যৱস্থা গ্ৰহণ কৰিলে সামাজিক মাধ্যম এতিয়াও এক ইতিবাচক শক্তি হ'ব পাৰে, যিয়ে অৰ্থপূৰ্ণ সংযোগ স্থাপন কৰিব, জ্ঞান বিয়পাব আৰু ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। এই প্লেটফৰ্মবোৰ সঠিকভাৱে ব্যৱহাৰ কৰাৰ দায়িত্ব কেৱল চৰকাৰ আৰু কোম্পানীৰ ওপৰত নহয়, বৰঞ্চ ব্যক্তিৰ ওপৰতো আছে যিসকলে তেওঁলোকৰ কাৰ্য্যৰ দ্বাৰা অনলাইন জগতক গঢ় দিয়ে। আগবাঢ়িবলৈ সজাগতা, দায়বদ্ধতা আৰু সামাজিক মাধ্যমক অহিংসাৰ উৎসৰ পৰিৱৰ্তে প্ৰগতিৰ এক সঁজুলি হিচাপে ৰখাৰ বাবে সচেতন প্ৰয়াসৰ প্ৰয়োজন।

# এইছ আই ভি আৰু অসমৰ বাস্তৱতা প্ৰতিৰোধ, সজাগতা আৰু সামাজিক দায়িত্ববোধৰ প্ৰয়োজনীয়তা

**কবিতা নাথ**

শেহতীয়াকৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা ২০২৫-২৬ বৰ্ষৰ এক প্ৰতিবেদনে অসমৰ জনস্বাস্থ্য খণ্ডৰ লগতে সমগ্ৰ সমাজ ব্যৱস্থালৈ এক ভয়ংকৰ আৰু উদ্বেগজনক সকীয়নি কঢ়িয়াই আনিছে। এই প্ৰতিবেদন অনুসৰি, উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ ভিতৰত বৰ্তমান অসমত এইছ আই ভি (HIV) বা হিউমেন ইমিউনোডেফিচিয়েন্সি ভাইৰাছত আক্ৰান্ত লোকৰ সংখ্যা সৰ্বাধিক। সুদীৰ্ঘদিন ধৰি মণিপুৰ, মিজোৰাম বা নাগালেণ্ডৰ দৰে ৰাজ্যসমূহক এইছ আই ভিৰ প্ৰধান কেন্দ্ৰ বুলি ভবা হৈছিল যদিও বৰ্তমানৰ পৰিসংখ্যাই সেই ধাৰণা সলনি কৰি অসমক তালিকাত শীৰ্ষস্থানত বহুৱাইছে। চৰকাৰী তথ্য অনুসৰি, ৰাজ্যখনত বৰ্তমান ৩৩, ১৪৫জন লোক এই মাৰাত্মক ভাইৰাছৰ সৈতে জীৱন নিৰ্বাহ কৰি আছে। ৰাজ্যখনত এইছ আই ভিৰ প্ৰাদুৰ্ভাৱৰ হাৰ ০.১৩ শতাংশলৈ বৃদ্ধি পাইছে, যিয়ে কেৱল চিকিৎসা খণ্ডৰ দুৰ্বলতাকেইনহয়, বৰঞ্চ সমাজৰ গাঁথনিগত অৱক্ষয়কো উদঙাই দিছে। এখন ৰাজ্যৰ ভৱিষ্যত নিৰ্ভৰ কৰে তাৰ জনসাধাৰণৰ সুস্বাস্থ্য আৰু সবল মানসিকতাৰ ওপৰত, কিন্তু এনে এক পৰিসংখ্যাই আমাৰ ৰাজ্যৰ প্ৰকৃত উন্নয়নৰ যাত্ৰাত এক বৃহৎ প্ৰশ্নবোধক চিহ্ন আঁকি দিছে।

প্ৰতিবেদনখনৰ আটাইতকৈ স্পৰ্শকাতৰ আৰু ভয়ংকৰ দিশটো হৈছে মহিলা আৰু শিশুৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা সংক্ৰমণৰ হাৰ। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ১৩, ৮০৯ গৰাকী এইছ আই ভি পজিটিভ মহিলা থকাৰ বিপৰীতে, কেৱল অসমতেই ইয়াৰ সংখ্যা হৈছে ৬, ৮০৯ গৰাকী, অৰ্থাৎ প্ৰায় আধা সংখ্যক আক্ৰান্ত মহিলাই অসমৰ। তাতোকৈ ডাঙৰ কথাটো হ'ল, শেহতীয়া তথ্য অনুসৰি অসমত ১৪৬ গৰাকী গৰ্ভৱতী মহিলাৰ দেহত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। এগৰাকী গৰ্ভৱতী মহিলা আক্ৰান্ত হোৱাৰ অৰ্থ হৈছে, ভৱিষ্যতৰ এটি নৱজাতক জন্মৰ পূৰ্বেই এক ভয়ংকৰ বিপদৰ সন্মুখীন হোৱা। চিকিৎসা বিজ্ঞানৰ ভাষাত ইয়াক 'মাদাৰ-টু-চাইল্ড ট্ৰেন্সমিছন' (Mother-to-child transmission) বুলি কোৱা হয়। যদিহে সময়মতে সঠিক চিকিৎসা আৰু নিৰীক্ষণৰ ব্যৱস্থা কৰা নহয়, তেন্তে গৰ্ভৱস্থা, প্ৰসৱৰ সময়ত বা স্তনপান কৰোৱাৰ জৰিয়তে এই ভাইৰাছ সন্তানলৈ বিয়পি পৰাৰ পূৰ্ণ সম্ভাৱনা থাকে। সমাজৰ একেবাৰে নিৰীহ শ্ৰেণীটো, অৰ্থাৎ জন্ম নোহোৱা শিশু এটাৰ ওপৰত এনে এক মৰণান্তিক বোজা জাপি দিয়াটো আমাৰ ব্যৱস্থাটোৰ এক চৰম ব্যৰ্থতা। অসম কিয় এনেদৰে এইছ আই ভিৰ এক অভিকেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে, তাৰ কাৰণসমূহ বিশ্লেষণ কৰিলে কেইবাটাও সামাজিক, অৰ্থনৈতিক আৰু ভৌগোলিক দিশ উন্মোচিত হয়। প্ৰথমতে, অসম হৈছে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ। আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় যাতায়াতৰ সুচলতাৰ বাবে অসমলৈ প্ৰতিদিনে লাখ লাখ লোকৰ আগমণ ঘটে। এই বৰ্ধিত প্ৰব্ৰজন, নগৰীকৰণ আৰু পৰিবহণ ব্যৱস্থাৰ লগে লগে এইচ আই ভিৰ দৰে সংক্ৰামক ৰোগ বিয়পি পৰাৰ আশংকো সমানে বৃদ্ধি পায়। দ্বিতীয়তে, শেহতীয়া বছৰসমূহত ৰাজ্যখনত ড্ৰাগছৰ প্ৰচলন ভয়াৱহভাৱে বৃদ্ধি পাইছে। বিশেষকৈ বেজীৰ জৰিয়তে নিচাযুক্ত দ্ৰব্য গ্ৰহণ কৰা যুৱচামৰ মাজত একেটা চিৰিঞ্জ ব্যৱহাৰ কৰাৰ প্ৰৱণতাই এই ভাইৰাছ সংক্ৰমণৰ মূল কাৰণ হিচাপে থিয় দিছে। আৰক্ষী আৰু প্ৰশাসনে ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান চলাই আছে যদিও, ড্ৰাগছ আসক্তসকলৰ পুনৰ্সংস্থাপন আৰু চিকিৎসাৰ পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱে এই সমস্যাক আৰু অধিক জটিল কৰি তুলিছে। ইয়াৰ উপৰিও, সমাজত প্ৰচলিত 'সামাজিক কলংক' বা ষ্টিগমা (Social Stigma) এইছ আই ভি নিৰ্মূলৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ হেঙাৰ। আজিও আমাৰ সমাজত এই ৰোগটোক এক নৈতিক স্খলনৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। যাৰ ফলত ৰোগত আক্ৰান্ত বহু লোকে সমাজৰ ভয়ত নিজৰ স্বাস্থ্যৰ পৰীক্ষা নকৰায় বা পৰীক্ষাত পজিটিভ ওলালেও তাক লুকুৱাই ৰাখে। সঠিক সময়ত ৰোগ নিৰ্ণয় নোহোৱাৰ ফলত তেওঁলোকে কেৱল নিজৰেই জীৱনলৈ বিপদ মাতি নানে, বৰঞ্চ অজ্ঞাতে আন বহুতো লোকলৈ এই ভাইৰাছ বিয়পায়। চৰকাৰীভাৱে এণ্টি-ৰেট্ৰ'ভাইৰেল থেৰাপী (ART) কেন্দ্ৰসমূহত বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হয় যদিও, সামাজিক বিভেদ আৰু বৈষম্যৰ ভয়ত বহু ৰোগীয়ে এই সেৱা গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে। শিক্ষাক্ষেত্ৰত যৌন শিক্ষা আৰু স্বাস্থ্য সজাগতাৰ যি অভাৱ, সিয়েও নৱপ্ৰজন্মক সুৰক্ষিত জীৱনযাপনৰ সজাগতাৰ পৰা বঞ্চিত কৰিছে। এই ভয়াৱহ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ কেৱল চৰকাৰী ব্যৱস্থাই যথেষ্ট নহয়; ইয়াৰ বাবে এক সুসংগঠিত আৰু সামূহিক প্ৰয়াসৰ প্ৰয়োজন। প্ৰথম আৰু প্ৰধান কথাটো হ'ল ৰাজ্যৰ চুকে-কোণে পৰীক্ষাকৰণ কেন্দ্ৰসমূহৰ সহজলভ্যতা নিশ্চিত কৰা। বিশেষকৈ স্পৰ্শকাতৰ এলেকা আৰু গ্ৰামাঞ্চলসমূহত স্বাস্থ্যকৰ্মীসকলৰ জৰিয়তে ব্যাপক সজাগতা অভিযান চলাব লাগিব। গৰ্ভৱতী মহিলাসকলৰ ক্ষেত্ৰত প্ৰসৱ-পূৰ্ব (Antenatal) পৰীক্ষাৰ সময়ত এইছ আই ভিৰ পৰীক্ষা বাধ্যতামূলক আৰু সুনিশ্চিত কৰিব লাগিব, যাতে মাতৃৰ পৰা সন্তানলৈ সংক্ৰমণ হোৱা প্ৰতিৰোধ কৰিব পাৰি। যুৱ সমাজক এই ৰোগৰ ভয়াবহতা আৰু ইয়াৰ প্ৰতিৰোধৰ উপায়সমূহৰ বিষয়ে বিজ্ঞানসন্মতভাৱে অৱগত কৰিবলৈ শিক্ষানুষ্ঠানসমূহত নিয়মীয়া কৰ্মশালাৰ আয়োজন কৰাটো জৰুৰী।

জনস্বাস্থ্যৰ এই সংকটকালত সমাজৰ প্ৰতিগৰাকী সচেতন নাগৰিকৰ দায়িত্ব অপৰিসীম। আমি বুজিব লাগিব যে এইছ আই ভি আক্ৰান্ত ৰোগী এজন অপৰাধী নহয়, তেওঁ এজন ভুক্তভোগীহে। সমাজৰ পৰা আঁতৰাই ৰখাৰ পৰিৱৰ্তে তেওঁলোকক চিকিৎসা আৰু মানসিক সাহসেৰে আঁকোৱালি ল'লেহে এই মহামাৰীক নিয়ন্ত্ৰণ কৰিব পৰা যাব। ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতি আৰু অন্যান্য বেচৰকাৰী সংস্থাসমূহে গ্ৰহণ কৰা পদক্ষেপসমূহৰ লগতে সাধাৰণ জনতাৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে এই যুঁজত জয়ী হোৱা অসম্ভৱ। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে সৰ্বাধিক আক্ৰান্তৰ ৰাজ্য হিচাপে অসমে আজি যি এক ক'লা অধ্যায়ৰ সন্মুখীন হৈছে, তাক মচি পেলাবলৈ হ'লে আমি বিজ্ঞান, শিক্ষা আৰু মানৱতাৰ একত্ৰিত অস্ত্ৰৰে যুঁজ দিব লাগিব। এয়া কেৱল স্বাস্থ্য বিভাগৰ দায়িত্ব নহয়, এয়া সমগ্ৰ সমাজ ব্যৱস্থাৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ এক অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম।

# বৰ্তমানৰ সময় দুঃসময়




বৰ্তমান যুগ এক অদ্ভুত বৈচিত্ৰ্যৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিৰ অভুতপূৰ্ব উন্নতিয়ে মানুহক এক নতুন দিশত লৈ গৈছে, য'ত সভ্যতাৰ জ্যোতিৰ লগত লগ লাগি নৈতিকতাক বিসৰ্জন দিয়াৰ ফালে ধাৱমান হৈছে। আন্তৰিক মানৱতা, দয়া-মায়া সহানুভূতি, মহানুভৱতা - এইবোৰ শব্দ এতিয়া কিতাপৰ পাতত হে সীমাবদ্ধ হৈ আছে। আজিৰ দিনত মানুহৰ সকলো কৰ্ম, চিন্তা আৰু সম্পৰ্কৰ কেন্দ্ৰস্থল হ'ল স্বাৰ্থ।

তাহানিৰ সময়ত সমাজৰ মাজত একতা, সহমৰ্মিতা আৰু পৰস্পৰৰ মাজত বিশ্বাস আছিল। মানুহে আনৰ সুখ-দুখত ভাগ লৈছিল, ২০০০ চনৰ আগত আমাৰ সমাজৰ পৰম্পৰাগত গাঁও-চহৰৰ সংস্কৃতি একতাৰ প্ৰতীক আছিল। কিন্তু আজিৰ সমাজখন দু সময়ৰ মাজত আহি পৰিছে। কোনোবাৰ মুখৰ মিঠা কথা, আনজনৰ মনত সম্পুৰ্ণ ব্যতিক্ৰম। সকলোতে কেৱল নিজৰ লাভ, নিজৰ স্বাচ্ছন্দ্য, আৰু নিজৰ মুনাফা বিচাৰি ফুৰিছে। নিজৰ স্বাৰ্থৰ বাবেই মানুহে নিজৰ ভাই-ভনী, জ্ঞাতি- কুটুম্ব, আত্মীয়, বন্ধু-বান্ধৱ তথা সমাজৰ লগতে প্ৰকৃতিৰ প্ৰতিও দায়িত্ব বিসৰ্জন দি ভাবুকি কঢ়িয়াই আনিছে। পঢ়া-শুনাৰ ক্ষেত্ৰতো নানা ধাৰণাৰ দৃষ্টান্ত দেখা পোৱা যায়। শিক্ষা এতিয়া জ্ঞান আহৰণৰ বাবে নহয়, কেৱল চাকৰি পাওঁ বুলি ডিগ্ৰী কঢ়িয়াই লৈ ফুৰা এটা প্ৰক্ৰিয়াহে মাত্ৰ। শিক্ষক-ছাত্ৰৰ সম্পৰ্ক ও বৰ্ত্তমান বাণিজ্যিক সঁজুলি হৈ স্বাৰ্থৰ সৈতে জড়িত হৈ পৰিছে। ৰাজনৈতিক ক্ষেত্ৰখনো ব্যৱসায় কৰি পেলাইছে কেৱল সম্পত্তিৰ পৰ্বত গঢ়াৰ প্ৰতিযোগিতা।

নেতা সকলৰ আদৰ্শ, নীতি, আৰু সমাজসেৱাৰ মনোভাৱ আজিৰ দিনত পাবলৈ নাই। বৰ্তমানৰ ৰাজনীতিৰ মূল উদ্দেশ্য হৈছে কেনেকৈ গাদি ৰক্ষা কৰি ক্ষমতা অৰ্জন কৰি সকলোৰে উৰ্দ্ধত থাকিব পাৰে তাৰেই চিন্তাত নিমগ্ন। সাধাৰণ জনতাৰ সমস্যাসমূহ ৰাজনৈতিক মঞ্চত কেৱল এক ভোটৰ সমীকৰণ হৈ পৰিছে। এই স্বাৰ্থপৰতাৰ প্ৰভাৱ বৰ্তমান পৰিয়াল ব্যৱস্থাতো পৰিছে। পিতৃ-মাতৃক বৃদ্ধাশ্ৰমলৈ পঠিওৱা, ভাই-ভনীয়েকৰ মাজত সম্পত্তিৰ বাবে বিবাদ, সংসাৰত পৰস্পৰে পৰস্পৰৰ ওপৰত বিশ্বাসৰ অভাৱ এই সকলোবোৰ যেন বৰ্তমান আমাৰ সমাজত স্বাভাৱিক ৰূপলৈ পৰিবৰ্তন হব ধৰিছে। কিছুসংখ্যক সংবাদ মাধ্যমৰ লগতে জাতীয় সংগঠনো বিক্ৰী গৈ ৰাজ হাৰ পোনাব নোৱাৰা হৈছে, কেৱল নিজৰ লাভৰ কাৰণে। মহিলা হিতাধিকাৰীৰ নামত মহিলাক টকাৰ লোভ দেখুৱাই সু-গৃহনিৰ পৰা মেলে মিতিঙে দৌৰি ফুৰিবলৈ বাধ্য কৰোৱা হৈছে।

সমাজৰ কিছু সংখ্যক লোক কিন্তু এতিয়াও সঁচা হৈয়েই আছে। সাহিত্যিক, সাংবাদিক, চিন্তাবিদ, শিক্ষককে আদিকৰি কিছু সংখ্যক ভাল মানুহে এতিয়াও সমাজক জাগ্ৰত কৰাৰ চেষ্টা কৰি আছে। স্বাৰ্থপৰতাৰ বিৰুদ্ধে মাত মাতি, নিজৰ স্বাৰ্থ বিসৰ্জন দি ৰাইজৰ হকে, জনতাৰ হকে, গাঁও, চহৰ, নগৰ, সমষ্টিৰ কল্যাণৰবাবে আগবাঢ়ি আহি সঁচা মানৱতাৰ পৰিচয় দি আছে যদিওঁ সৰ্বসাধাৰণ ৰাইজত এতিয়াও একটাৰ এনাজৰীৰে বান্ধ খাব পৰা নাই। গণতান্ত্ৰিক অধিকাৰ খৰ্ব হবলৈ ধৰিছে। বৰ্তমান সময় একান্তই "দুঃসময়"। এই যুগত যদি পুনৰ এক মানবিক, সহানুভূতিশীল সমাজ গঢ়ি তুলিব পৰা নাযায় তেতিয়া হলে আগন্তুক নৱ প্ৰজন্মৰ বাবে এক অন্ধকাৰ ভবিষ্যৎ নামি আহিব।

শেষত কাতৰে অনুৰোধ জনাওঁ - হে পৰম শ্ৰদ্ধাৰ ৰাইজ আপনালোক সকলোৱে জানে ৰাইজে ৰজা, ৰাইজে নখ জোকাৰিলে নৈ বয়। ৰাইজৰ হিতৰ কাৰণে ৰজাঘৰীয়াক সঁকিয়াই

*অৰুণ সাউদ*
*সাতপখলী, দক্ষিণ কামৰূপ*
*দূৰভাষ ঃ ৭০০২৫০১৫৪৫*

# নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৭ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুলাই ঃ** নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আৰু কঠীয়াতলি খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহযোগত যোৱা ১৪ জুলাইত দিনজোৰা কাৰ্যসূচীৰে দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। পুৱা অসমীয়াৰ প্ৰাণৰ শিল্পী প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কঠীয়াতলি খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি স্বপন নাথে, স্মৃতি তৰ্পণ কৰে নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি শিৱ প্ৰসাদ ভৰালীয়ে লগতে শিক্ষাবিদ আৰু ভাৰতৰ ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মহিলা কোষৰ সভানেত্ৰী মিনু বৰাই, বিশ্ববৰেণ্য সুধাকণ্ঠ বিশ্বশিল্পী ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি ৰঞ্জিত পাটৰে। পুৱা ১১ বজাত প্ৰতিনিধি সভা আৰু বিষয় বাছনিসভা উদ্বোধন কৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি তথা উপদেষ্টা ভবেন চন্দ্ৰ বৰা আৰু অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি তথা পৰ্যবেক্ষক পৰেশ বৰা। ভাষণ প্ৰসংগত বৰাই কয়, এসময়ত শক্তিশালী ভূমিকা পালন কৰি অহা শিক্ষক সন্মিলনীৰ ভূমিকা বৰ্তমান সময়ত কিছু ম্লান পৰা যেন অনুভৱ হৈছে নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ আজি দ্বি-বাৰ্ষিক অধিৱেশনস্থলীত সদস্য সংখ্যা হ্ৰাস হোৱাৰ বাবে তেওঁ আক্ষেপ প্ৰকাশ কৰে আৰু আজি কাৰ্যভাৰ গ্ৰহণ কৰা নতুন সমিতিৰ উদ্যোগত সন্মিলনীৰ বলিষ্ঠ পদক্ষেপত আমাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকলৰ অভাৱ অভিযোগ সমূহ শক্তিশালী ৰূপত চৰকাৰৰ ওচৰত প্ৰক্ষেপ কৰাৰ আশা প্ৰকাশ কৰে। সভাত বক্তব্য প্ৰদান কৰে নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক ফজলুল হকে। বিষয় বাছনি সভাত সভাপতিত্ব কৰে নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি প্ৰফুল্ল বৰাই। পুৰণি সমিতিৰ পদত্যাগ কৰাৰ পিছতে নতুন এখন শক্তিশালী সমিতি গঠন প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু পেনেল কমিটিৰ দ্বাৰা সকলো প্ৰতিনিধিৰ সন্মতিক্ৰমে সভাপতিয়ে নতুন সমিতিৰ নাম ঘোষণা কৰে। ২০২৬-২৮ বৰ্ষৰ বাবে মঃ নুৰুল হকক সভাপতি, উপ-সভাপতি ক্ৰমে লক্ষিপ্ৰসাদ ডেকা, শিৱপ্ৰসাদ ভৰালী, পৱন জ্যোতি বৰা, বিকাশ মজুমদাৰ, আৰু ৰাজীৱ কুমাৰ মহন্ত। সাধাৰণ সম্পাদক হিচাপে কঠীয়াতলি শিক্ষাখণ্ডৰ শ্ৰীমন্ত পাটৰক দায়িত্ব প্ৰদান কৰা হয়। সহকাৰী সম্পাদক ক্ৰমে শশাংক শইকীয়া, পুলক মণি বৰা, দিলীপ কুমাৰ বৰা আৰু আমিৰ হুছেইন। সাংগঠনিক সম্পাদক ৰঞ্জিত পাটৰ, ৰাজ্যিক সদস্য ক্ৰমে স্বপন নাথ, সূৰ্যকান্ত বৰা আৰু পুতুলী দেৱী। হিচাপ পৰীক্ষকসকল ৰঞ্জিত দাস, এমদাদুল হক, ইমৰান হুছেইন আৰু গণেশ হীৰা। কাৰ্যালয় সম্পাদক কিশোৰ মজুমদাৰ আৰু কাৰ্যালয় পৰিচালিকা মিনু বৰাকলৈ নতুন সমিতিখনে কাৰ্যভাৰ গ্ৰহণ কৰে। বিয়লি ১ বজা মুকলি সভাত সভাপতিত্ব কৰে প্ৰফুল্ল বৰাই। সভাৰ আৰম্ভণি গীত পৰিৱেশন কৰে প্ৰধান শিক্ষয়িত্ৰী পুতুলী দেৱী আৰু সংগী শিক্ষয়িত্ৰী সকলে। সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে নগাঁও মহকুমাৰ উপ-পৰিদৰ্শক সিদ্ধাৰ্থ কুমুদ গগৈয়ে। নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে সৰ্বভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ সদস্য তথা নগাঁৱৰ সমন্বয়ক পৰেশ বৰাই। আমন্ত্ৰিত অতিথি হিচাপে ভাষণ প্ৰদান কৰে কঠীয়াতলি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া শংকৰ ছেত্ৰীয়ে। সভাত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কঠীয়াতলি প্ৰেছ ক্লাবৰ সভাপতি ঘনকান্ত বৰা, পিএমশ্ৰী কঠীয়াতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সন্ধ্যা বেজবৰা, নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি অতুল বৰা আৰু ইব্ৰাহিম আলী, নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক বিকাশ মজুমদাৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কিৰণ চন্দ্ৰ বৰদলৈ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰূপৰাম নাথ, সন্মিলনীৰ কাৰ্যকৰী সদস্য টংকেশ্বৰ লস্কৰ। সভাপতি প্ৰফুল্ল বৰাই নতুন সমিতিখনে শিক্ষক সকলৰ আশা আকাংক্ষা পূৰণৰ ক্ষেত্ৰত কাম কৰি যোৱাৰ আহ্বান জনায়। দূৰ-দূৰণিৰ পৰা কঠীয়াতলিত অনুষ্ঠিত কৰা দ্বি-বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰি আয়োজক সমিতিক কৃতাৰ্থ কৰা সন্মানীয় অতিথিসকল আৰু বিভিন্ন শিক্ষাখণ্ডৰ পৰা তীব্ৰ গৰমকো নেওচি অধিবেশনত অংশগ্ৰহণ কৰি অনুষ্ঠান সাফল্যমণ্ডিত কৰা বাবে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায় কঠীয়াতলি খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি স্বপন নাথে।

## অসমৰ বোলছবি জগতৰ বিশিষ্ট অভিনেত্ৰী চেতনা দাসলৈ কলা শিৰোমণি সন্মান

# নটৰাজ কলা কেন্দ্ৰৰ উদ্যোগত শুৱালকুছি কলা মহোৎসৱৰ বিশেষ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ জুলাই ঃ** বিগত বছৰ সমূহৰ দৰে এইবেলিও শুৱালকুছি নটৰাজ কলা কেন্দ্ৰ আৰু ৰাইভি ইণ্টাৰনেচনেল সংস্থাৰ সহযোগত অহা ১৭ জুলাই শুক্ৰবাৰ আৰু ১৮ জুলাই শনিবাৰে দুদিনীয়াকৈ শুৱালকুছি কলা মহোৎসৱ অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলাইছে উদ্যোক্তা সমিতিয়ে। শুৱালকুছি প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া এই কলা মহোৎসৱৰ লগত সংগতি ৰাখি ২০১১ চনৰ পৰা সত্ৰীয়, সংস্কৃতি, নাট, লোকশিল্পী, গণশিল্পী, অভিনয়, শিপিনী, সংবাদ জগত, গৱেষক, কৃষক, চিকিৎসা সেৱা, সাহিত্যকে ধৰি সমাজৰ বিভিন্ন সেৱাত জড়িত লোকসকলক বঁটা প্ৰদানৰ জৰিয়তে উৎসাহ আগবঢ়াই অহা হৈছে। বিগত বছৰ সমূহৰ দৰে এইবেলিও "শুৱালকুছি কলা সন্মান", "শুৱালকুছি কলা শিৰোমণি", "শুৱালকুছি গ্ৰাম্যসূৰ্য সন্মান" আৰু "শুৱালকুছি নটৰাজ কলা ৰত্ন" সন্মান নামেৰে চাৰিটাকৈ বিশেষ বঁটা প্ৰদানৰ বাবে কেইবাগৰাকীও ব্যক্তিক বাছনি কৰা হৈছে। "শুৱালকুছি নটৰাজ কলা ৰত্ন সন্মান"ৰ বাবে বাছনি কৰা হৈছে ক্ৰমে প্ৰবাসী ভাৰতীয় তথা আমেৰিকা নিবাসী বিশিষ্ট শাস্ত্ৰীয় সংগীত শিল্পী সুনিতা ত্ৰিকাৰে, শাস্ত্ৰীয় সংগীত শিল্পী পংকজ নমো: সুদ্ৰ, লোকশিল্পী ধনজিৎ দত্ত, ভোজপুৰী অভিনেতা সুনিল দত্ত আৰু লোকশিল্পী ৰূপম ডেকাক। শুৱালকুছি গ্ৰাম্য সূৰ্য সন্মানৰ বাবে বাছনি কৰা হৈছে হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ দাসক, "শুৱালকুছি কলা শিৰোমণি" সন্মানৰ বাবে বাছনি কৰা হৈছে অসমীয়া ছৱিজগতৰ বিশিষ্ট বৰ্ষীয়ান অভিনেত্ৰী চেতনা দাস, সংগীত নাটক একাডেমী বঁটা প্ৰাপক তথা দূৰদৰ্শন কেন্দ্ৰৰ বিশিষ্ট শিল্পী ৰাম কৃষ্ণ তালুকদাৰ আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী ৰিঞ্জু মণি শইকীয়াক। আনহাতে শুৱালকুছি কলা সন্মানৰ বাবে বাছনি কৰা হৈছে কবি সাহিত্যিক ভাগৱতী বাপ মলিন কলিতা, বিশিষ্ট সমাজকৰ্মী, প্ৰযোজক হেমন্ত কলিতা আৰু জেষ্ঠ্য সাংবাদিক কনক বৈশ্যক।

# বৰহাপজানৰ কেছেৰুগুৰিত তিনিদিনীয়া বিনামূলীয়া শিশু-গীতৰ কৰ্মশালাৰ সফল সামৰণি



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৬ জুলাই ঃ** চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰঙাজানস্থিত 'শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণ শিশু উন্নয়ন পুঁজি'ৰ সৌজন্যত বৰহাপজান স্বৰ্ণ শাখা সাহিত্য সভাৰ উদ্যোগত বৰহাপজানৰ কেছেৰুগুৰি কৰম ভৱন প্ৰাঙ্গণত যোৱা ১৩ জুলাইৰ পৰা অনুষ্ঠিত হোৱা তিনিদিনীয়া বিনামূলীয়া শিশু গীতৰ কৰ্মশালাখনিৰ আজি সফল সামৰণি পৰে। এই কৰ্মশালাত অঞ্চলটোৰ ৩৫ গৰাকী ১৪ বছৰ অনুৰ্দ্ধ শিশোৱে অংশগ্ৰহণ কৰে। শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণে প্ৰশিক্ষণ আগবঢ়োৱা উক্ত কৰ্মশালাত কণকণ শিশুসকলে বহুকেইটা শিশু গীত শিকিবলৈ সক্ষম হয়। আজি অনুষ্ঠিত সামৰণি অনুষ্ঠানত কণকণ শিশুসকলে সুন্দৰভাৱে শিশু গীত পৰিৱেশন কৰি সামৰণি অনুষ্ঠানটো জীপাল কৰি তোলে। বৰহাপজান স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি মহেশ ৰাম গোৱালা আৰু সম্পাদিকা লিলিমা দুৱৰাই আঁত ধৰা অনুষ্ঠানত স্থানীয় বিশিষ্ট সমাজসেৱক ৰাজু শৰ্মা, বৰহাপজান গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যা কেবাশ্ৰী গঞ্জু, স্বাস্থ্যকৰ্মী নৱজ্যোতি শৰ্মাকে আদি কৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণৰ লগতে বিশিষ্ট সমাজসেৱক ৰাজু শৰ্মা আৰু বৰহাপজান স্বৰ্ণ শাখা সাহিত্য সভাৰ উপ-সভাপতি দ্বীপেন আৰন্ধৰাই বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ সামৰণিত প্ৰশিক্ষাৰ্থী শিশুসকলক একোখনকৈ অংশগ্ৰহণৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে, দেশৰ ধৰণীস্বৰূপ কণকণ শিশুসকলক চৌষষ্ঠি কলাৰ শ্ৰেষ্ঠ সংগীত কলাৰে পৰিপুষ্ট কৰি ভৱিষ্যত এখন সুস্থ আৰু নিকা সমাজ গঢ় দিয়াৰ উদ্দেশ্যেৰে চলিত গ্ৰীষ্মকালীন বন্ধৰ প্ৰথম সপ্তাহৰ পৰা শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণ শিশু উন্নয়ন পুঁজিৰ উদ্যোগত তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৰঙাজান, কৈলাসপুৰ কেছেৰুগুৰি আদি ঠাইত ইতিমধ্যে এই বিনামূলীয়া শিশু গীতৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ বিপৰীতে চলিত মাহত জিলাখনৰ বিভিন্ন ঠাইত উক্ত শিশু গীতৰ কৰ্মশালাৰ আয়োজন কৰিছে বিশিষ্ট শিশুসেৱক তথা সদৌ অসম মইনা পাৰিজাতৰ দ্বাৰা "শিশু ভাস্কৰ" উপাধিৰে বিভূষিত হেমন্ত ৰাজ মৰাণে। কণকণ শিশুসকলক সংগীতেৰে পৰিপুষ্ট কৰি তোলাৰ লক্ষ্যৰে বিগত সময়তো অসমৰ বিভিন্ন ঠাইত শিশু গীতৰ কৰ্মশালা অনুষ্ঠিত কৰি আহিছে শিশুক মনে-প্ৰাণে ভাল পোৱা, শিশুসকলৰ কল্যাণৰ বাবে নিজৰ কষ্টোপাৰ্জিত ধন খৰচ কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰা ডুমডুমাৰ ৰঙাজানৰ শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণে।

# নাৰ্য্য প্ৰাপ্তিৰ দাবীত সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ আজিৰে পৰা দুদিনীয়া সৰ্বাত্মক কৰ্ম বিৰতি

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৬ জুলাই ঃ** বৰপেটা ন্যায়িক জিলা চৌহদত বৰপেটা ন্যায়িক কৰ্মচাৰী সকলে নিজ কৰ্তব্য পালন কৰাৰ পৰিৱৰ্তে বহি পৰিল কৰ্ম বিৰতিত। দীৰ্ঘদিনীয়া দাবী সমাধানৰ বাবে ওপৰ মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এইদৰে পালন কৰিলে দুদিনীয়া কৰ্মবিৰতি। তেওঁলোকৰ দাবী সমূহ হ'ল মাননিয় চেট্টী আয়োগৰ পৰামৰ্শ অনুসৰি অসমৰ ন্যায়িক কৰ্মচাৰীৰ সেৱা বিধি (Service Rule) প্ৰকাশ কৰা। নতুনকৈ গঠন হোৱা ন্যায়িক জিলা সমূহৰ বাদে পুৰণি জিলা সমূহত Bench Clerk Grd-I, II, III পদ সৃষ্টি কৰা। ষ্টেন'গ্ৰাফাৰ, গাড়ীচালক, ৰেকৰ্ড কীপাৰ আদি কৰ্মচাৰীসকলৰ বিশেষ বানচ প্ৰদান কৰা। লোক আদালতৰ কামত নিযুক্ত কৰ্মচাৰীক মূল বেতনৰ ৫ শতাংশ হাৰত পাৰিতোষিক প্ৰদান কৰা। ROP-2017 ত ন্যায়িক কৰ্মচাৰীৰ দৰমহা গাঁঠনিৰ অসোঁৱাহ সমূহ দূৰ কৰা। অসমৰ মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধীকৰণৰ লগতে যি কেইখন জিলাত এতিয়ালৈকে মুখ্য সহায়ক পদ, চিৰস্তাদাৰ-দেৱানী আদালত (জ্যেষ্ঠ-কনিষ্ঠ), উচ্চ বৰ্গ সহায়ক, গাণনিক, প্ৰটকল অফিছাৰ আদি পদসমূহ সৃষ্টি কৰা। পদ অনুসৰি স্নাতক হাৰত (Grade Pay-8700) দৰমহা প্ৰদান কৰা। জাৰিকাৰক সকলৰ স্থায়ী ভ্ৰমণ বানচ (Fixed TA) বৃদ্ধি কৰা। ন্যায়িক বিষয়াসকলৰ দৰে ন্যায়িক কৰ্মচাৰী সকলৰো চিকিৎসা ব্যয় (Medical Reimbursement) ওভতাই পোৱাৰ ব্যৱস্থা কৰা। সকলো NPS কৰ্মচাৰীক OPS ৰ আওতাত অনা আদি দাবী সমূহক লৈ কৰ্ম বিৰতিত বহে।

# কলগাছিয়াৰ বিলৰটাৰীত ড্ৰাগছ বিৰোধী সজাগতা সভা

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৬ জুলাই ঃ** সমাজৰ পৰা ড্ৰাগছ, মদ, ভাং, জুৱা তথা অন্যান্য অসামাজিক কাৰ্যকলাপ উৎখাত কৰাৰ লক্ষ্যৰে বৰপেটা জিলাৰ কলগাছিয়াৰ বিলৰটাৰীত এক সজাগতা সভা অনুষ্ঠিত হয়। দেউকুৰা, মনাকচা, ডিমাপুৰ আৰু বিলৰটাৰী- এই চাৰিখন গাঁওক সামৰি গঠন কৰা ড্ৰাগছ বিৰোধী কমিটিৰ উদ্যোগত সভাখনৰ আয়োজন কৰা হয়। কমিটিৰ সভাপতি আবুল কাশেমৰ সভাপতিত্বত অনুষ্ঠিত সভাত ড্ৰাগছৰ কু-প্ৰভাৱ, মাদকাসক্তিৰ ফলত সমাজ আৰু পৰিয়ালত সৃষ্টি হোৱা নেতিবাচক পৰিস্থিতি, লগতে মদ, ভাং, জুৱা আৰু অন্যান্য অসামাজিক কাৰ্যকলাপৰ ভয়াবহ পৰিণতি সন্দৰ্ভত বিস্তৃতভাৱে সজাগতা সৃষ্টি কৰা হয়। সভাত উপস্থিত ৰাইজে সমাজৰ পৰা মাদক দ্ৰব্য আৰু অসামাজিক কাৰ্যকলাপ নিৰ্মূল কৰিবলৈ সজাগ নাগৰিক হিচাপে একত্ৰিতভাৱে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বক্তাসকলে বিশেষকৈ যুৱ প্ৰজন্মক ড্ৰাগছৰ কবলৰ পৰা সুৰক্ষিত ৰাখিবলৈ অভিভাৱক, সমাজ আৰু স্থানীয় সংগঠনসমূহক অধিক সক্ৰিয় ভূমিকা গ্ৰহণৰ আহ্বান জনায়। অনুষ্ঠানৰ শেষত ড্ৰাগছমুক্ত, সুস্থ আৰু সুশৃংখল সমাজ গঢ়ি তোলাৰ লক্ষ্যৰে সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰাৰ সংকল্প গ্ৰহণ কৰে।

# অভয়াপুৰী বাপুজী হাইস্কুলত অসম চৰকাৰৰ গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু বঙাইগাঁও জিলা প্ৰশাসনৰ সহযোগত অভয়াপুৰী কলা পৰিষদে আজিৰে পৰা অভয়াপুৰী বাপুজী হাইস্কুলত আয়োজন কৰিছে গ্ৰীষ্মকালীন কৰ্মশালা-২০২৬.অভয়াপুৰী বিধান সভা সমষ্টি ভিত্তিত অনুষ্ঠিত হোৱা কৰ্মশালা খনত বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অৰ্ধ শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সত্ৰীয়া নৃত্য, ভূপেন্দ্ৰ সংগীত, সৃষ্টিশীল নৃত্য আৰু যোগাসনৰ ওপৰত আজিৰে পৰা ২৯ জুলাইলৈ প্ৰশিক্ষণ লব। উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাবে সেৱা আগবঢ়াব ক্ৰমে - গুৰুৰাম দাস আৰু জ্যোতিস্মীতা ৰাগিনীয়ে। কাৰ্যসূচীৰ আৰম্ভণিতে কৰ্মশালাখন বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে সৃজনগ্ৰাম শিক্ষা খণ্ডৰ শিক্ষা বিষয়া নৱজিৎ বায়নে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলী নিবেদন কৰে অভয়াপুৰীৰ জেষ্ঠ নাগৰিক অনুকূল নাথে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে- বিশিষ্ট সমাজকৰ্মী তথা কলা পৰিষদৰ সভাপতি উজ্জ্বল কান্তি ৰায়, অভয়াপুৰী বাপুজী হাইস্কুলৰ প্ৰধান শিক্ষক দীপক শৰ্মা, জেএনএম ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আদি উপস্থিত থাকি বিষয় বস্তুৰ ওপৰত ভাষণ দিয়ে।

## অষ্টম সদৌ অসম চটকান কেৰাটে চেম্পিয়নশ্বিপত সোণৰ পদক লাভ নিবিড় আকাশ শইকীয়াৰ

# যোৰহাট চেণ্ট্ৰেল কেৰাটে একাডেমীৰ খেলুৱৈৰ সাফল্য

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুলাই ঃ** যোৰহাটত ৪ আৰু ৫ জুলাইত অনুষ্ঠিত হোৱা অষ্টম সদৌ অসম চটকান কেৰাটে চেম্পিয়নশ্বিপ-২০২৬-ত উজ্জ্বল সফলতা অৰ্জন কৰিছে যোৰহাট চেণ্ট্ৰেল কেৰাটে একাডেমীৰ খেলুৱৈ নিবিড় আকাশ শইকীয়াই। প্ৰতিযোগিতাখনৰ ৯ বছৰৰ অনুৰ্দ্ধৰ পুৰুষ ২৫ কেজি ওজন শাখাত অসাধাৰণ প্ৰদৰ্শন আগবঢ়াই তেওঁ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, নিবিড় আকাশে যোৰহাট চেণ্ট্ৰেল কেৰাটে একাডেমীৰ মুখ্য প্ৰশিক্ষক বিজয় বৰা আৰু ৰমানুজ বৰাৰ তত্ত্বাৱধানত নিয়মীয়াকৈ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। তেওঁলোকৰ দিক-নিৰ্দেশনা আৰু নিবিড়ৰ কঠোৰ অনুশীলনৰ ফলস্বৰূপে এই উল্লেখযোগ্য সফলতা লাভ কৰা বুলি একাডেমীৰ সূত্ৰই জানিবলৈ দিয়ে। নিবিড় আকাশ শইকীয়া যোৰহাট আৰ্মি পাব্লিক স্কুলৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। তেওঁ এসময়ৰ মাজুলীৰ ওপৰকাটনি গাঁৱৰ বৰ্তমান যোৰহাট জিলাৰ ঢাপকটা মিলনপুৰ গাঁৱৰ নিবাসী, বিশিষ্ট শৰীৰ চৰ্চাবিদ ৰঞ্জিত শইকীয়া আৰু জানমণি বৰা শইকীয়াৰ একমাত্ৰ পুত্ৰ। নিবিড়ৰ এই সাফল্যত পৰিয়ালবৰ্গ, প্ৰশিক্ষক, একাডেমীৰ বিষয়ববীয়া আৰু ক্ৰীড়াপ্ৰেমী সকলে আনন্দ প্ৰকাশ কৰাৰ লগতে আগন্তুক দিনত ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো অধিক সাফল্য অৰ্জনৰ বাবে শুভকামনা জনাইছে।

## দুই কনিষ্ঠ ভাতৃৰ প্ৰহাৰত মৃত্যু জেষ্ঠ্য ভাতৃৰ; এগৰাকী মহিলাক গ্ৰেপ্তাৰ, ৬ অভিযুক্ত পলাতক

# লাহৰীঘাটৰ অমৰাগুৰিত জঘন্য হত্যাকাণ্ড

**অসম বাৰ্তা, লাহৰীঘাট, ১৬ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত সংঘটিত হয় এক জঘন্য হত্যাকাণ্ড। হত্যাকাণ্ডটোত প্ৰাণ হেৰুৱাই এজনে। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত অমৰাগুৰিত সোমবাৰে বিয়লি ভাগত সংঘটিত হয় এই জঘন্য হত্যাকাণ্ডটো। পৰিয়ালৰ মাজত হোৱা কাজিয়াত প্ৰাণ হেৰুৱাই জাকিৰ হুছেইন নামৰ লোকজনে। দুই কনিষ্ঠ ভাতৃ আৰু আন কেইজনমান সদস্যৰ প্ৰহাৰত প্ৰাণ হেৰুৱাবলগীয়া হয় জেষ্ঠ্য ভাতৃ জাকিৰ হুছেইনে। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি, অসামাজিক কাৰ্যত বাধা দিয়াৰ অভিযোগত কনিষ্ঠ ভাতৃ ইমান আলী আৰু হুছেইন আলীৰ নেতৃত্বত কেইবাগৰাকী মহিলাৰ দলবদ্ধ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় জাকিৰ হুছেইন। আঘাতপ্ৰাপ্ত জাকিৰ হুছেইনক ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হয় যদিও আধাবাটতে মৃত্যু হয়। এই হত্যাকাণ্ড সন্দৰ্ভত নবী হুছেইন নামৰ লোক জনে লাহৰীঘাট আৰক্ষী থানাত ইতিমধ্যে ৭ জনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ থকা অনুসৰি সমগ্ৰ হত্যাকাণ্ডটো এই সাত জনৰ নেতৃত্বত সংঘটিত হৈছিল। হত্যাকাণ্ডটো জড়িত থকা সকল ক্ৰমে ইমান আলী, হুছেইন আলী, আছমিনা খাতুন, কমলা খাতুন, মাৰুফা বেগম(খাতুন), শ্বৰিফা খাতুন, ছাজিদা খাতুন। অভিযুক্ত সাতজনৰ পৰা ইতিমধ্যে লাহৰীঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে মাৰুফা বেগম (খাতুন)ক। বাকী অভিযুক্ত কেইজন বৰ্তমান পলাতক অৱস্থাত আছে যদিও আৰক্ষীৰ অভিযান অব্যাহত আছে।

# কাছাৰৰ গুমৰা দলং বিকল, ৰাষ্ট্ৰীয় ঘাইপথত আবদ্ধ শ শ লৰী; চালক সকলৰ কাষত আৰক্ষী আৰু সাংবাদিক

**অসম বাৰ্তা, শিলচৰ, ১৬ জুলাই ঃ** দীৰ্ঘদিন ধৰি ৰাষ্ট্ৰীয় ঘাইপথত আবদ্ধ হৈ থকা মালবাহী লৰীৰ চালকসকলৰ দুৰ্দশাৰ সময়ত এইবাৰ মানৱীয় সহায়ৰ হাত আগবঢ়ালে গুমৰা আৰক্ষী আৰু স্থানীয় সংবাদকৰ্মীসকলে। মঙলবাৰে যৌথ উদ্যোগত আবদ্ধ হৈ থকা লৰী চালকসকলৰ মাজত ৰন্ধা ভাত আৰু বিশুদ্ধ খোৱাপানী বিতৰণ কৰা হয়। কাছাৰৰ গুমৰা দলং বিকল হৈ পৰাৰ ফলত ৬নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে মালবাহী লৰীৰ চলাচল দীৰ্ঘদিন ধৰি ব্যাহত হৈ আছে। ইয়াৰ ফলত গুমৰাৰ পৰা মালিডহৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্থানত শ শ মালবাহী লৰী আবদ্ধ হৈ পৰিছে। দিনে দিনে পথতে অপেক্ষা কৰিবলগীয়া হোৱাত চালকসকল চৰম দুৰ্ভোগৰ সন্মুখীন হৈছে। বিশেষকৈ খাদ্য আৰু বিশুদ্ধ খোৱাপানীৰ সংকটে তেওঁলোকৰ সমস্যা অধিক বৃদ্ধি কৰিছে। এই পৰিস্থিতিত লৰী চালকসকলৰ দুৰ্দশা প্ৰত্যক্ষ কৰি আগবাঢ়ি আহে গুমৰা আৰক্ষী আৰু স্থানীয় সাংবাদিকসকল। তেওঁলোকৰ যৌথ ব্যৱস্থাপনাত মঙলবাৰে চালকসকলৰ হাতত খাদ্য আৰু বিশুদ্ধ খোৱাপানী তুলি দিয়া হয়। দীৰ্ঘ অপেক্ষা আৰু অনিশ্চয়তাৰ মাজত এই সহায় লাভ কৰি স্বস্তি প্ৰকাশ কৰে লৰী চালকসকলে। দুৰ্দিনত আবদ্ধ হৈ থকা চালকসকলৰ কাষত থিয় দি গুমৰা আৰক্ষী আৰু সংবাদকৰ্মীসকলে গ্ৰহণ কৰা এই মানৱীয় উদ্যোগে অঞ্চলটোৰ সাধাৰণ ৰাইজৰো প্ৰশংসা লাভ কৰিছে। স্থানীয় ৰাইজে তেওঁলোকৰ এই উদ্যোগক সাধুবাদ জনাইছে।

# ৰাজহুৱা স্বাৰ্থত ভূমি সমৰ্পণ কৰাৰ বিনিময়ত তিনিচুকীয়াৰ মনোৰম ফুকনক 'হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ প্ৰমাণপত্ৰ' প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ জুলাই ঃ** তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সভাপতি কাজল গোহাঁই আৰু তিনিচুকীয়া জিলা আয়ুক্ত সুমিত ছাত্তাৱানে আজি পোনপ্ৰথমবাৰৰ বাবে ৰাজহুৱা স্বাৰ্থত স্ব-ইচ্ছাই ভূমি সমৰ্পণ কৰাৰ বিনিময়ত তিনিচুকীয়া মাষ্টৰ প্লেন এৰিয়াৰ অন্তৰ্গত বাইপাছ ৰোড ওকণিমুৰীয়া বঙালী গাঁৱৰ নিবাসী মনোৰম ফুকনক "হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ প্ৰমাণপত্ৰ" প্ৰদান কৰে। উল্লেখযোগ্য যে, নৰ্দমা নিৰ্মণৰ বাবে মনোৰম গগৈয়ে ৭১.৩৭ বৰ্গ মিটাৰ ভূমি তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণক সমৰ্পণ কৰিছিল। ইয়াৰ বিনিময়ত "হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ (TDR) নীতি অনুসৰি ১৪২.৭৪ বৰ্গ মিটাৰ আৰু উৎসাহমূলক ২.৪২ বৰ্গ মিটাৰ সহ মুঠ ১৪৫.১৬ বৰ্গ মিটাৰ TDR (হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ) লাভ কৰিছে। উল্লেখযোগ্য যে, ৰাজহুৱা স্বাৰ্থ আৰু নগৰীকৰণ প্ৰক্ৰিয়াক ক্ষিপ্ৰতৰ কৰাৰ লক্ষ্যৰে চৰকাৰে ভূমি অধিগ্ৰহণৰ বিপৰীতে ভূমি মালিকসকলক ক্ষতিপূৰণ প্ৰদানৰ বাবে এক বিশেষ নীতি গ্ৰহণ কৰিছে। এই নীতিৰ অধীনত ভূমিৰ মালিকে লাভ কৰিব হস্তান্তৰযোগ্য উন্নয়নৰ অধিকাৰ (Transferable Development Rights - TDR) প্ৰমাণপত্ৰ। "হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ প্ৰমাণপত্ৰ" হৈছে ভূমি সমৰ্পণ কৰা মালিকসকলক প্ৰদান কৰা এক বিশেষ ক্ষতিপূৰণ। এই প্ৰমাণপত্ৰখনত মাটিৰ মালিকে লাভ কৰা মজিয়া এলেকাৰ অনুপাত (FAR) বৰ্গমিটাৰ এককত স্পষ্টকৈ উল্লেখ থাকিব। আনহাতে, আইনগতভাৱে নতুন পথ নিৰ্মাণ অথবা বৰ্তমানৰ পথ বহল কৰাৰ বাবে, মাষ্টাৰ প্লেন (Master Plan) অনুসৰি সংৰক্ষিত থকা গোটা আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰ বা পানী যোগান কেন্দ্ৰ আদি নিৰ্মাণৰ বাবে, জলাশয়ৰ উন্নয়নৰ বাবে তথা জনসাধাৰণৰ বাবে সুলভ মূল্যৰ গৃহ (Affordable Housing) নিৰ্মাণৰ অৰ্থে মাটি সমৰ্পণ কৰিলেহে ভূমিৰ মালিকে "হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ প্ৰমাণপত্ৰ" লাভ কৰাৰ বাবে



যোগ্য বিবেচিত হ'ব। এই নতুন ব্যৱস্থাই ভূমি মালিকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে জনকল্যাণমূলক কাম-কাজসমূহ অধিক খৰতকীয়া কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। মাষ্টাৰ প্লেন (Master Plan) অনুসৰি ভূমি মালিকসকলে নন-চিবিডি এলেকাত (কেন্দ্ৰীয় ব্যৱসায়িক এলেকাৰ বহিৰ্ভাগ) সমৰ্পণ কৰা ভূমিৰ মুঠ মাটিকালিৰ ২ গুণ আৰু চিবিডি এলেকাত (কেন্দ্ৰীয় ব্যৱসায়িক এলেকা) সমৰ্পণ কৰা ভূমিৰ মুঠ মাটিকালিৰ ৩ গুণ "হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ প্ৰমাণপত্ৰ" লাভ কৰিব। তদুপৰি এই নীতি আনুষ্ঠানিকভাৱে অধিসূচনা (Notification) জাৰি কৰা তাৰিখৰ পৰা ১ বছৰৰ ভিতৰত ১০ শতাংশ, ২ বছৰৰ ভিতৰত ৮ শতাংশ, ৩ বছৰৰ ভিতৰত ৫ শতাংশ আৰু ৫ বছৰৰ ভিতৰত ৩ শতাংশ অতিৰিক্ত উদগনিমূলক TDR লাভ কৰিব পাৰিব। ভূমিৰ মালিকে লাভ কৰা "হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ প্ৰমাণপত্ৰ" নিজৰ বৈধ উত্তৰাধিকাৰী বা পৰিয়ালৰ লোকৰ নামলৈ হস্তান্তৰ কৰিব পাৰিব অথবা প্ৰয়োজন সাপেক্ষে এই প্ৰমাণপত্ৰখন যিকোনো তৃতীয় ব্যক্তিৰ ওচৰতো বিক্ৰী বা হস্তান্তৰ কৰিব পাৰিব।

# নগাঁও উকীল সন্থাৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬জুলাই ঃ** নগাঁও জিলাৰ নগাঁও উকীল সন্থাৰ নতুন সমিতিখন আজি এখন সভাৰ জৰিয়তে গঠন কৰা হয়। সেই মৰ্মে, গংগাবল্লভ গোস্বামীক সভাপতি, আলোক গোস্বামীক উপ-সভাপতি, অজিত কুমাৰ বৰাক সম্পাদক, ইমদাদ নবী, কুমকুম মহন্ত, নিপুল শৰ্মাক সহঃসম্পাদক হিচাপে লৈ ২৩ জনীয়া সমিতিখন নিৰ্বাচন প্ৰক্ৰিয়াৰ মাজেৰে বাছনি কৰা হয়। আনুষ্ঠানিকভাৱে উক্ত নিৰ্বাচিত সমিতিখনক আজি দায়িত্বভাৰ অৰ্পণ কৰা হয়। উল্লেখ্য যে, নগাঁও উকীল সন্থাৰ মাজত জনপ্ৰিয় হিচাপে পৰিচিত অজিত কুমাৰ বৰা এইবাৰ সপ্তমবাৰৰ বাবে সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাত সন্থাই আনন্দ প্ৰকাশ কৰিছে।

# আই আই টি খড়্গপুৰৰ পৰা ৰূপৰ পদকসহ এম.টেক. ডিগ্ৰী লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে হেইক্ৰুজাম দুশান সিংহে

**অসম বাৰ্তা, ৰহা, ১৬ জুলাই ঃ** গুৱাহাটীৰ জু-ৰোডস্থিত বেলতলা পথৰ বাসিন্দা হেইক্ৰুজাম প্ৰিয়কুমাৰ সিংহ আৰু হেইক্ৰুজাম নুংশানা চানুৰ পুত্ৰ হেইক্ৰুজাম দুশান সিংহে দেশৰ অন্যতম শ্ৰেষ্ঠ উচ্চ শিক্ষানুষ্ঠান ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান (Indian Institute of Technology - IIT), খড়্গপুৰৰ পৰা যান্ত্ৰিক অভিযান্ত্ৰিকী (Mechanical Engineering) বিষয়ত মাষ্টাৰ অৱ টেকন'লজি (M.Tech) ডিগ্ৰী ৰূপৰ পদক (Silver Medal) সহ কৃতিত্বৰে লাভ কৰি পৰিয়াল, আত্মীয়-স্বজন, শুভাকাংক্ষী তথা সমগ্ৰ অসমবাসীৰ বাবে এক গৌৰৱোজ্জ্বল মুহূৰ্ত কঢ়িয়াই আনিছে। এই অসামান্য কৃতিত্ব তেওঁৰ অদম্য অধ্যৱসায়, প্ৰখৰ মেধা, একাগ্ৰতা, শৃংখলাবদ্ধ সাধনা আৰু উৎকৰ্ষ সাধনৰ প্ৰতি অবিচল নিষ্ঠাৰ এক উজ্জ্বল নিদৰ্শন। দেশৰ অন্যতম শ্ৰেষ্ঠ শিক্ষানুষ্ঠানত এনে সাফল্য অৰ্জনে কেৱল তেওঁৰ ব্যক্তিগত গৌৰৱেই নহয়, অসমৰ শিক্ষাৰ্থী সমাজৰ বাবেও এক প্ৰেৰণাদায়ক দৃষ্টান্ত স্থাপন কৰিছে। এই সফলতাই আগন্তুক প্ৰজন্মক উচ্চ লক্ষ্য স্থিৰ কৰি নিষ্ঠা, অধ্যৱসায়, পৰিশ্ৰম আৰু আত্মবিশ্বাসেৰে আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰা হৈছে। তেওঁৰ এই গৌৰৱময় সাফল্য উপলক্ষে পৰিয়ালবৰ্গই গভীৰ আনন্দ প্ৰকাশ কৰাৰ লগতে তেখেতৰ সুস্বাস্থ্য, উজ্জ্বল কৰ্মজীৱন, সুনাম আৰু জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ক্ৰমবৰ্ধমান সফলতা কামনা কৰিছে। লগতে এই সাফল্যৰ পথত আশীৰ্বাদ, শিক্ষা, পথ নিৰ্দেশনা, প্ৰেৰণা আৰু সহযোগিতা আগবঢ়োৱা সকলো শিক্ষক-শিক্ষয়িত্ৰী, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু শুভাকাংক্ষী সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত ৰূপাই জাতীয় বিদ্যালয়ত শিক্ষামূলক অনুষ্ঠান




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতি আৰু জাতীয় মহিলা পৰিষদৰ বিজয়নগৰ শাখা সমিতিৰ উদ্যোগত আজি ৰূপাই জাতীয় বিদ্যালয়ত শিক্ষামূলক যাত্ৰাৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। শৈক্ষিক সজাগতাৰ লক্ষ্যৰে "আমাৰ বিদ্যালয়, আমাৰ গৌৰৱ" নামেৰে পৰিষদৰ দ্বাৰা আয়োজিত এই শিক্ষামূলক যাত্ৰা অনুষ্ঠানটি যুটীয়াভাৱে সভাপতিত্ব কৰে পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি হীৰকজ্যোতি মৰাণ আৰু জাতীয় মহিলা পৰিষদৰ বিজয় নগৰ শাখা সমিতিৰ সভানেত্ৰী ৰুবী কোঁৱৰে। অনুষ্ঠানটোৰ আঁত ধৰে পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা ডুমডুমা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্ত, ডুমডুমা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰাতুল গগৈ, ৰূপাই জাতীয় বিদ্যালয়ৰ অধ্যক্ষ তথা সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, জাতীয় মহিলা পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদিকা পূৰৱী তালুকদাৰ উপস্থিত থাকে। বিদ্যালয়ৰ শিক্ষক, শিক্ষয়িত্ৰী, অভিভাৱক, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকা এই অনুষ্ঠানতেই এইবৰ্ষৰ ২০২৬ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বিদ্যালয়খনৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে নৱম আৰু দশম ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ শুভেচ্ছামূলকভাৱে একোখনকৈ বহী আৰু একোটাকৈ কলম প্ৰদান কৰা হয়। অনুষ্ঠানটো বিশেষ অনন্য, অভিনৱ বুলি বিদ্যালয়খনৰ অধ্যক্ষ আৰু অতিথিসকলে মন্তব্য আগবঢ়ায় আৰু জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ এনে পদক্ষেপৰ শলাগ লয়। পৰিষদে ভৱিষ্যতেও এনেধৰণৰ শৈক্ষিক পদক্ষেপ অব্যাহত ৰাখিব বুলি সংগঠনটোৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়ে।

# অস্বাভাৱিক পৌৰ কৰ বৃদ্ধিৰ প্ৰতিক্ৰিয়া গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুলাই ঃ** গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ সভাপতি ডাঃ অজিত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা জৰুৰী কাৰ্যনিৰ্বাহকৰ সভাই গোলাঘাট পৌৰসভাই এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ ওপৰত অস্বাভাৱিকভাৱে পৌৰকৰ বৃদ্ধি কৰাৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। সভাই মত পোষণ কৰে যে ১৩০ বছৰ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত সাংস্কৃতিক অনুষ্ঠানটোক বাণিজ্যিক প্ৰতিষ্ঠান হিচাপে গণ্য কৰা কাৰ্য কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। উল্লেখ্য যে পৌৰসভাই বৃদ্ধি কৰা কৰৰ শতাংশ এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ ছ'চাইটিৰ তিনিটা ঘৰৰ বাবদ সামগ্ৰিকভাৱে প্ৰায় ৫০০ শতাংশ। কাৰ্যনিৰ্বাহক সভাই সমগ্ৰ বিষয়টো পৌৰ আইন পৰিপন্থী হিচাপে অভিহিত কৰাৰ লগতে অনতি বিলম্বে এই বৃদ্ধি উঠাই ল'বলৈ দাবী জনায়। পৌৰ আইনৰ সুনিৰ্দিষ্ট ধাৰামতে এনে ধৰণৰ অপেচাদাৰী ৰাজহুৱা অনুষ্ঠানবোৰক পৌৰ কৰৰ পৰা ৰেহাই দিব লাগে যদিও এমেচাৰ থিয়েটাৰ চ'চাইটিয়ে বছেৰেকত ১৫,০০০ টকা পৌৰকৰ হিচাপে দি আহিছে। বৰ্তমান পৌৰসভাই কৰ বৃদ্ধি কৰি প্ৰায় নব্বৈ হেজাৰ টকা কৰা কাৰ্যক লৈ ছ'চাইটিৰ সদস্য সকলৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সভাই এই সন্দৰ্ভত পৌৰপতিলৈ সভাৰ প্ৰস্তাৱ দাখিল কৰাৰ লগতে এই বিষয়টোত হস্তক্ষেপ কৰিবলৈ স্থানীয় বিধায়ীকা তথা মন্ত্ৰী অজন্তা নেওগক অনুৰোধ জনাবলৈকো সিদ্ধান্ত গ্ৰহণ কৰে। ছ'চাইটিৰ প্ৰশাসনীয় সম্পাদক দীপমনি খাটনীয়াৰে উদ্দেশ্য ব্যাখ্যা কৰা জৰুৰী সভাখনত ছ'চাইটিৰ বিষয়ববীয়া তিলেশ্বৰ তামোলী, জীতেন কাকতি, ৰবীন হাজৰিকা, প্ৰদীপ মহন্ত, মানৱজ্যোতি বৰা, মৃদঙল কাকতি, উৎপল বৰুৱা আদিয়ে পৌৰসভাৰ এনে কাৰ্যৰ গৰিহণা দিয়াৰ লগতে ঐতিহ্যমণ্ডিত সাংস্কৃতিক অনুষ্ঠানটোক বাণিজ্যিক গৃহ কৰাৰ কাৰ্যক তীব্ৰ ভাষাৰে সমালোচনা কৰে।

**শিল্পকলাৰ থাকে হৃদয়ৰ সমন্বয় ঘটোৱাৰ শক্তি ঃ দেৱাশিস শৰ্মা**

# নগাঁৱত চিত্ৰ প্ৰদৰ্শনী মুকলি জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুলাই ঃ** শিল্পকলাৰ মাজত থাকে স্মৃতি ধৰি ৰখা, আৱেগ প্ৰকাশ কৰা আৰু হৃদয়সমূহক একলগ কৰাৰ এক অপূৰ্ব শক্তি। সেই শক্তিৰে সমাজ সুন্দৰ কৰাৰ প্ৰয়াস যুগ যুগান্তৰ ধৰি চলি আহিছে। আজি নগাঁৱৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰৰ কৰা বিথিকাত আয়োজিত এখন চিত্ৰ প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰি দিয়া ভাষণত এইদৰে কয় জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। অসমৰ একাংশ প্ৰতিভাশালী শিল্পীৰ অনন্য সৃষ্টিশীলতা আৰু শিল্পাত্মক অনুভূতিক প্ৰাণৱন্ত ৰূপত দাঙি ধৰি আজিৰে পৰা আৰম্ভ হোৱা "যাত্ৰা-১২" শীৰ্ষক তিনিদিনীয়া চিত্ৰকলা প্ৰদৰ্শনীখন উদ্বোধন কৰাৰ লগতে ইয়াৰ চিত্ৰসমূহ প্ৰত্যক্ষ কৰি জিলা আয়ুক্ত গৰাকীয়ে উচ্চাসিত হৈ পৰে। তেওঁ সকলোকে এই প্ৰদৰ্শনীৰ আনন্দ উপভোগ কৰিবলৈ আহ্বান জনায়। ৰং, আৱেগ আৰু কল্পনাৰ এই অপূৰ্ব নান্দনিক যাত্ৰাৰ সাক্ষী হৈ জিলা আয়ুক্ত শৰ্মাই তেওঁৰ ভাষণত অসমৰ শিল্প-সংস্কৃতিক এক নতুন মাত্ৰা প্ৰদান কৰাত এনে প্ৰদৰ্শনীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ শিল্পীসকলৰ এই প্ৰয়াসক গভীৰভাৱে শলাগ লয়। এই অনুষ্ঠানতে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে মঞ্চ অভিনেত্ৰী চিমি গোস্বামী আৰু জনপ্ৰিয় চিত্ৰশিল্পী গকুল চেত্ৰী। উল্লেখযোগ্য যে, অসমৰ প্ৰতিভাশালী চিত্ৰশিল্পী ৰাতু মণি দাসৰ নেতৃত্বত আঞ্চলিক শিল্প চৰ্চাক প্ৰসাৰিত কৰা আৰু নৱপ্ৰজন্মৰ মাজত সৃষ্টিশীলতাক বিকশিত কৰাৰ লগতে প্ৰতিভাশালী শিল্পীসকলক এক সুকীয়া মঞ্চ প্ৰদান কৰাৰ লক্ষ্যৰে ২০১৯ চনৰ পৰা আৰম্ভ হোৱা "যাত্ৰা" নামৰ অনুষ্ঠানটোৰ উদ্যোগত এই চিত্ৰ প্ৰদৰ্শনীখন অনুষ্ঠিত হৈছে। এই বিশেষ প্ৰদৰ্শনীখন আজি ১৫ জুলাইৰ পৰা অহা ১৭ জুলাইলৈ নগাঁও চহৰৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰৰ আৰ্ট গেলেৰীত পুৱা ১১ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ দৰ্শকৰ বাবে মুকলি ৰখা বুলি উদ্যোক্তাসকলে জনাইছে। এই প্ৰদৰ্শনীত অসমৰ কেইবাগৰাকীও প্ৰতিভাশালী শিল্পী ক্ৰমে অংকুৰ চহৰীয়া, সুনীল নাথ, ৰাঘৱ মহন্ত, অচ্যুতীশ বৰগোহাঁই, ড° মৃদুলা কাশ্যপ, নৱনীতা শৰ্মা, ঋতু মণি দাস আৰু সন্তোষ কুমাৰৰ অনন্য সৃষ্টিৰাজি প্ৰদৰ্শিত কৰা হৈছে।

# সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ দুদিনীয়া কৰ্মবিৰতি; বিভিন্ন দাবীত মাজুলীতো সম্পূৰ্ণৰূপে অচল ন্যায়িক ব্যৱস্থা

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুলাই ঃ** বিভিন্ন দাবীৰে সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ আহ্বানত আজিৰ পৰা ৰাজ্যৰ অন্যান্য জিলাৰ লগতে মাজুলীতো আৰম্ভ হৈছে দুদিনীয়া সৰ্বাত্মক কৰ্মবিৰতি। ফলত জিলাখনৰ ন্যায়িক ব্যৱস্থা সম্পূৰ্ণৰূপে অচল হৈ পৰিছে। মাজুলী জিলা ন্যায়ালয়ৰ ন্যায়িক কৰ্মচাৰীসকলে আজি কৰ্মবিৰতি পালন কৰি সন্থাৰ ১৭ দফীয়া দাবী সন্দৰ্ভত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। সন্থাই চেট্টী আয়োগৰ পৰামৰ্শ অনুসৰি অসমৰ ন্যায়িক কৰ্মচাৰীৰ বাবে পৃথক সেৱা বিধি (Service Rule) প্ৰকাশ কৰাৰ দাবী জনাইছে। লগতে নতুনকৈ গঠন হোৱা ন্যায়িক জিলা সমূহৰ বাহিৰে পুৰণি জিলা সমূহত Bench Clerk Grd-I, II, III পদ সৃষ্টি কৰিবলৈ দাবী জনাইছে। পদোন্নতিৰ ক্ষেত্ৰত ২৫ শতাংশ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীক সুবিধা দিয়া, ষ্টেন'গ্ৰাফাৰ, গাড়ীচালক, ৰেকৰ্ড কীপাৰ আদি কৰ্মচাৰীসকলক বিশেষ বানচ প্ৰদান কৰা, লোক আদালতৰ কামত নিযুক্ত কৰ্মচাৰীক মূল বেতনৰ ৫ শতাংশ হাৰত পাৰিতোষিক প্ৰদান কৰা আদিও সন্থাৰ অন্যতম দাবী। তদুপৰি ROP-2017 ত ন্যায়িক কৰ্মচাৰীৰ দৰমহা গাঁঠনিৰ অসোঁৱাহসমূহ দূৰ কৰা, অসমৰ মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধীকৰণৰ লগতে যি কেইখন জিলাত এতিয়ালৈকে মুখ্য সহায়ক পদ, চিৰস্তাদাৰ-দেৱানী আদালত (জ্যেষ্ঠ-কনিষ্ঠ), উচ্চ বৰ্গ সহায়ক, গাণনিক, প্ৰটকল অফিছাৰ আদি পদ সৃষ্টি হোৱা নাই সেই পদসমূহ অনতিপলমে সৃষ্টি কৰাৰ দাবী জনাইছে। সন্থাই মুখ্য ন্যায়িক দণ্ডাধীশ কাৰ্য্যালয়ৰ মুখ্য সহায়কৰ দৰমহা জিলা ন্যায়াধীশ কাৰ্য্যালয়ৰ মুখ্য সহায়কৰ সমপৰ্যায় কৰা, পদ অনুসৰি স্নাতক হাৰত (Grade Pay-8700) দৰমহা প্ৰদান কৰা, চতুৰ্থ শ্ৰেণীৰ একাংশ কৰ্মচাৰী (পিয়ন, চকিদাৰ)ক আৰম্ভণিৰে পৰা গ্ৰেড পে প্ৰতি মাহে ৩৯০০/- টকাৰ ঠাইত ৪০/- টকা ধাৰ্য কৰা, জাৰিকাৰক সকলৰ স্থায়ী ভ্ৰমণ বানচ (Fixed TA) বৃদ্ধি কৰা, ন্যায়িক বিষয়াৰ দৰে ন্যায়িক কৰ্মচাৰীসকলৰো চিকিৎসা ব্যয় (Medical Reimbursement) ওভতাই পোৱাৰ ব্যৱস্থা কৰা আদি দাবী উত্থাপন কৰিছে। লগতে সকলো NPS কৰ্মচাৰীক OPSৰ আওতালৈ অনাৰ দাবীতো সন্থাই কৰ্মবিৰতি পালন কৰিছে। কৰ্মবিৰতিৰ ফলত আজি মাজুলী জিলা ন্যায়ালয়ত সকলো বিচাৰ-ব্যৱস্থা বন্ধ হৈ পৰে। গোচৰৰ তাৰিখ পৰা লোকসকল নিৰাশ হৈ ঘূৰি যাবলগীয়া হয়।

**দিন-হাজিৰা কৰিবলৈ গৈ প্ৰাণ হেৰুৱালে ভৰত নাথে; মাজুলীত শোকৰ ছাঁ**

# মাজুলীৰ নগাঁও গোঁসাইবাৰীত পকী দেৱাল ভাঙি কৰ্মৰত অৱস্থাত শ্ৰমিকৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুলাই ঃ** মাজুলীৰ নগাঁও গোঁসাইবাৰীত আজি সংঘটিত হয় এক ভয়ংকৰ শ্ৰমিক দুৰ্ঘটনা। দিন-হাজিৰা কৰিবলৈ গৈ পকী দেৱাল ভাঙোতে থিতাতে প্ৰাণ হেৰুৱালে এজন শ্ৰমিকে। নিহত শ্ৰমিকজনৰ নাম ভৰত নাথ। তেওঁ নগাঁও গোঁসাই বাৰী নিকিনীখোৱা ৰ বাসিন্দা। প্ৰাপ্ত তথ্য অনুসৰি, ৰঞ্জিত নাথ নামৰ এজন ব্যক্তিৰ ঘৰত ইটাৰ দেৱাল ভাঙি থকাৰ সময়তে হঠাতে দেৱালৰ এটা অংশ ভাঙি পৰে। তাতেই চাপৰি পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় ভৰত নাথ। স্থানীয় ৰাইজে তেওঁক উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়াৰ আগতেই তেওঁৰ মৃত্যু হয়। খবৰ পাই ঘটনাস্থলীত ফুলনি আৰক্ষী চকীৰ এটা দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো গড়মূৰ জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। নিহত ভৰত নাথৰ পৰিয়ালৰ লোকে অভিযোগ কৰিছে যে তেওঁ আগৰে পৰাই কিছু অসুস্থ আৰু দুৰ্বল আছিল। তথাপিও পেটৰ ভাতৰ বাবেই দিন-হাজিৰা কৰিবলৈ যাবলগীয়া হৈছিল ভৰত নাথ। পৰিয়ালটোৱে এই ঘটনাৰ উচ্চস্তৰীয় তদন্তৰ লগতে চৰকাৰী সাহায্যৰ দাবী জনাইছে। এক কথাত কবলৈ গ'লে এই ঘটনাই পুনৰ মাজুলীত অসংগঠিত শ্ৰমিকৰ সুৰক্ষাৰ প্ৰশ্ন উত্থাপন কৰিছে। অভিযোগ অনুসৰি, এনে ব্যক্তিগত নিৰ্মাণ কামত শ্ৰমিকসকলৰ বাবে কোনো ধৰণৰ সুৰক্ষা সা-সঁজুলি বা বিমাৰ ব্যৱস্থা নাথাকে। শ্ৰমিকসকলৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ 'e-Shram Card' আৰু ৰাজ্য চৰকাৰ 'নিৰ্মাণ শ্ৰমিক কল্যাণ ব'ৰ্ড'ৰ জৰিয়তে দুৰ্ঘটনাজনিত সাহায্য আৰু বিমাৰ সুবিধা আছে। কিন্তু বহু শ্ৰমিকেই এই আঁচনিৰ বিষয়ে অৱগত নহয় আৰু পঞ্জীয়ন নকৰে। স্থানীয় ৰাইজ আৰু শ্ৰমিক সংগঠনসমূহে দাবী কৰিছে যে জিলা প্ৰশাসনে এনে কামত সুৰক্ষাৰ নিয়ম মানিবলৈ বাধ্য কৰিব লাগে আৰু প্ৰতিগৰাকী শ্ৰমিকক চৰকাৰী আঁচনিৰ আওতালৈ আনিব লাগে। এই ঘটনাই সমগ্ৰ মাজুলীতেই শোকৰ ছাঁ পেলাইছে। স্থানীয় দল-সংগঠনে এই দুৰ্ঘটনাৰ এক উচিত তদন্তৰো দাবী জনাইছে।

# ডিব্ৰুগড়ত সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ মৃত্যু দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুলাই ঃ** আধুনিক অসমৰ অন্যতম ৰূপকাৰ, সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ মৃত্যু দিৱস উপলক্ষে আজি ডিব্ৰুগড়ত শ্ৰদ্ধাৰে তেওঁৰ স্মৃতিচাৰণ কৰা হয়। সাংবাদিকতা, ক্ৰীড়া, সংস্কৃতি, উদ্যোগ, বেংকিং আৰু সমাজ জীৱনলৈ আগবঢ়াই যোৱা অনন্য অৱদানৰ বাবে বৰুৱাক শ্ৰদ্ধাৰে সোঁৱৰে। অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে চহৰৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা উদ্যানত (ফুল বাগান) স্থাপিত সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনায়। অনুষ্ঠানটো পৰিচালনা কৰে ডিব্ৰুগড় পৌৰসভাৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ ড° কামিনী ৰঞ্জন বৰুৱাই। ভাষণ প্ৰদান কৰি ড° বৰুৱাই কয় যে ৰাধা গোবিন্দ বৰুৱা কেৱল এগৰাকী সফল সংবাদপত্ৰ প্ৰতিষ্ঠাপকেই নহয়, তেওঁ আধুনিক অসমৰ গঢ় দিয়া দূৰদৰ্শী ব্যক্তিত্বসকলৰ অন্যতম। সাংবাদিকতা, ক্ৰীড়া, সংস্কৃতি, উদ্যোগ আৰুজন জীৱনৰ বিভিন্ন ক্ষেত্ৰত তেওঁৰ সুদূৰপ্ৰসাৰী অৱদানে আজিও অসমবাসীক অনুপ্ৰাণিত কৰি আহিছে। তেওঁ উল্লেখ কৰে যে ১৯৩৯ চনৰ ৪ আগষ্টত ৰাধা গোবিন্দ বৰুৱাই ডিব্ৰুগড়ৰ পৰাই "দি আছাম ট্ৰিবিউন" কাকতখন সাপ্তাহিক সংবাদপত্ৰ ৰূপে শুভাৰম্ভ কৰে। পিছত ১৯৪৬ চনত সংবাদ পত্ৰখন গুৱাহাটীলৈ স্থানান্তৰ কৰি ইয়াক উত্তৰ- পূৰ্বাঞ্চলৰ প্ৰথম ইংৰাজী দৈনিক সংবাদপত্ৰ হিচাপে গঢ়ি তোলে। আজিৰ "দি আছাম ট্ৰিবিউন" গোটৰ ভেটি ডিব্ৰুগড়তেই স্থাপন হৈছিল বুলি তেওঁ স্মৰণ কৰে। ড° বৰুৱাই লগতে কয় যে ৰাধা গোবিন্দ বৰুৱা ১৯২৩ চনত ডিব্ৰুগড়ত স্থাপিত কৰে ইম্পেৰিয়েল বেংক অৱ ইণ্ডিয়াৰ (বৰ্তমানৰ ষ্টেট বেংক অৱ ইণ্ডিয়া) প্ৰথম অসমীয়া কৰ্মচাৰী আছিল। ফুলবাগানৰ সমীপৰ যি ঐতিহাসিক ভৱনটোত সেই বেংকৰ শাখা কাৰ্যালয় স্থাপিত হৈছিল, সেই ভৱনটোৱেই বৰ্তমান জিলা ন্যায়ালয় হিচাপে ব্যৱহৃত হৈছে। ডিব্ৰুগড়ৰ এই ঐতিহাসিক স্থানসমূহৰ সৈতে ৰাধা গোবিন্দ বৰুৱাৰ জীৱন আৰু কৰ্মৰ গভীৰ সম্পৰ্ক আছে বুলি তেওঁ উল্লেখ কৰে। বিশিষ্ট সমাজকৰ্মী তথা ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া জ্ঞান প্ৰকাশ শৰ্মা আৰু প্ৰবীণ ক্ৰীড়া সংগঠক অঞ্জন বৰুৱাইও আৱক্ষ মূৰ্তিৰ পাদদেশত বন্তি আৰু ধূপ-ধূনা জ্বলাই সিংহপুৰুষ গৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁলোকে অসমৰ সামগ্ৰিক উন্নয়ন, সাংবাদিকতা, ক্ৰীড়া আৰু সাংস্কৃতিক জাগৰণত ৰাধা গোবিন্দ বৰুৱাৰ অতুলনীয় অৱদানক শ্ৰদ্ধৰে সোঁৱৰণ কৰে। অনুষ্ঠানত বক্তাসকলে কয় যে ৰাধা গোবিন্দ বৰুৱাৰ আদৰ্শ, কৰ্মনিষ্ঠা, দূৰদৰ্শিতা আৰু জাতি গঢ়াৰ দৃষ্টিভংগী নতুন প্ৰজন্মৰ মাজত অধিক প্ৰচাৰ আৰু সংৰক্ষণৰ প্ৰয়োজন আছে। আধুনিক অসমৰ ইতিহাসত তেওঁৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব বুলিও তেওঁলোকে মত প্ৰকাশ কৰে।

# গোলাঘাট জিলাত 'ব্লিংকিট'ক ব্যৱসায়ৰ অনুমতি নিদিবলৈ জিলা আয়ুক্তক নাগৰিক সমাজৰ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুলাই ঃ** গোলাঘাট নাগৰিক সমাজৰ এটি প্ৰতিনিধি দলে আজি গোলাঘাট জিলা আয়ুক্তক অনলাইন ব্যৱসায় 'ব্লিংকিট'ক সমগ্ৰ জিলাখনতে অনুমতি প্ৰদান নকৰিবৰ বাবে অনুৰোধ জনায় এক স্মাৰক পত্ৰ প্ৰদান কৰে। গোলাঘাট জিলাৰ আয়ুক্ত পূবালী গোঁহাইক স্মাৰক পত্ৰ প্ৰদান কৰে গোলাঘাট নাগৰিক সমাজৰ হৈ সভাপতি কিশোৰ কুমাৰ দত্ত, উপ- সভাপতি বিবেকানন্দ হাজৰিকা, ৰোহিত গগৈ, সাধাৰণ সম্পাদক পিকুমণি দত্ত আৰু সম্পাদক দ্বীপ কলিতা আৰু দ্বীপমণি খাটনিয়াৰে। নাগৰিক সমাজৰ স্মাৰক পত্ৰত উল্লেখ কৰা হয় যে - "অতি উদ্বিগ্নতাৰে লক্ষ্য কৰিছোঁ যে গোলাঘাট চহৰত 'অনলাইন' ব্যৱসায়িক প্ৰতিষ্ঠান 'ব্লিংকিট'ৰ ব্যৱসায়ৰ সম্প্ৰসাৰণৰ প্ৰস্তুতি চলাই আছে। গোলাঘাটৰ দৰে সৰু চহৰ এখনত ইতিমধ্যে অনলাইন ব্যৱসায়ে ক্ষুদ্ৰ তথা মজলীয়া ব্যৱসায়ীসকলক সাংঘাতিক ধৰণে ক্ষতিগ্ৰস্ত কৰি আহিছে। সেই একে সময়তে কেইবাটাও শ্বপিং মলে এই ব্যৱসায়ীসকলৰ ব্যৱসায়ত কুঠাৰাঘাত কৰিছে; ফলত তেওঁলোক আৰ্থিকভাৱে যথেষ্ট সংকটত পৰিছে। গতিকে এনে পৰিস্থিতিত 'ব্লিংকিট'ৰ দৰে অন্যতম বৃহৎ পুঁজিপতি গোষ্ঠীৰ ব্যৱসায়ৰ সম্প্ৰসাৰণে বহু বছৰ ধৰি ব্যৱসায় কৰি অহা স্থানীয় ব্যৱসায়ীসকলক আৰু অধিক ক্ষতিগ্ৰস্ত কৰি তুলিব।" সেয়েহে গোলাঘাট নাগৰিক সমাজে গোলাঘাট চহৰৰ লগতে সমগ্ৰ জিলাখনতে ব্যৱসায় সম্প্ৰসাৰণৰ দুৰ্ঘোৰ বিৰোধিতা কৰে আৰু এই ব্যৱসায়ৰ বাবে যিকোনো অনুমতি প্ৰদান নকৰিবলৈ স্মাৰক পত্ৰৰ জৰিয়তে আহ্বান জনায়।

# ডিব্ৰুগড়ৰ মৰাণত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ পূৰ্ণাংগ মৰাণ সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুলাই ঃ** ডিব্ৰুগড়ৰ মৰাণত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ আজি (১৫-০৭-২০২৬ ) এখনি ডিব্ৰুগড় জিলা সমিতিৰ অন্তৰ্গত বৃহত্তৰ মৰাণ আঞ্চলিক সমিতি গঠন কৰা হয়। এই উদ্দেশ্যে মৰাণৰ প্ৰজাপতি বিবাহ ভৱনত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত চেলিম উদ্দিন আহমেদক সভাপতি, ফাৰদিন আহমেদ(ৰকি)ক কাৰ্যকৰী সভাপতি আৰু ৰেকিবুদ্দিন আহমেদক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি পূৰ্ণাঙ্গ আঞ্চলিক সমিতি গঠন কৰে। আগন্তুক দিনত এই সমিতি খনে বৃহত্তৰ মৰাণ অঞ্চলত পৰিষদৰ প্ৰতিটো দিশতে উত্তোৰণৰ বাবে বিভিন্ন গঠন মূলক কাম কৰি যাবলৈ সভাই সমিতিখনক কৰ্তৃত্ব প্ৰদান কৰে। সভাত সভাপতিত্ব কৰে জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি তথা জিলা কাৰ্যকৰী সভাপতি নৌছাদ আলী আহমদে। সভাত কেন্দ্ৰীয় সমিতিৰ সহঃসম্পাদক ৰুবুল আলি, সাংগঠনিক সম্পাদক বুলবুল ৰহমান আৰু জিলা সমিতিৰ অন্যতম উপ-সভাপতি চফিউল বৰাসহ বিশিষ্ট ব্যক্তি উপস্থিত থাকি বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়।

# আমগুৰিত প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ৰাজযোগ প্ৰশিক্ষণ কেন্দ্ৰৰ শুভ উদ্বোধন

**অসম বাৰ্তা, চেলেংহাট, ১৬ জুলাই ঃ** শিৱসাগৰ জিলাৰ আমগুৰি নগৰত প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ অধীনত এখন নতুন ৰাজযোগ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। অৱসৰপ্ৰাপ্ত কৃষি বিষয়া তথা ৰাজযোগৰ উদ্যোগী ড° অৰুণ চাংকাকতিয়ে আঁত ধৰা এক অনুষ্ঠানত বিশিষ্ট কবি, সাহিত্যিক তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ উপ-সমন্বয় অধিকাৰী বৰ্হ্মাকুমাৰীজ বি. কে. ৰজনীয়ে আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ উপৰি সোণাৰী কেন্দ্ৰৰ বি কে অনিতা, শিৱসাগৰ কেন্দ্ৰৰ বি.কে. নয়না আৰু বি কে অনিল গগৈয়ে ৰাজযোগৰ ওপৰত আলোকপাত কৰি উপস্থিত ৰাইজক গুৰুত্বপূৰ্ণ তথ্য আগবঢ়ায়। প্ৰাক্তন মন্ত্ৰী প্ৰদীপ হাজৰিকা উপস্থিত থকা এই অনুষ্ঠানত গেলেকী কেন্দ্ৰৰ কুমাৰী ৰঞ্জু কুৰ্ম্মীৰ নৃত্য আৰু শিৱসাগৰ কেন্দ্ৰৰ বি কে নয়নাৰ সংগীত পৰিৱেশনে সভাৰ শৌস্তভ বৃদ্ধি কৰে। কেন্দ্ৰৰ মুখ্য পৰিচালক ড° অৰুণ চাংকাকতিয়ে জনোৱা মতে, নতুন প্ৰতিষ্ঠিত এই কেন্দ্ৰত প্ৰতিদিনে তিনিটা সময়ত ৰাজযোগৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। পুৱা ৭ৰ পৰা ৮ বজালৈ, বিয়লি ৩ৰ পৰা ৪ বজালৈ আৰু সন্ধিয়া ৭ৰ পৰা ৮ বজালৈ। উল্লেখ্য যে প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ উদ্যোগত বৰ্তমান বিশ্বৰ ১৩৭খন দেশত প্ৰায় ১০ সহস্ৰাধিক আধ্যাত্মিক শিক্ষা তথা ৰাজযোগৰ কেন্দ্ৰ স্থাপন হৈছে, ইয়াৰে এটা শাখা বৰ্তমান আমগুৰিতো উপলব্ধ হ'ল।

# গোলকগঞ্জত যুৱতীক অপহৰণ কৰি ধৰ্ষণৰ অভিযোগ; অভিযুক্ত আটক

**অসম বাৰ্তা, গোলকগঞ্জ, ১৬ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত এগৰাকী যুৱতীক অপহৰণ কৰি ধৰ্ষণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ পিছতে চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে অভিযুক্ত হাসমত আলীক আটক কৰি তদন্ত অব্যাহত ৰাখিছে। অভিযোগ অনুসৰি, ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী বিন্নাচৰা গাঁৱৰ এগৰাকী যুৱতীক যোৱা ১১ জুলাইৰ সন্ধিয়া অভিযুক্তই পানীৰ সৈতে নিচাজাতীয় দ্ৰব্য খুৱাই অচেতন কৰি অপহৰণ কৰে। তাৰ পিছত তেওঁক গুৱাহাটীলৈ লৈ গৈ এটা বন্ধ কোঠালীত কেইবাবাৰো ধৰ্ষণ কৰা হয় বুলি অভিযোগ উত্থাপন হৈছে। ইয়াৰ পিছত অভিযুক্তই যুৱতীগৰাকীক তিনিচুকীয়ালৈ লৈ গৈ নাৰী সৰবৰাহ চক্ৰৰ ওচৰত বিক্ৰীৰ চেষ্টা চলোৱা বুলিও পৰিয়ালৰ অভিযোগ। অৱশ্যে, সুযোগ পাই যুৱতীগৰাকীয়ে গোপনে নিজ গৃহলৈ ফোনযোগে ঘটনাৰ বিষয়ে জনায়। খবৰ পোৱাৰ পিছত যুৱতীগৰাকীৰ ভাতৃয়ে তৎপৰতাৰে গৈ তেওঁক উদ্ধাৰ কৰি ঘৰলৈ লৈ আহে। ঘটনাৰ সন্দৰ্ভত যুৱতীগৰাকীৰ পৰিয়ালে গোলকগঞ্জ আৰক্ষী থানাত অভিযুক্ত হাসমত আলীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই অভিযুক্তক আটক কৰিছে। বৰ্তমান ঘটনাটোৰ তদন্ত অব্যাহত আছে আৰু আৰক্ষীয়ে অধিক তথ্য সংগ্ৰহৰ বাবে জেৰা চলাই আছে।

# সদৌ অসম ভিত্তিত মহিলা দিহানাম প্ৰতিযোগিতা

**অসম বাৰ্তা, চেলেংহাট, ১৬ জুলাই ঃ** চেলেংহাট বৰনগঞা গাঁৱৰ বৰনামঘৰৰ শতবৰ্ষ উদ্‌যাপনৰ লগত সংগতি ৰাখি অহা ২৫ জুলাই তাৰিখে আয়োজন কৰিবলৈ লোৱা হৈছে সদৌ অসম ভিত্তিত মহিলা দিহানাম প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ নিয়মাৱলী অনুসৰি প্ৰতিটো দলত বাদ্যবাদকসহ সৰ্বাধিক ১২ গৰাকী সদস্য থাকিব পাৰিব আৰু ১১ মিনিটকৈ সময় দিয়া হ'ব। প্ৰথম স্থান লাভ কৰা দলক ১০, ০০০ টকা, দ্বিতীয় স্থান প্ৰাপক দলক ৭, ০০০ টকা আৰু তৃতীয় স্থান লাভ কৰা দলক ৫, ০০০ টকা নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ উপৰিও শ্ৰেষ্ঠ নামতী, শ্ৰেষ্ঠ নেগেৰাবাদক আৰু শ্ৰেষ্ঠ খোলবাদকক বিশেষ বঁটা প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা দলসমূহক ২২ জুলাইৰ ভিতৰত ৬০০১৩৩৯০৮০, ৬৯০০৮০৯০৪০, ৬০০২৯০৮০৮৬ আৰু ৯১০১৫৯৯২৩৯ নম্বৰ যোগে নাম পঞ্জীয়ন কৰিব পাৰিব। আনহাতে পঞ্জীয়ন মাচুল ৭০১ টকা নিৰ্ধাৰণ কৰা হৈছে বুলি জানিবলৈ দিছে আয়োজক সমিতিয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ ◆ Website : www.asombarta.in ◆ ◆ Facebook : \asombarta ◆ ◆ Instagram : \asom_barta ◆
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন